# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৫/০৭/২০২১ বৃহস্পতিবাৰ

---

**আজি ইংৰাজী ১৫-০৭-২০২১ তাৰিখে পূৰ্ব নিৰ্ধাৰিত সময় অনুসাৰে পুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশনৰ কাম আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** Question No 61.

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (কোকৰাঝাৰ পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো প্ৰশ্ন এই বিষয়টো অসম চৰকাৰে জানে বুলি লগতে তেখেতসকলে এইটো পৰ্য্যালোচনা কৰি থকা বুলি উত্তৰত মই পালো। মই ইয়াত উল্লেখ কৰিব বিচাৰো ২০২০ চনৰ নৱেম্বৰ মাহৰ ১৩ তাৰিখে যেতিয়া আমাৰ BTC ত নিৰ্বাচন চলিছিলে সেই সময়ত ফকিৰাগ্ৰাম পুৰণি বজাৰত BTC নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলাবলৈ গৈ তেতিয়াৰ শিক্ষামন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী মাননীয় ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া দেৱে স্পষ্টভাৱে ঘোষণা কৰিছিল যে ফকিৰাগ্ৰাম কলেজখনত বিজ্ঞান শাখাটো অতি সোনকালে introduce কৰা হ'ব বুলি আৰু সেই হিচাপে আমি ফকিৰাগ্ৰাম কলেজত ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকসকলে আশা কৰি আছিলো। কিন্তু আজি যিটো উত্তৰ সেইটো সচাঁকৈ নিৰাশাজনক। যোৱা চৰকাৰৰ আমোলতো তেতিয়াৰ শিক্ষামন্ত্ৰী মাননীয় শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য দেৱে এইটো পৰ্য্যালোচনা কৰি থকা বুলি উত্তৰত দিছিলে। এইবাৰো এইটো বিত্তীয় বৰ্ষতে ফকিৰাগ্ৰাম কলেজখনত বিজ্ঞান শাখাটো introduce কৰা হ'ব বুলি আমি আশা কৰি আছিলো। কিন্তু উত্তৰটো সন্তোষজনক নোহোৱাত মই অলপ নিৰাশ হৈছো। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে এইবাৰ বিত্তীয় বৰ্ষতে ফকিৰাগ্ৰাম কলেজখনত বিজ্ঞান শাখাটো introduction কৰা হ'বনে in honour of the declaration of the Hon'ble Chief Minister of Assam during the election campaign on 13th November , 2020.

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক মই নিৰাশাবাদী নহ'বলৈ অনুৰোধ জনাইছো। আশাই জীৱন। আশাবাদী হৈয়ে থাকিব লাগিব। তেখেতৰ জ্ঞাতাৰ্থে মই জনাওঁ যে অসম চৰকাৰে পৰ্য্যায়ক্ৰমে বিজ্ঞান শাখাটো প্ৰৱৰ্তন কৰাৰ কাৰণে সিদ্ধান্ত লৈছে। ২০১৭ চনত আমি ছিপাঝাৰ আৰু বৰনগৰ মহাবিদ্যালয় দুখনত বিজ্ঞান শিক্ষা প্ৰৱৰ্তন কৰিছিলে আৰু ২০১৮ চনত ৫০ খন মহাবিদ্যালয় নিৰ্বাচন কৰা হৈছিল। তাৰে ভিতৰত ইতিমধ্যে আমি ১৬ খন মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিছো। বাকী যিসমূহ মহাবিদ্যালয় তালিকাভুক্ত হৈ আছে ৩৪ খন, সেই সমূহতো অতি সোনকালে আমি বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিম। দুৰ্ভাগ্যজনক কথাটো হ'ল যে ফকিৰাগ্ৰাম মহাবিদ্যালয়খন এই ৩৪ খন মহাবিদ্যালয়ৰ তালিকাত নাই। তাৰ পিছত এখন হয়তো তালিকা হ'ব। গতিকে আপুনি আশাবাদী হৈ থাকক। ইয়াৰ পিছৰখন তালিকাতে ফকিৰাগ্ৰাম মহাবিদ্যালয়খনত বিজ্ঞান শাখা introduction ৰ বাবে বিবেচনা কৰিম বুলি মই আপোনাক inform কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। 2nd supplementary.

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (কোকৰাঝাৰ পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যেনেকৈ উত্তৰটো দিলে যে আশাবাদী হৈ থাকিবৰ কাৰণে গতিকে আমি ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱক সকলোৰে আশাবাদী হৈ থাকিম আৰু এই বছৰতে যাতে এই ফকিৰাগ্ৰাম কলেজত বিজ্ঞান শাখাটো অন্তৰ্ভুক্ত কৰিবৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক দাবী জনালো। ইয়াৰ উপৰিও আমাৰ চেৰ ফাংগুৰিত যিখন জনতা কলেজ এই কলেজখনতো বিজ্ঞান শাখাটো অন্তৰ্ভুক্ত কৰাৰ কাৰণে আমাৰ BTC ৰ Director of Education ৰ পৰা ইতিমধ্যে এটা proposal পঠাইছে। গতিকে এই কলেজখনতো অতি সোনকালে বিজ্ঞান শাখাটো অন্তৰ্ভুক্ত কৰাৰ কাৰণে পদক্ষেপ ল'ব নেকি?

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কোকৰাঝাৰ জিলাত কোকৰাঝাৰ চৰকাৰী কলেজ, কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয় আৰু গোঁসাইগাওঁ কলেজ এই তিনিখনত বিজ্ঞান শাখা আছে। ছাত্ৰ-ছাত্ৰী সকলে এই তিনিখন মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শিক্ষাটো গ্ৰহণ কৰিব পাৰিছে। অতিৰিক্ত আপুনি যি কেইখন কলেজৰ কথা উল্লেখ কৰিছে আমি তাৰ প্ৰয়োজনীয়তাখিনি পৰীক্ষা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱো ইয়াত supplemantary নাই। এতিয়া শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ফকিৰাগ্ৰামৰ বিজ্ঞান শাখাৰ ওপৰত মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যিটো বক্তব্য ৰাখিছে যে যদিও ঘোষণাৰ পিছত ২-৩ বছৰ অপেক্ষা কৰিলে তথাপিও তেওঁ আশাবাদী হৈ থাকিবলৈ কৈছে আৰু নিশ্চয়তা প্ৰদান কৰিছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। ইয়াৰ উপৰিও তেখেতে বাকী যিকেইখন মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰাৰ কথা কৈছে সেই সমূহত কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব সেয়া মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি যি ১৬ খনত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিছো সেই সমূহৰ এটা assessment report দিয়াৰ পিছতে বাকী থকা ৩৪ খনৰ কাম আমি খুব সোনকালে আৰম্ভ কৰিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো। মোৰ অনুভৱ হৈছে যে তেওঁ গোটেই বিভাগটোৰ এটা বুজ লৈছে। 'সত্যম শিৱম সুন্দৰম', অধ্যক্ষ মহোদয়, ফকিৰাগ্ৰাম মহাবিদ্যালয়ত বিজ্ঞান শাখাটো introduction কৰাৰ কাৰণে তেখেত সকলে আবেদন জনাইছিল আৰু চৰকাৰে বিবেচনা কৰিব বুলি কৈছে। মহাবিদ্যালয় সমূহত বিজ্ঞান শাখাটো introduction কৰাৰ বাবে আমাৰ suggestion টো আছিল এনেধৰণৰ যে - সেই কলেজসমূহৰ establish হোৱা তাৰিখটো চাব লাগে আৰু enrolment টো চাব লাগে। নহ'লে এনেকুৱা হয় যে য'ত enrolment ত ১০ জন থাকে তাতেই বিজ্ঞান শাখাটো introduction কৰা হৈ যায় আৰু য'ত ৫০০ জন ছাত্ৰ-ছাত্ৰী থাকে তাত বিজ্ঞান শাখাটো introduction কৰা নহয়। মন্ত্ৰী মহোদয়ে আৰু এখন কলেজত হৈছে আৰু ১৯৬২ চনত এইখন স্থাপিত হৈছিল NC College বদৰপুৰ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব আপুনি আৰু ক'ব নালাগে। মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Provincialization টো আৰু এই বিজ্ঞান শাখা খোলাটো সম্পূৰ্ণ বেলেগ কথা। এই system টো আমি যিসমূহ মহাবিদ্যালয়ত আৰম্ভ কৰিছো তাত সম্পূৰ্ণ নতুনকৈ আৰম্ভ কৰিছো। তাত আগতে কি আছিল কি নাছিল সেইখিনি

আমি নাচাওঁ। আগত কি আছিল নাছিল সেইখিনি Provincialization আইনৰ আওঁতাত চাব। গতিকে Provincialization আইনৰ বাহিৰত আমি এইখিনিত নতুনকৈ বিজ্ঞান শাখাটো আৰম্ভ কৰিব বিচাৰিছো। এই ৫০ খনৰে ১৬ খন মহাবিদ্যালয়ত বিজ্ঞান শাখাটো আৰম্ভ হৈ গ'ল আৰু বাকীখিনিও আমি সোনকালে আৰম্ভ কৰিম। গতিকে আগতে ক'ত কি enrolment আছিল সেইখিনি আমি নাচাওঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৬২। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ আৰু বাণিজ্য বিভাগৰ আঁচনি সমূহৰ উত্তৰ প্ৰায় আহিছেই। কিন্তু নতুন উদ্যোগ স্থাপনৰ পৰিকল্পনাৰ ক্ষেত্ৰত কথাবিলাক স্পষ্টভাৱে অহা নাই। গতিকে মই বৰপেটাত প্ৰচুৰ সম্ভাৱনীয়তা থকা কেইটামান কথা মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে উনুকিয়াব খুজিছো। মই ভাৱো তাত যদি কেইটামান উদ্যোগ স্থাপন কৰে তেতিয়াহ'লে নিবনুৱা সমস্যা সমাধানৰ কাৰণে চৰকাৰে এটা ভাল সুযোগ পাব। আমি জানো যে কেৱল মাত্ৰ চৰকাৰী চাকৰিয়ে এতিয়া নিবনুৱা সমস্যাৰ সমাধান কৰিব নোৱাৰে। কাৰণ বৰ্তমান ৪৫ লাখৰ ওপৰত নিবনুৱা আছে। চৰকাৰে ১ লাখ চাকৰি দিম বুলি কৈছে, সেইখিনি দিলে বৃহৎ সংখ্যক নিবনুৱা সমস্যাৰ সমাধান হোৱাৰ কথাটো আমিও স্বীকাৰ কৰো। বৰপেটা জিলা আতচবাজিৰ কাৰণে গোটেই ভাৰতবৰ্ষতে বিখ্যাত। আগৰ চৰকাৰে আতচবাজি ভিলেজ নিৰ্মাণ কৰাৰ কাম আৰম্ভ কৰিছিল কিন্তু সেইটো আমি ভালধৰণে এটা উদ্যোগৰ ৰূপ দিব নোৱাৰাৰ কাৰণে, পুঁজিৰ যোগান ধৰিব নোৱাৰাৰ কাৰণে চাইনা, ম্যানমাৰৰ পৰা আতচবাজি আহি আমাৰ বজাৰ ভৰি পৰে। আমি যদি এই সম্ভাৱনীয়তাখিনিক উদ্যোগত ৰূপান্তৰ কৰিব পাৰো তেনেহ'লে গোটেই ভাৰতবৰ্ষতদেৱালীৰ সময়ত আতচবাজি সমূহ আমি ইয়াৰ পৰাই যোগান ধৰিব পাৰিম। নামনি অঞ্চলৰ ভিতৰত হাউলী হৈছে চুপাৰিৰ কাৰণে বিখ্যাত ঠাই। এই চুপাৰি ভাৰতবৰ্ষৰ ৰাজস্থান আদিকে ধৰি বহুত ঠাইলৈকে যায়। গতিকে ইয়াত উদ্যোগ স্থাপনৰ এটা বৃহৎ সম্ভাৱনীয়তা আছে। আমি জানো যে প্লাষ্টিকৰ ব্যৱহাৰ আমাৰ স্বাস্থ্যৰ কাৰণে হানিকাৰক। মৰাপাট, আলু, গাখীৰ অসমৰ ভিতৰত বৰপেটা জিলাত আটাইতকৈ বেছি উৎপাদন হয়। গতিকে চিপচ্ ৰ কাৰণে আমি যদি কিবা উদ্যোগ গঢ়িব পাৰো আৰু মৰাপাটৰ পৰা বিভিন্ন সামগ্ৰী নিৰ্মাণৰ ব্যৱস্থা আমি কৰিব পাৰো তেতিয়া বহুত সুবিধা হ'ব। কাঁহ শিল্পৰ কাৰণে বৰপেটা বিখ্যাত আৰু এই কোটি কোটি টকাৰ সা-সামগ্ৰী চাইনা, ম্যানমাৰ আদি বিভিন্ন দেশলৈ যায়। গতিকে এই উদ্যোগ বিলাকৰ প্ৰতি যদি চৰকাৰে সদিচ্ছা প্ৰকাশ কৰে, বৰপেটাত প্ৰচুৰ সম্ভাৱনীয়তা থকা বস্তু সমূহৰ ওপৰত যদি গুৰুত্ব দিয়ে তেনেহ'লে মই ভাৱো নিবনুৱা সমস্যা সমাধান কৰিবলৈ সক্ষম হ'ব। সেয়ে মই মন্ত্ৰী মহোদয়ক এই সম্ভাৱনীয়তা থকা উদ্যোগ সমূহ কৰাৰ কিবা পৰিকল্পনা লৈছে নেকি সেই বিষয়ে জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কথা কৈছে যে আতচবাজিৰ কাৰণে বৰপেটা বিখ্যাত সেইটো হয়। সেয়ে তাত এটা ইনফ্ৰাষ্ট্ৰাকচাৰ ইতিমধ্যে গঢ় লৈ উঠিছে। উদ্যোগ বিভাগৰ ফালৰ পৰা বহুতো এণ্টাৰপ্ৰেনিঅ'ৰক আমি কলো যে আপোনালোক আহক কিন্তু বৰপেটাৰ স্থানীয় লোকসকলেই তাত আহিবলৈ ইচ্ছা নকৰে। যোৱা ৫ বছৰৰ পৰা আমি তেওঁলোকক কৈ আছো। কিন্তু তেওঁলাক

অহা নাই। দ্বিতীয়তে, তাত যিখিনি আতচবাজী উদ্যোগ হ'ব বা কৰিব বিচাৰিছে চৰকাৰে ফাণ্ডিং নকৰে। গতিকে আমি বেংকৰ লগত লিংকেজ কৰি দিম আৰু বেংকে তেওঁলোকক ফাণ্ডিং কৰিব। তাৰ কাৰণে যিখিনি ষ্টেট পলিচি তাৰপৰা তেওঁলোক টেক্স ৰিবেট, কেপিটেল চাবচিডি ইত্যাদি পাব। হাউলীত চুপাৰি বেছিকৈ হোৱা কথাটো আমি সকলোৱে জানো তাৰ কাৰণে যদি হাউলীত কোনোবাই চুপাৰি প্ৰচেচিং ইউনিট খোলে চৰকাৰৰ ফালৰ পৰা ৰেজিষ্ট্ৰেচন বা অন্যান্য চাপোৰ্ট পাব আৰু নিডচ্ যিখন নেশ্যনেল পলিচি আৰু ষ্টেট পলিচিৰ পৰা তেওঁলোকে বেনিফিট পাব। কিন্তু এতিয়ালৈকে তেওঁলোক কোনো আগবাঢ়ি অহা নাই কাৰণ এই চুপাৰি খিনি লৈ এটা উদ্যোগ হ'ব নোৱাৰে, বিভিন্ন ঠাইৰ পৰা চুপাৰি লাগিব। উদাহৰণ স্বৰূপে ৰজনীগন্ধা বনাই ধৰমপাল-সত্যপাল গ্ৰুপে। তেওঁলোকে অকল হাউলীৰ চুপাৰিৰ ওপৰত ভিত্তি কৰি মেগা উদ্যোগ কৰা নাই। গতিকে এম এচ এম ই চেক্টৰত হাউলীৰ যিখিনি চুপাৰি সেইখিনি যদি লগাব বিচাৰে সেই এম এচ এম ই ইউনিটৰ কাৰণে আমি চৰকাৰৰ ফালৰ পৰা সহায় কৰিম আৰু সেই প্ৰচেষ্টাটো আমাৰ আছে। তৃতীয়তে, কাঁহ শিল্পৰ কাৰণে বৰপেটা জিলাৰ ডি চি ক মই ১০০ বিঘা চৰকাৰী মাটি দিবৰ কাৰণে কৈছিলো য'ত এখন উদ্যোগিক পাৰ্ক খোলা হ'ব। মুৰাদাবাদৰ পৰা যি শৰাই আহে তেনেকুৱা ধৰণৰ ভাল ফিনিচিঙৰ যদি আমি উদ্যোগ কৰিব পাৰো তেতিয়াহ'লে ভাল হ'ব কিন্তু যোৱা ৫ বছৰে চেষ্টা কৰি কৰি মই তাত মাটি নাপালো। গতিকে আপোনালোকে যদি মাটিৰ ব্যৱস্থা কৰি দিয়ে তেতিয়াহ'লে কাঁহ-পিতলৰ উদ্যোগটো আমি চাব পাৰিম। মাজতে কাঁহ-পিতলৰ উদ্যোগৰ কাৰণে বেংকৰ পৰা লোণ লৈ পইচা ঘূৰাই দিয়া নাছিল। গতিকে তেওঁলোকক এন পি এ ৰ পৰা মুক্ত কৰাৰ কাৰণে উদ্যোগ বিভাগে বেংকক পইচা দি দিছো। তেওঁলোকক ইনচেনটিভ দিয়াৰ কাৰণে লগতে আমি আৰু ১ কোটি টকা দিছিলো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে হাউলীত কেৱল লোকেল চুপাৰিয়ে নহয় অসমৰ বিভিন্ন ঠাই, বৰাক ভেলী, ম্যানমাৰৰ পৰা চুপাৰি আহি তাত জমা হয়। তাৰ পৰাহে ৰাজস্থান আদি ৰাজ্য সমূহলৈ যায়। গতিকে আমি যদি অলপ চেষ্টা কৰো হাউলীত চুপাৰিৰ পৰা উৎপাদিত সামগ্ৰীৰ ডাঙৰ উদ্যোগ গঢ়ি তুলিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে চুপাৰিৰ কাৰণে চৰকাৰী ভাৱে তাত উদ্যোগ স্থাপন নকৰে। কোনো বা যদি উদ্যোগপতিয়ে তাত উদ্যোগ স্থাপন কৰিব বিচাৰে তেতিয়াহ'লে চুপাৰি প্ৰচেচিং উদ্যোগৰ কাৰণে উদ্যোগ বিভাগৰ পৰা যি সহায় লাগে আমি আপোনালোকক সহায়-সহযোগিতা আগবঢ়াব পাৰিম বুলি মই আশ্বস্ত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দিগন্ত বৰ্মণ।

**শ্ৰী দিগন্ত বৰ্মণ (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চেঙা এৰিয়াত উদ্যোগিক পাৰ্ক কৰিম বুলি কৈছে গতিকে মই মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আমাৰ বৰভাগৰ উলাবৰীত ১-১-১৯৯৬ চনত মাননীয় ভূতপূৰ্ব ৰাষ্ট্ৰপতি প্ৰণৱ মুৰ্খাজী ডাঙৰীয়াই ৰচী বনোৱাৰ এটা উদ্যোগ স্থাপনৰ কাৰণে কমিচন কৰিছিল। কিন্তু দুবছৰ মান চলি এইটো নচলিল। এতিয়া সেই প্ৰায় ৬-৭০ বিঘা মান মাটি এনেই পৰি আছে। ৰাস্তা-ঘাটো আছে। মই মাননীয় উদ্যোগ মন্ত্ৰীক অনুৰোধ কৰিছো আৰু মই তেখেতলৈ চিঠিও লিখিছো যে এইটো উদ্যোগিক পাৰ্ক হিচাবে ঘোষণা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দিগন্ত বৰ্মণ ডাঙৰীয়াই যিটো কথা কৈছে, সেইটো মই অবগত। এইটোৰ নিশ্চয় কিবা এটা প্ৰচেচ কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই বৰপেটা জিলাৰ অন্তৰ্গত সৰুক্ষেত্ৰী সমষ্টিৰ কাহ-শিল্প আৰু ঢাৰি-শিল্প সম্পৰ্কে কথাখিনি প্ৰথম প্ৰশ্নকৰ্তাৰ উত্তৰত কৈ গৈছে। কাৰণ এইকাৰণে কৈছে, যোৱা ৫ টা বছৰে এইবিলাকক লৈ বহুত আলোচনা কৰিলে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি চিধাকৈ কওক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** কিন্তু চিধাটো হোৱা নাই এতিয়ালৈকে, যোৱা ৫ টা বছৰে মন্ত্ৰী ডাঙৰীয়াই মোক প্ৰতিশ্ৰুতিও দিছিল, কাহ শিল্পৰ কথা কৈছে, মাটিৰ কথা কৈছে, সেইটো মই একমত, ময়ো লাগিছিলো ডি চি ৰ লগত, এতিয়ালৈকে দিয়া নাই। কিন্তু চৰকাৰে যদি অলপ ইচ্ছা শক্তিটো বেছি বঢ়াই, নিশ্চিত ভাৱে মাটি ওলাব। দ্বিতীয়তে, ঢাৰি শিল্পৰ কথা কৈছে যোৱা বিধান সভাত, মানে এইটো কাৰ্য্যকালৰ প্ৰথম সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ কাৰ্য্যকালত মন্ত্ৰী ডাঙৰীয়াই ঢাৰি শিল্প নিজে পৰ্য্যাবেক্ষণ কৰাৰ কাৰণে কঞ্জাকুচিলৈ যোৱাৰ কথা কৈছিল। ময়ো প্ৰতিশ্ৰুতি দিছিলো আপুনি গ'লে লোকেল মাছ-মঙহ, শাক-পাচলিৰে ভালকৈ এখাজ খোৱাম আৰু ঢাৰি শিল্প উদ্যোগটো আদায় কৰি ৰাখিম। আজিলৈকে ঠগাই থাকিল, নগ'ল। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই জানিব বিচাৰিছোঁ যে এই কাহ শিল্পৰ কাৰণে মাটি দিছে নে দিয়া নাই? কিয় দিয়া নাই? চৰকাৰে আৰু কিবা কৰনীয় তাত দায়িত্ব আছে নে নাই? আৰু ঢাৰি শিল্পৰ কথাটো যোৱা ৫ বছৰে কৈয়ে থাকিল, কৈয়ে থাকিল। আপোনৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াই এটা সময়, তাৰিখ, বাৰ দিলে ভাল পাম, কেতিয়া যাব? আৰু কেতিয়ালৈ কৰিব? সেই কথা জানিব বিচাৰিছোঁ। তেখেতৰ সমষ্টি মোৰ লগৰে সমষ্টি, অলপমান মৰমটো কমকৈ কৰে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী) ঃ** নাই নাই, অধ্যক্ষ ডাঙৰীয়া, মৰম ঠিকে কৰো আৰু এটা কথা আছে যে এই ঢাৰিৰ কথাটোৰ কাৰণে মই জিলা উদ্যোগৰ বিষয়া আৰু আমাৰ ইয়াৰ পৰা যুটীয়া সঞ্চালকক পঠিয়াইছিলোঁ। গতিকে ঢাৰি তাত প্ৰচুৰ পৰিমাণে প্ৰস্তুত কৰে। কিন্তু এতিয়া তেওঁলোকক আমি এটা আন্তৰাষ্ট্ৰীয় সংগঠনৰ লগত যোগাযোগ কৰি দিছো। গতিকে তেওঁলোকে এতিয়া ঢাৰিবোৰ পুণেলৈকে লৈ যাব আৰু সেইটো গোটেই পৃথিৱীত এক্সপোৰ্ট কৰিব। কিন্তু এতিয়া তেওঁলোকে প্ৰতিমাহে ১ লাখ বৰ্গফুট বিচাৰিছে। গতিকে আমাৰ কঞ্জাকুচিৰ আগত এখন চ'চাইতি কৰি দিছো উদ্যোগ বিভাগৰ ফালৰ পৰা, সেই চ'চাইতি খনক কলো যে ১ লাখ কৰিব পাৰিব নে নাই, তেতিয়া তেওঁলোকে কৈছে যে ১ লাখতকৈ আমাৰ কম হ'ব। গতিকে আমি কৈছো যে ১ লাখতকৈ যদি কম হয় তেতিয়া হলে অন্যান্ন ঠাইত আমাৰ যি ঢাৰি হয়, তেওঁলোকক চ'চাইতি খবৰ কৰিছো আৰু আমি উদ্যোগ বিভাগৰ ফালৰ পৰা সহাযোগ কৰি দিম। আমি লগতে কৈয়ো দিছো যে যিটো কোম্পানীয়ে কিনিব পইচাটো ৬০ শতাংশ আগটীয়াকৈ দিব লাগিব কঞ্জাকুচিৰ মানুহক। তাৰপিছতহে চাপলাইটো দিয়া হ'ব। গতিকে সেইটো এটা ভাল খবৰ আমাৰ কাৰণে আছে। এতিয়া আগন্তুক দিনত দেখা যাওঁক কি কৰা হয়।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** চাৰ, যিটো চ'চাইতিৰ কথা কৈছে, মই আশা কৰো মোক লগত ল'ব।

**মাননীয় অধ্যক্ষ ঃ** নাই আৰু নালাগে। প্ৰশ্ন নং ৬৩।

**শ্ৰীঅখিল গগৈ ঃ** অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ কথা আছিল। ম্যানমাৰৰ পৰা চুপাৰী আহে, ম্যানমাৰৰ পৰা চুপাৰী অহা কথাটো গুৰুত্বপূৰ্ণ কথা।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই বহক। প্ৰশ্নকালীন ঘন্টাত এইবোৰ নচলে। আপুনি বহক। তেনেকৈ নকয়। যোনে যি মন যাই তাকে কৈ থাকিলে মই কালিৰ পৰাই কৈ আছো, এনেকুৱা কঠিন ব্যৱস্থা ল'ব লগা হয় হাউচৰ পৰা বাহিৰ কৰা, মোক কিন্তু পিছত বেয়া পাব নালাগে। হাউচত যি ২০ টা প্ৰশ্ন দিছে, মই ভাৰো এই গোটেইখিনি গুৰুত্বপূৰ্ণ। প্ৰত্যেকজন প্ৰশ্নকৰ্তা মানুহৰ নিজৰ নিজৰ সমষ্টিক প্ৰতিনিধিত্ব কৰিছে, তেওঁলোকে ইয়াত সুবিধা পাব লাগে। আনৰ প্ৰশ্নবোৰত অনাহকতে কথা যদি কৈ থাকে হাউচখন কেনেকৈ চলিব। গতিকে আমি ৰুলয়ে এটা কৰিব লাগিব অকল প্ৰশ্নকৰ্তাইহে উত্তৰ পাব, মানে চাপ্লিমেন্টৰী নাপাব। এনেকুৱা ধৰণৰ চিচ্টেম কৰিব লাগিব আৰু যদি আলোচনাই হয় No question hour, আমি বিভাগে প্ৰতি এক মাহ এটা এটা বিভাগ দুদিন দুদিন আলোচনা কৰিব লাগিব। গতিকে চাওঁক মই বাৰে বাৰে কৈ আছো সকলোৰে ভালদৰে কব লাগে, ব্যৱহাৰ অনুযায়ী কব লাগে, অসমীয়া ভাষা খুব সুন্দৰ, তাতনো বেয়া বেয়া ধৰণৰ আক্ৰমনাত্মক টাইপত কৈ ভাষাটো গালি দিয়া ভাষাত কিয় ব্যৱহাৰিত কৰিব খুজিছে? ভালকৈ কথা পাতক সবে। প্ৰশ্ন নং ৬৩।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মই উত্তৰটোত সম্পূৰ্ণ আশ্বস্থ হোৱা নাই। যিহেতু আমাৰ ইয়াত কোৱা হৈছে চেক্‌চন 'বি' ত যে কোনো নতুন পলিটেকনিক খোলা নহ'ব, কিন্তু এক নম্বৰত কোৱা হৈছে যে প্ৰতিখন জিলাতে পলিটেকনিক কৰা হৈছে। দেখিছো ১৬ খন জিলাত পলিটেকনিক কৰা হৈছে, অসমৰ ৩৩ জিলাৰ। সেই গতিকে Most of the Districts are already covered বুলি কলেও দৰং জিলাত ২০১৩ চনতে এখন পলিটেকনিকৰ আধাৰশিলা হৈছিল, সেই খনৰ কাম এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই। সেইখন সোনকালে কৰিলে ভাল পাম। মই একেবাৰে কৈ দিছো আৰু Will the Government set up new Fishery College and Veterinary Colleges in various areas of Assam. মহোদয়, এইটো চৰকাৰে কৈছে যে এনেকুৱা কোনো পৰিকল্পনা নাই। কিন্তু বিবেচনা কৰিলে ভাল পাম। যিহেতু যোৱা বহু বছৰ ধৰি বিশ্ব বেংকৰ পইচা লৈ ঘৰে ঘৰে ফিচাৰী, ঘৰে ঘৰে মাছ অথবা স্ব নিয়োজনৰ বাবে পশুপালন বা গাহৰী পালন এইবিলাকৰ কাৰণে চৰকাৰে অনুদান আগবঢ়াই আছে। সেইবিলাক যাতে সফল হ'ব পাৰে, তাৰ বিজ্ঞানসন্মত প্ৰশিক্ষণৰ বাবে যদি প্ৰতি জিলাতে এখন এখন কলেজ হয়, তেতিয়া হলে নিবনুৱা সমস্যা সমধানত সুবিধা হ'ব। ইয়াৰ লগতে মই মোৰ শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাটো কোনো ইঞ্জিনিয়াৰিং কলেজ বা চৰকাৰী বিদ্যালয় এখনৰ বাবে বিবেচনা কৰিবলৈ অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ড° ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সন্তুষ্ট হোৱা নাই বুলি কৈছে যে, তেখেতৰ প্ৰশ্নৰ উত্তৰটো নিগেটিভ যে, নতুন পলিটেকনিক কলেজ প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা চৰকাৰে নাই বুলি কৈছে। সম্ভৱ প্ৰশ্নটো তেখেতে বুজাতো ভুল হৈছে, প্ৰশ্ন সাপেক্ষে। প্ৰশ্নটো আছিল যে

মহকুমাত, চাবডিভিজনত নতুন পলিটেকনিক প্ৰতিষ্ঠা কৰা হ'ব নেকি? আমি কৈছো যে প্ৰতি চাবডিভিজনত, প্ৰতি মহকুমাত পলিটেকনিক প্ৰতিষ্ঠা কৰাৰ আমাৰ কোনো পৰিকল্পনা নাই। সেই কথাটোৰে কৈছো, জিলা হিচাপে আমি ইতিমধ্যে ২৬ খন পলিটেকনিক প্ৰতিষ্ঠা কৰা হ'ল। এই ২৬ খনৰ ভিতৰত ১৬ খনেই নতুন। ইয়াৰ উপৰঞ্চি আৰু ৮ খন পলিটেকনিক আমি নতুনকৈ প্ৰস্তাৱ কৰিছো। সেই ৮ খন পলিটেকনিকও নিশ্চিতভাৱে খুব সোনকালে কাৰ্য্যকৰী হ'ব আৰু কাৰ্য্যকৰী হোৱাৰ পিছত এই ২৬ খন আৰু তাৰ লগত ৮ খন, মুঠ ৩৪ খন পলিটেকনিক আমাৰ অসমত প্ৰতিষ্ঠা হব আৰু ৩৪ খন পলিটেকনিক হোৱাৰ পিছত সৰ্বমুঠ ৫৮৭৫ গৰাকী ছাত্ৰ-ছাত্ৰীক পলিটেকনিক শিক্ষাত দান কৰিব পাৰিম। ঠিক একেধৰণে তেওঁ যি ইঞ্জিনিয়াৰিং কলেজৰ কথা উল্লেখ কৰিছে, ইঞ্জিনিয়াৰিং কলেজৰ সংখ্যাও ৩ খনৰ পৰা আমি ৭ খনলৈ গ'লো। অৰ্থাৎ ৭ খন আমাৰ ফাংচনেল ইঞ্জিনিয়াৰিং কলেজ আছে, য'ত আমি ১৮১৫ গৰাকী ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি আছো। ইয়াৰোপৰি আৰু ৬ খন ইঞ্জিনিয়াৰিং কলেজ চৰকাৰে প্ৰস্তাৱ কৰিছে। শুৱালকুছি, বিহালী, বঙাইগাওঁ, ওডালগুৰি, নগাওঁ আৰু নলবাৰী। এই ৬ খন ইঞ্জিনিয়াৰিং কলেজ প্ৰতিষ্ঠা হোৱাৰ পিছত আমাৰ সৰ্বমুঠ চিত কেপাচিটি ২৮৯৫ লৈকে বৃদ্ধি পাব। ফিচাৰী কলেজৰ কথা তেখেতে উল্লেখ কৰিছে, কিন্তু মই তেখেতক মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে জনাও যে আমাৰ ফিচাৰী, ভেটেনাৰী, কৃষি এই গোটেইখিনি অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত হয় আৰু অসম কৃষি বিশ্ববিদ্যালয় খন কৃষি বিভাগৰ অধীনত আছে। সেইখন শিক্ষা বিভাগৰ অধীনত নাই। গতিকে ফিচাৰী কলেজ আমাৰ শিক্ষা বিভাগৰ পৰাহে কৈছো যে, আমাৰ কোনো পৰিকল্পনা নাই। মীন মহাবিদ্যালয় খোলাৰ কাৰণে বা ভেটেনাৰী কলেজ খোলাৰ কাৰণে কৃষি বিভাগে কি কৰিব, সেইটো কৃষি সংক্ৰান্তত তেখেত সকলে জনাব। ধন্যবাদ।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৰঙৰ খনৰ বিষয়ে উল্লেখ কৰিলে ভাল পাম, ২০১৩ চনত আধাৰশিলা স্থাপন কৰা যিখন।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিকেইখন প্ৰস্তাৱিত সেইকেইখন মই কৈ দিব বিচাৰিছোঁ, দৰঙ পলিটেকনিক মঙ্গলদৈ, গতিকে সেইখন প্ৰস্তাৱিত অৱস্থাত আছে, আধাৰশীলা স্থাপন কৰিছে, খুব সোনকালে নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'ব। তাৰোপৰি আছে আমাৰ ধুবুৰী, ডিমাহাচাও, কাৰ্বিআংলং, বৈঠালাংচু, নগাঁও পলিটেকনিক, হাজো পলিটেকনিক হাজোত, মাজুলী আৰু টিংখং পলিটেকনিক। এই ৮ খন নতুন প্ৰস্তাৱিত, আধাৰশীলা কৰবাত ক'ৰবাত স্থাপন হৈছে, নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশান্ত ফুকন।

**শ্ৰীপ্ৰশান্ত ফুকন (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা এটা উত্তৰ বিচাৰিছো। আমাৰ ডিব্ৰুগড়ৰ যিখন পলিটেকনিকেল কলেজ সেই আজি **৫০** বছৰতকৈ বেছি হ'ল। ডিব্ৰুগড়, যোৰহাটৰ The Prince of Wales, নগাওঁ, গুৱাহাটী এইকেইখন অতি জৰাজীৰ্ণ অৱস্থা। মই সদনত মন্ত্ৰী মহোদয়ৰ পৰা এটা উত্তৰ বিচাৰিছো যে অতি সোনকালে এই কেইখনৰ মেৰামতিৰ বা নতুন বনোৱাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা হাতত ল'ব নেকি?

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিশ্চিতভাৱে কেৱল ডিব্ৰুগড় পলিটেকনিক কলেজ নহয়, আমাৰ পুৰণা যিমান কেইখন পলিটেকনিক কলেজ আছে, সেই পলিটেকনিক কলেজ কেইখনৰ আন্তঃগাঁথনি বহুত পুৰনি হৈছে আৰু boundary wall বহুত

ক্ষেত্ৰত প্ৰয়োজন হৈছে। তাৰ কাৰণে যথেষ্ট পুঁজিৰ প্ৰয়োজন। মই বিত্তমন্ত্ৰীক ইতিমধ্যে অনুৰোধ জনাছো যে আমাৰ পুৰণা পলিটেকনিক কলেজ কেইখনৰ আন্তঃগাঁথনি উন্নত কৰাৰ কাৰণে, পুঁজি আৱন্টন দিয়াৰ কাৰণে। গতিকে আগন্তুক দিন পুঁজি সাপেক্ষে এই পলিটেকনিক কেইখনৰ মান উন্নত কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মাননীয় সদস্য সুশান্ত বৰগোঁহাই।

**শ্ৰীসুশান্ত বৰগোঁহাই (থাওঁৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অতি সৌভাগ্যৱান আছিলো যোৱা বাৰ বিধায়ক থাকোতে। শিৱসাগৰ পলিটেকনিক কলেজখন মোৰ থাওঁৰা সমষ্টিতে আছিল। ইতিমধ্যে পাঠদানো হ'ল আৰু তাৰ পৰা ছাত্ৰ-ছাত্ৰী ওলালেও। এতিয়া কথাটো হ'ল যে পলিটেকনিক কলেজখনত যিসকল কৰ্মৰত কৰ্মচাৰী আছে, সেই সকলক প্ৰথম পৰ্য্যায়ত ঠিকাভিত্তিত এটা প্ৰতিষ্ঠানে চলাইছিলে। সেই কাৰণে আৰম্ভনিতে পলিটেকনিক কলেজখন চলিছিলে। কিন্তু তেওঁলোকৰ প্ৰায় চাৰি পাঁচ মাহ দৰমহা বন্ধ। চৰকাৰে তেখেতসকলৰ দৰমহা নিয়মিত বা চাকৰী নিয়মীয়াকৰণৰ ক্ষেত্ৰত কিবা ব্যৱস্থা হাতত লৈছে নেকি? আৰু যদি লোৱা নাই অতি সোনকালে লৈ এই যিখিনি কাৰ্য্যক্ষম হোৱা পলিটেকনিক কলেজখনৰ যিসকল কৰ্মচাৰী, সেই কৰ্মচাৰী সকলক ভৱিষ্যতৰ কাৰণে আৰু পলিটেকনিক কলেজ বিলাক জীয়াই ৰাখিৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ বিশ্বজুৰি এতিয়া Human Resource Recruit কৰাৰ ক্ষেত্ৰত out source তো এটা প্ৰমানিত পদ্ধতি যে কোনো বিভাগে বা কোনো কোম্পানীয়ে পোনপতিয়াকৈ নিজে নিযুক্তি নিদি পেলাই এটা অন্য agency ৰ জৰিয়তে বিভিন্ন কৰ্মচাৰীৰ নিযুক্তি দিয়ে। একেধৰণে এই পলিটেনিক কলেজ সমূহতো এটা 3rd party ৰ জৰিয়তে non teaching staff পলিটেনিক কলেজ সমূহতো নিযুক্তি দিয়া হৈছিল, এতিয়াও কৰ্মৰত অৱস্থাত আছে। এই সম্পৰ্কে আমি বিভিন্ন কৰ্মচাৰী, তেওঁলোকৰ সংগঠন সমূহৰ পৰা, মাননীয় কিছু বিধায়কৰ পৰা কিছু আবেদন নিবেদন পাইছো বিষয়তো পুনৰ পৰীক্ষা কৰিবৰ কাৰণে। মই সদনত জনাব বিচাৰো যে এই out source কৰাৰ পদ্ধতিতো বা 3rd party ৰ জৰিয়তে non teaching staff পলিটেনিক সমূহত নিযুক্তি দিয়াৰ বিষয়তো বিবেচনাৰ অধীন হৈ আছে আৰু অতি সোনকালে ইয়াৰ ওপৰত এটা সিদ্ধান্ত গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)**ঃ মাননীয় অধ্যক্ষ মহোদয়ঃ পলিটেনিকৰ কলেজ সংখ্যাটো দেখি ভাল লাগিছে আৰু হওঁক। কিন্তু পলিটেনিক কলেজৰ পৰা যিসকলে শিক্ষা আহৰণ কৰি ওলাব, তেওঁলোকৰ কিমান scope আছে, ব্যক্তিগত ভাৱে নিয়োজিত হোৱাৰ কাৰণে আৰু ব্যক্তিগত খণ্ডত নিয়োজিতৰ কাৰণে। কিন্তু চৰকাৰী ভাৱে এই পলিটেনিকৰ ওলোৱা সকলৰ বাবে নিযুক্তিৰ বাবে কিবা scope আছে নেকি? লগতে মোৰ সমষ্টিতো এখন পলিটেনিক কলেজ আছে যিখন আজিৰ পৰা **৩৫** বছৰ আগতে হৈছিল ডেৰগাওঁত। সেই পলিটেনিক কলেজখনৰ বিল্ডিঙৰ অৱস্থা খুব বেয়া, মেৰামতিৰ প্ৰয়োজন হৈছে। মেৰামতিৰ ব্যৱস্থাতো যিহেতু অলপ আগতে কৈছে যে বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আৰু অলপ বেছিকৈ অনুৰোধ কৰি সেই বিলাক মেৰামতি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিযুক্তিৰ কাৰণে বিষয়টো Indus-

try & Commerce Department তে চাব, Labour & Employment Department আছে। আমাক Engineer, J.E. ৰ প্ৰয়োজন আছে, তাত সন্দেহ নাই। job market ত আমি অকল অসমখন চোৱাই নহয় গোটেই ভাৰতবৰ্ষক job market হিচাবে চাব লাগে। তাৰ কাৰণে faculty development আৰু ছাত্ৰখিনিৰো aptitude development কৰাৰ কাৰণে ব্যৱস্থা সকলোৰে মিলি গ্ৰহণ কৰিব লাগিব। পুনৰ আপোনাক প্ৰতিশ্ৰুতি দিছো আপোনাৰ সমষ্টিত যিখন **৩৫** বছৰ পুৰণি পলিটেকনিক কলেজ আছে। ইয়াৰ আন্তঃগাঁথনি বা renovation কৰাৰ কাৰণে বা নৱ-নিৰ্মাণৰ কাৰণে আমি বিত্ত বিভাগৰ পৰা পুঁজিৰ আৱন্টন বিচাৰিছো আৰু পুঁজি সাপেক্ষে আমি মেৰামতি বা পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া question no. 64. মাননীয় সদস্য ৰমা কান্ত দেউৰী।

**শ্ৰীৰণোজ পেগু (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীৰমা কান্ত দেউৰী (মৰিগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো বহুবাৰ বিধান সভাত আহিছে। কিন্তু আজি শিক্ষামন্ত্ৰীয়ে এটা স্পষ্টিকৰণ দিছে যে তিৱা ভাষাত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হ'ব আৰু **৩০** জন তিৱা শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰতি বিধান সভাত এই কথাতো কয়। এইবাৰ মই শিক্ষামন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে আহ্বান জনাইছো যে জাতি- জনগোষ্ঠিৰ হেৰাই যোৱা ভাষা সংস্কৃতি ৰক্ষা কৰাৰ কাৰণে আমাৰ সকলোৰে দায়িত্ব আছে। অতি পৰিতাপৰ এই বিষয় যে মোৰ সমষ্টিত ***এজাৰবাৰী*** হাইস্কুলত **১৯৯৫** চনত কোনো এজন মুছলমান ছাত্ৰ-ছাত্ৰী নাছিলে, তাত এজন আৰবী শিক্ষক নিযুক্তি দিছিলে। বৰ দুখৰ কথা আজি ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছতো তিৱা ভাষাৰ সংস্কৃতিৰ কাৰণে কোনেও ব্যৱস্থা নকৰিলে। কিমান জন মন্ত্ৰী আহিছে আৰু গ'ল, কিন্তু কোনেও তিৱা ভাষাৰ কাৰণে চিন্তা নকৰিলে। শেহতীয়াকৈ শিক্ষামন্ত্ৰীয়ে মোক আশ্বাস দিছে, এই আশ্বাসতো কিমান ফলপ্ৰসু হ'ব চিন্তনীয় বিষয়।

আৰু এটা প্ৰশ্ন আছে মাননীয় অধ্যক্ষ মহোদয় **২০১৯** চনৰ অসমত **১২** খন চৰকাৰী মহাবিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু মৰিগাওঁ জিলাত এখন স্থাপন কৰাৰ কথা উল্লেখ কৰিছিলে বিগত শিক্ষামন্ত্ৰীয়ে । ইতিমধ্যে শিক্ষামন্ত্ৰী মহোদয়ে মোক মাটি চাবলৈ দিছিলে। আজি মই এই প্ৰশ্ন উত্তৰত পালো লাহৰীঘাট সমষ্টিত এই চৰকাৰী মহাবিদ্যালয়ৰ অনুমোদন দিয়া হৈছে। কেতিয়া দিয়া হ'ল, মই নাজানিলো। লাহৰীঘাট এখন বানপীড়িত অঞ্চল, য'ত মাটি নাই, কেনেকৈ অনুমোদন দিলে য'ত মোক মাননীয় শিক্ষামন্ত্ৰীয়ে মাটি চাবলৈ দিছিলে। মোৰ সমষ্টিত গছৰগুৰিত মাটিৰ ব্যৱস্থা কৰিছিলো। আজি উত্তৰতো পালে যে লাহৰীঘাটত অনুমোদন দিয়া হৈছে। কেনেকৈ অনুমোদন দিলে মই মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় সদস্যগৰাকীক এইটো জনাব বিচাৰিছো যে **১৯৯৭** চনৰ যিখন চৰকাৰৰ লগত এক আলোচনা মৰ্মে তীৱা ভাষাৰ প্ৰাথমিক বিদ্যালয় প্ৰৱৰ্তন কৰাৰ কাৰণে সিদ্ধান্ত হৈছিল। তাত বহুখিনি অস্পষ্টতা আছিল। ইয়াত কোনো প্ৰাথমিক বা class-I, II প্ৰৰ্বতন কৰাৰ সিদ্ধান্ত লোৱা হোৱা নাছিল। সিদ্ধান্ততো আছিল যে পৰীক্ষামুলক ভাৱে তৃতীয় আৰু চতুৰ্থ শ্ৰেণী প্ৰৱৰ্তন কৰা হ'ব। exect ভাষাটোৰ status কি হ'ব, এই কথাতো স্পষ্ট হোৱা নাছিল। ইতিমধ্যে নতুন শিক্ষানীতি আহিছে। এই শিক্ষানীতিতো মাতৃ ভাষাৰ মাধ্যমত শিক্ষাদান কৰাৰ কথা কৈছে। তাৰ লগতে এইবাৰ আমাৰ

চৰকাৰখনে বিভিন্ন জাতি-জনগোষ্ঠী সমূহৰ ভাষা কৃষ্টি, সংস্কৃতি, ঐতিহ্য, পৰম্পৰা জনবিশ্বাস এই বিলাকক সন্মান কৰাৰ কাৰণে বহু কেইটা পদক্ষেপ গ্ৰহণ কৰিছে। গতিকে ইয়াত কোনো সন্দেহ থাকিব নালাগে,আমাৰ চৰকাৰখনৰ সদ ইচ্ছা আছে আৰু আমি ইয়াক খুৱ পদ্ধতিগতভাৱে কাৰ্য্যকাৰী কৰাৰ কাৰণে আগবাঢ়িছো। যোৱা কিছুদিন আগত অসমৰ বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভা সমূহ আৰু লগতে অসম সাহিত্য সভাৰ সহযোগত আমি এটা ভাষা নীতি গ্ৰহণ কৰিছো। ইয়াৰ বাবে কিছু অধিসূচনা জাৰি হৈছে। যিটো ভাষানীতিৰ অধীনত জনজাতীয় ভাষা যি সমূহ মাধ্যম নহয়, মাধ্যম নহ'লেও সেই ভাষাসমূহ যাতে বিদ্যালয় সমূহত শিক্ষা লাভ কৰিব পাৰে, তাৰ বাবে এটা নিৰ্দিষ্ট নীতি লোৱা হৈছে। যি সকল ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ে, তেওঁলোকৰ বাবে প্ৰথম ভাষা অসমীয়া, দ্বিতীয় ভাষা তেওঁলোকৰ বাবে ইংৰাজী আৰু তৃতীয় ভাষা পঢ়াৰ ক্ষেত্ৰত আগতে আছিল ১০০ নম্বৰ হিন্দীয়ে পঢ়িব, কিন্তু সেই ১০০ নম্বৰটো ভাগ কৰি ৫০ নম্বৰ হিন্দী আৰু তিৱা অধ্যুষিত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে ৫০ নম্বৰ তেওঁলোকে যাতে তিৱা ভাষা পঢ়িব পাৰে তাৰ ব্যৱস্থা এই ভাষানীতিটোৰ ভিতৰত কৰা হৈছে আৰু কোনোবাই যদি মিচিং ভাষা পঢ়িব বিচাৰে বা কোনোবাই যদি ৰাভা ভাষাত পঢ়িব বিচাৰে সেই ব্যৱস্থাটো কৰা হৈছে। ইয়াৰ লগতে আমাৰ বড়ো মাধ্যমৰ যি বোৰ স্কুল আছে, তাৰো কিছুমান প্ৰশ্ন উত্থাপন হয় যে তেওঁলোকে অসমীয়া নপঢ়িব নেকি ? যিহেতু অসমীয়া হৈছে আমাৰ ৰাজ্য ভাষা। কোনোবাই যদি ইচ্ছা কৰে জানিলে ভাল। বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে এই ব্যৱস্থাটো কৰা হৈছে। তেওঁলোকৰ কাৰণে প্ৰথম ভাষা বড়ো, দ্বিতীয় ভাষা ইংৰাজী, তৃতীয় ভাষা ৫০ নম্বৰত হিন্দী পৰীক্ষা আৰু ৫০ নম্বৰত অসমীয়া পৰীক্ষা। ঠিক তেনেকৈ অসমীয়া ভাষাৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে প্ৰথম ভাষা অসমীয়া, দ্বিতীয় ভাষা ইংৰাজী কিন্তু তেওঁ ধেমাজি জিলাৰ এজন ছাত্ৰ আৰু যাৰ মাতৃ ভাষা মিচিং নহয় তেওঁৰ মাতৃ ভাষা অসমীয়া। তেওঁ যদি মিচিং ভাষাটো পঢ়িব বিচাৰে,শিকিব বিচাৰে তেনেহ'লে এই ভাষা নীতিৰ অধীনত সেই ছাত্ৰ-ছাত্ৰী গৰাকীক মিচিং ভাষাৰ শিক্ষাদান কৰাৰো এটা ব্যৱস্থা এই ভাষা নীতিত কৰা হৈছে। এই ভাষা নীতিতো এতিয়া আমি প্ৰয়োগ কৰিব বিচাৰিছো আৰু তাৰ লগতে আৰু এটা ভাল সংবাদ আমাৰ মাননীয় সদস্য গৰাকীক আপোনাৰ জড়িয়তে মই জনাব বিছাৰিছো যে বহুত ঠাইত কথিত ভাষাটো, ঘৰত কোৱা ভাষাটো বেলেগ। এতিয়া আমাৰ শিক্ষা বিভাগৰ তৰফৰ পৰা প্ৰাথমিক খণ্ডতে আমি এই ঘৰত কোৱা ভাষাটোৰে পাঠ্য-পুথি প্ৰস্তুত কৰি Lower Primary ত সেই ভাষাৰ জড়িয়তে প্ৰাথমিক শিক্ষাদান কৰাৰ এটা নীতি গ্ৰহণ কৰিছো। সেই চাহ বাগান অঞ্চলত আমাৰ যিবোৰ ছাত্ৰ-ছাত্ৰী আছে তেওঁলোকে চাদ্ৰী ভাষাত তেওঁলোকৰে ঘৰত কথোপ-কথন কৰে। চাদ্ৰী ভাষাৰ শব্দবোৰ অসমীয়া ভাষাৰ পাঠ্যপুথিৰ শব্দৰ সৈতে একে নহ'ল। গতিকে ইয়াতে এটা gap থাকে, সেই Brazing material হিচাপে আমি চাদ্ৰী ভাষাৰ পাঠ্য-পুথি ইতিমধ্যে আমি প্ৰস্তুত কৰিছো, এক আঁচনিৰ জৰিয়তে আৰু তাত আমি প্ৰথম শ্ৰেনীৰ পৰা পঞ্চম শ্ৰেনী লৈকে আমি সেই চাউত্ৰী ভাষাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰাৰ লগে লগে অসমীয়া ভাষাটোত ও তেওঁলোকে যাতে প্ৰগতি লাভ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা হ'ব। যাতে তেওঁ Upper Primary লৈ promotion হ'লে যাতে অসমীয়া ভাষাত ভালদৰে শিক্ষা লাভ কৰিব পাৰে। বাগান অঞ্চলত এইটো কৰাৰ লগে লগে যি সমূহ গাওঁত তিৱা ভাষা ঘৰত কয়, সেই স্কুল বোৰত Brazing material হিচাবে আমি এই বছৰৰ পৰাই প্ৰাথমিক স্কুলত তিৱা ভাষাৰ পাঠ্য-পুঠি দান কৰিম বুলি মই আজিয়ে মাননীয় সদস্য গৰাকীক জনালো। ইয়াৰ উপৰিও যি সকলে তিৱা ভাষা, মিচিং ভাষা বা কাৰ্বি ভাষাক elective subject হিচাবে হাইস্কুল

পৰ্য্যায়ত ইয়াক এটা ভাষা হিচাপে পঢ়িব পাৰে তাৰ বাবে আমি ইতিঅধ্যে বিভিন্ন সাহিত্য সভা সমূহৰ লগত আলোচনা কৰিছো। তেওঁলোকে আমাক পাঠ্য-পুথি প্ৰস্তুত কৰি দিয়ক আমি lower primary ত ইয়াক Brazing ভাষা হিচাবে ব্যৱহাৰ কৰা উপৰিও ইয়াক এটা elective subject হিচাবে পঢ়াৰ সুবিধা বোৰ আমি হাইস্কুল পৰ্য্যায়ত কৰি দিব বিচাৰিছো। বেংগলী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীয়ে যদি ইচ্ছা কৰে যে মই, মোৰ অঞ্চলত বহুত বড়ো ভাষীৰ মানুহ আছে। সেয়েহে মই বড়ো ভাষাটো শিকিব বিচাৰো। তেনেহ'লে এই হাইস্কুল পৰ্য্যায়তে সেই বেংগলী মাধ্যমৰ ছাত্ৰ-ছাত্ৰী গৰাকীক বড়ো ভাষাৰ শিক্ষাৰ সুবিধাটো আমি দিব বিচাৰিছো বা যি সকলে তিৱা ভাষা শিকিব বিচাৰে তেতিয়া আমি তেওঁলোককো তিৱা ভাষা শিকাৰ সুবিধাটো কৰি দিম। এইখিনি আমি আগন্তুক বছৰটোত কাৰ্য্যকৰী কৰিম আৰু ই এটা ডাঙৰ পৰিৱৰ্তন আনিব। মাননীয় সদস্য গৰাকীয়ে যিখিনি প্ৰশ্ন কৰিছে, বিশেষকৈ বদলিকৰণ কৰা ব্যৱস্থাটোৰ ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে যোৱা বিধান সভাতে বদলিকৰণৰ ক্ষেত্ৰত এখন বিশেষ আইন গৃহীত হৈছিল। সেই আইনখনত কোৱা হৈছিল যে মানুহৰ দ্বাৰা Human Intervention ৰ দ্বাৰা manually শিক্ষক বদলিকৰণ কৰা প্ৰক্ৰিয়াটো সম্পূৰ্ণকৈ বন্ধ কৰা হৈছে আৰু এতিয়া সম্পূৰ্ণ online ব্যৱস্থাৰ জৰিয়তে এটা portal ৰ দ্বাৰা নিৰ্দিষ্ট চৰ্ত সাপেক্ষে শিক্ষক সকলৰ বদলিকৰণ বা তেওঁলোকৰ Nationalization, য'ত কম শিক্ষক আছে তাত শিক্ষক দিয়া আৰু আমাৰ যিবোৰ স্কুলত শিক্ষক নাই সেইবোৰ স্কুল নাইকিয়া কৰা, যিবোৰ স্কুলত এজন শিক্ষক আছে সেইবোৰ স্কুল নাইকিয়া কৰা এইবোৰ কাম কৰিবৰ বাবে আমাৰ এটা online portal হ'ব। Portal টো নিৰ্মাণ কৰাৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈছে, আৰু আমি সোনকালে portal টো মুকলি কৰি দিম। এই portal টো মুকলি হোৱাৰ লগে লগে যোগ্য বুলি বিবেচিত হোৱা সকলো লোকে আবেদন কৰিব পাৰিব। চৰকাৰে ইয়াক নীতিগত ভাৱে আইনৰ অধীনত তেওঁলোকে সিদ্ধান্ত গ্ৰহন কৰিব বা transfer বোৰ কাৰ্য্যকৰী কৰিব। মাননীয় সদস্য গৰাকীয়ে এখন মডেল ডিগ্ৰী কলেজ মৰিগাওঁ জিলাত allotment হোৱাৰ কথা কৈছে আৰু এই মডেল ডিগ্ৰী কলেজখন ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অভিযানৰ অধীনত । এই কলেজখন ইতিমধ্যে লাহৰিঘাটত প্ৰতিস্থা কৰিবৰ বাবে স্থান নিৰ্বাচিত হৈছে। এই ক্ষেত্ৰত জিলা উপায়ুক্তৰ পৰা ৰিপোৰ্ট আৰু লেণ্ড allotment পোৱাৰ লগে লগে এই কলেজখনৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব। এইখিনি কথা মই আপোনাৰ জৰিয়তে সদস্য গৰাকীক জনালো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি To the point কথাখিনি কৈ শেষ কৰক।

**শ্ৰী ৰমাকান্ত দেউৰী (মৰিগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰী মহাবিদ্যালয় খনৰ স্থান নিৰ্বাচন কৰাৰ ক্ষেত্ৰত মই কব বিচাৰিছো। ইতিমধ্যে মাটিৰ কোনো ব্যৱস্থা হোৱা নাই এই মহাবিদ্যালয় খনৰ নামত। গতিকে মাটিৰ কোনো ব্যৱস্থা নোহোৱৰাকৈ লাহৰিঘাটত এই চৰকাৰী মহাবিদ্যালয়খন কিদৰে স্থাপন কৰিব বিচাৰিছে। গতিকে এই চৰকাৰী মহাবিদ্যালয়খন মোৰ সমষ্টিত স্থাপন কৰিলে ভাল হয়।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তাত থকা তথ্য অনুসৰি আমি লাহৰীঘাটত মাটি পাইছো। এই মহাবিদ্যালয়খন ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অভিযানৰ অধীনত আৰু তেওঁলোকে ইতিমধ্যে এই মহাবিদ্যালয়খনৰ স্থাপনৰ স্থানটোত অনুমোদন জনাইছে আৰু কলেজখনতো অনুমোদন জনাইছে । মাননীয় সদস্য গৰাকীৰ কিবা থাকিলে মোক লিখিতভাৱে জনালে মই তেখেতৰ দাবী সমূহ পৰৱৰ্তী কালত বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া, জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই ট্ৰেন্সফাৰ সম্পৰ্কে যিটো প'ৰ্টেলৰ কথা কৈছে বা যি প্ৰক্ৰিয়াৰ কথা কৈছে, তাৰ প্ৰতি পূৰ্ণ সমৰ্থন আছে। আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম, ইয়াৰ আগতেও বিধান সভাত বহুতবাৰ আলোচনা হৈছিল যে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে শিক্ষক-শিক্ষয়িত্ৰীৰ যিটো নিযুক্তি প্ৰক্ৰিয়া বা যিখিনি শিক্ষক-শিক্ষয়িত্ৰী থাকিব লাগে এই কথাটো আগতেও বহুবাৰ বিধান সভাত প্ৰতিশ্ৰুতি দিয়া হৈছিল, যে চৰকাৰে সেই ব্যৱস্থা ল'ব। কিন্তু এতিয়াও অসমত বহুত এনেকুৱা শিক্ষানুষ্ঠান আছে য'ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক-শিক্ষয়িত্ৰী নাই। এই প্ৰক্ৰিয়াটো কেতিয়া কাৰ্য্যকৰী কৰিব ? সেই বিষয়টো বিধান সভাত অৱগত কৰিব লাগে।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এই বদলিকৰণৰ লগত আৰু এটা কথা জড়িত হৈ আছে, সেইটো হ'ল আমাৰ শিক্ষানুষ্ঠানসমূহৰ Merger আৰু Amalgamation ২০১৬ চনতে শিক্ষাক্ষেত্ৰ নামৰ এখন আঁচনি আৰম্ভ কৰি সেই শিক্ষা ক্ষেত্ৰত এই আঁচনিৰ অধীনত একেটা কেম্পাচতে LP, ME, High School য'ত আছিল সেই সমূহ Amalgamation কৰা হ'ল। কিন্তু এই Amalgamation ৰ প্ৰক্ৰিয়াটোৰ পিছত এতিয়াও দেখা গৈছে যে বহু ঠাইত আমাৰ প্ৰয়োজনতকৈ অধিক বিদ্যালয় আছে। একেখন গাঁৱতে দুখন এল পি স্কুল আছে। ওচৰা-ওচৰিকৈ এল পি আৰু এম ই স্কুল আছে। এল পি স্কুলখনত মাত্ৰ ১ জন শিক্ষক আছে কিন্তু এম ই স্কুলখনত ৫ জন শিক্ষক আছে। এতিয়া এই এল পি আৰু এম ই স্কুল দুয়োখন Amalgamate কৰাৰ জড়িয়তে আমাৰ শিক্ষক সকলৰ human resources আছে, শিক্ষক সকলৰ optimization কৰিব পাৰো। এম ই স্কুলৰ শিক্ষক ৫ জন আছে, এল পি ত ১ জন আছে দুয়োখন স্কুল একত্ৰিকৰণ কৰাৰ লগে লগে সেই বিদ্যালয়খনত আমি ৬ জন শিক্ষক পাম, আৰু ৬ জন শিক্ষকৰে আমি ধুনীয়াকৈ শিক্ষকৰ সমস্যাটো সমাধান কৰিব পাৰিম। এতিয়া এই শিক্ষাক্ষেত্ৰ আঁচনিখন মই সকলো মাননীয় বিধায়কক আপোনাৰ জড়িয়তে দিম আৰু তেওঁলোকৰ পৰাওঁ মই সহযোগিতা আশা কৰিম, যে Merger আৰু Amalgamation এই প্ৰক্ৰিয়াটো হ'ব আৰু এই প্ৰক্ৰিয়াটো হোৱাৰ লগে লগে আমি যিটো বদলিকৰণ আৰু ইয়াৰ লগতে শিক্ষকৰ পদবীৰ rationalization য'ত কম শিক্ষক আছে, ছাত্ৰ-ছাত্ৰী বেছি আছে, তাত আমি অন্য শিক্ষকক বদলি কৰি আনিব লাগিব। খুব কম সময়ৰ ভিতৰত আমি এই গোটেই প্ৰক্ৰিয়াটো আৰম্ভ কৰিম। আমি প'ৰ্টেলটোৰ অবিহনে আমি এতিয়া মেনুৱেলি বদলিকৰণ কৰিব নোৱাৰো কাকো। গতিকে এই প'ৰ্টেলটোৰ আৰম্ভণি সোনকালে কৰিম আৰু আৰম্ভনি কৰাৰ লগে লগে এই গোটেই বিষয়খিনি সমাধান কৰিববৈলে সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে rationalization ৰ কথা কৈছে, হয় এইটোৰ প্ৰয়োজন আছে, কিয়নো কিছুমান স্কুলত শিক্ষক নাই, ছাত্ৰ বেছি আৰু কিছুমানত ছাত্ৰ কম, শিক্ষক বেছি। কিন্তু মাননীয় অধ্যক্ষ মহোদয় আমাৰ মাজত যিটো গেপ হৈ গ'ল মই এই খিনি সময়ত বহুবাৰ কৈছো যে শিক্ষক নাই আৰু মাননীয় আন আন বিধায়কেও কৈছে। এখন এম ই স্কুলত এজন শিক্ষক, এই স্কুলত কোন অভিভাৱকে কেনেকে ছাত্ৰ-ছাত্ৰীক পঠিয়াব। সেয়েহে অৱশেষত ছাত্ৰ-ছাত্ৰীসকল ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ গুছি গৈছে। এতিয়া সেই স্কুলখনত ছাত্ৰ-ছাত্ৰী নাই বুলি যদি আমি বন্ধ কৰি দিওঁ, সেই অঞ্চলটোৰ কাৰণে বহু ক্ষতি হ'ব। ছাত্ৰ-ছাত্ৰী এই কাৰণেই নাছিল যে তাত শিক্ষক নাছিল। সেয়েহে আমি যেতিয়া merge

কৰিম বা এবলিজ কৰিম, তেতিয়া এই বিষয়বোৰ যাতে লক্ষ্য কৰা হয়। লগতে মন্ত্ৰী মহোদয়ে আমাৰ বিভিন্ন জন গোষ্ঠীয় ভাষাৰ কথা কৈছে। এইটো খুব ভাল পদক্ষেপ ইয়াৰ লগতে মই তেখেত সকলক মনত পেলাই দিব খুজিছো যে আমাৰ গোৱালপৰীয়া ভাষা আছে, ধুবুৰীৰ ভাষা আছে, আমাৰ বৰপেটীয়া জনজাতীয় থলুৱা ভাষা আছে, এই বিলাকৰ প্ৰতি নজৰ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি মন্ত্ৰীক জনাই দিব, নিশ্চয় বিবেচনা কৰিব।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যিকোনো Home language বা dialect, ভাষা, উপ ভাষা, দোৱান যিয়ে নহওঁক প্ৰাথমিক পৰ্য্যায়ত আমি চৰকাৰে যত্ন ল'ম, যাতে তেখেতৰ সেই ঘৰৰ কথিত ভাষাটো আমি বিদ্যালয়লৈ আনি তেখেতক জ্ঞান আহৰণত প্ৰাথমিক যিটো Foundational literacy বুলি কওঁ সেই Foundational literacy টোক স্থাপিত কৰাৰ কাৰণে কাম কৰিম। বাকী যিটো প্ৰশ্ন তেখেতে কৰিছে, অন্যান্য স্কুলৰ ক্ষেত্ৰত, Merger আৰু Amalgamation ৰ ক্ষেত্ৰত আমি আৰু এটা কথা চাম যে আমাৰ শিক্ষাৰ অধিকাৰ আইনত যিটো principle দিয়া হৈছে যে ১ কিঃ মিঃ ব্যাসাৰ্দ্ধৰ ভিতৰত ১খন প্ৰাথমিক বিদ্যালয়, নিম্ন প্ৰাথমিক বিদ্যালয় ৩ কিঃ মিঃ ব্যাসাৰ্দ্ধৰ ভিতৰত ১খন উচ্চ প্ৰাথমিক বিদ্যালয় আৰু ৫ কিঃ মিঃ ব্যাসাৰ্দ্ধৰ ভিতৰত ১খন হাই স্কুল। সেই নীতিটো আমি চাম, এতেকে কোনোবা স্কুল কিবা কাৰণত বন্ধ হৈছে, কিন্তু সেই অঞ্চলটোত প্ৰয়োজনীয়তা আছে, বা ছাত্ৰ-ছাত্ৰী নাইকীয়া হৈ গৈছে কিন্তু সেই আমাৰ ১ কিঃ মিঃ ৰেডিয়াছ ৩ কিঃ মিঃ ৰেডিয়াছ এই ফৰমুলাৰ ভিতৰত যেতিয়া পৰি যাব কোনো অঞ্চল বঞ্চিত নহয়।

**মাননীয় অধ্যক্ষ ঃ-** প্ৰশ্ন নং ৬৫।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, উদ্যোগ আৰু বাণিজ্য, পৰিবহণ ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী নজৰুল হক (ধুবুৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰী জন বিকাশ ক্ৰিয়াক্ৰম আঁচনিৰ অধীনত ধুবুৰী জিলা কমিটিয়ে মঞ্জুৰী দিয়া স্বত্তেও আঁচনিখন পোৱা নাই, তাৰ কাৰণে মই উত্তৰ বিছাৰিছিলো। যি উত্তৰ দিছে এইটো satisfactory answer নহয় । গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো, যে ধুবুৰী বিধানসভা সমষ্টিত তেতিয়া এম এচ ডি পি আছিল, এতিয়া প্ৰধান মন্ত্ৰী জনবিকাশ ক্ৰিয়াকৰম বিকাশ আঁচনি কৰিছে। তাত আমি এ চি আৰ আৰু health Sector ত চাব চেন্টাৰ দিছিলো মই ধুবুৰী বিধান সভা সমষ্টিত চেংশ্যন কিয় নহ'ল, এইটো জানিব বিচাৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, উদ্যোগ আৰু বাণিজ্য, পৰিবহণ ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো উত্তৰ বিচাৰিছিল, উত্তৰটো আমি দিছো। উত্তৰটো হ'ল প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰমৰ মতে ২১ খন মডেল স্কুল দিয়া হৈছে, তাৰে ভিতৰত ধুবুৰী জিলাত ২খন আছে। এখন গোলোকগঞ্জ আৰু এখন বিলাসীপাৰাত, আৰু একোখন স্কুলত ৩০ কোটি ৪২ লাখ টকাকৈ অনুদান দিয়া আছে, ধুবুৰীয়ে ২খন পাইছে, সেয়ে আপুনি যদি ভাবে যে ধুবুৰী উন্নতি হোৱা নাই, সেইটো মই শুদ্ধ বুলি নাভাবো। চাবচেন্টাৰৰ যদি কিবা কৰিবলগীয়া আছে, যদি ক'ৰবাত স্কুলৰ এডিশ্যনেল ৰূম কৰিবলগীয়া আছে, বা ক'ৰবাত যদি টয়লেট কৰিবলগীয়া আছে ,এনেকুৱা কিবা আঁচনিৰ যদি কাম আছে তেনেহ'লে লিখিত ভাবে দিব, আমি কৰাই দিম।

**মাননীয় অধ্যক্ষ ঃ-** ২য় টো।

**শ্ৰী নজৰুল হক (ধুবুৰী) ঃ-** ধন্যবাদ,মাননীয় মন্ত্ৰী ডাঙৰীয়া, ধুবুৰী জিলাত দিছে আমি ভালে পাইছো, কিন্তু আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে বাকী সমষ্টিবোৰে কিয় পোৱা নাই। তাত ধুবুৰী, গৌৰীপুৰ , বিলাসীপাৰা পশ্চিম, মানকাছাৰ আৰু দক্ষিণ শালমাৰা সমষ্টিৰ টকাখিনি অকল গোলোকগঞ্জ সমষ্টি আৰু বিলাসীপাৰত দিয়া হ'ল। ইয়াৰ মাজৰ টকাখিনিৰ উপযুক্ত জবাব বিচাৰো অধ্যক্ষ মহোদয়ৰ জৰিয়তে, আৰু বাকী থকা টকাখিনি আমি বিভিন্ন সমষ্টিয়ে পাম নে নাপাম তাৰ কাৰণে এটা সু উত্তৰ বিছাৰো।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী মহোদয়,

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, উদ্যোগ আৰু বাণিজ্য, পৰিবহণ ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মানকাছাৰৰ স্কুলখনৰ সেই সময়ত মাটিৰ অসুবিধা হ'ল, সেই স্কুলখন কৰিব লাগে। তাৰ কাৰণে গোলোকগঞ্জলৈ আনিব লগা হ'ল, তাতে মাটি আছে। পইচা যিহেতু ৩০ কোটি ৪২ লাখ আছে, এখন স্কুলৰ কাৰণে। সেই পইচাটো ঘূৰি যোৱাতকৈ, তাতে মাটিৰ অসুবিধা হোৱাৰ কাৰণে ইয়াত আনিলে।

**শ্ৰী নজৰুল হক (ধুবুৰী) ঃ-** নহয় ছাৰ, ধুবুৰী আৰু গৌৰীপুৰ কি হ'ল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, উদ্যোগ আৰু বাণিজ্য, পৰিবহণ ইত্যাদি)ঃ-** ধুবুৰী আৰু গৌৰীপুৰ এইটো সমষ্টিগত কথা আমি ধৰিলে নহ'ব। ধুবুৰী জিলাখনত দুখন মডেল স্কুল দিয়া হৈছে গতিকে যিখিনি ইয়াৰ মাৰ্ক কৰা হৈছে, য'ত আমাৰ প্ৰয়োজনীয় আছে, ইয়াৰ পৰৱৰ্তী পৰ্য্যায়ত এই কথা বিলাক আমি বিবেচনা কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ-** Now Question Hour is over. Now Zero Hour.

**মাননীয় অধ্যক্ষ ঃ** দেৱব্ৰত শইকীয়া ডাঙৰীয়া

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘন্টাত আজি মোক এটা প্ৰসঙ্গ উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো। মহাশয়, যোৱা কেইদিনমান পূৰ্ব্বে 'অৰ্গেনাইজাৰ' নামৰ কাকতখনত এটা বাতৰি প্ৰকাশ পাইছে "Zero tolerance against Cow smugglers : Assam Chief Minister " য'ত কোৱা হৈছে কোট কৰি no FIR, no chargesheet in Cattle smuggling. There must be an end of to Cow smuggling from the State as soon as possible. লগতে তাত উল্লেখ কৰা হৈছে যে, Cow smuggling is a One Thousand Crore Rupees illegal trade running in Assam for several Years. Many International rackets are involved in this illegal trade. এই বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ। কাউ স্মাগলিঙৰ বিষয়ে যেনেকুৰা ধৰণৰ সজাগতা, পুলিচৰ সৰ্তকতা এই খিনিৰ বাবে আমি ৱেলকাম কৰিছো, আমিও ভাল পাইছো। যিহেতু ১৯৫১ চনতে অসমত "Assam Cattle preservation Act notify হৈছে কিন্তু এই ক্ষেত্ৰত বাধা দিবলৈ যাওঁতে যিখিনি Establish Law আছে সেই 'ল' ৰ কথাখিনিহে যদি মানি লোৱা নাযায়, তেতিয়াহ'লে আমি নিজেই সংবিধানৰ আইন অনুসৰি কাম কৰিম বুলি শপত লোৱাৰ পিছত সংবিধান আৰু আইন উলংঘা কৰা হ'ব। সেই গতিকে as per Law under the Indian Constitution in cognizable offences পুলিচৰ ওপৰত এটা ব্যৱস্থা ল'ব পাৰে। সেইক্ষেত্ৰত চুপ্ৰিম কোৰ্টৰ এটা ৰুলিং আছে ললিতা কুমাৰী জাজমেন্টত। য'ত কোৱা হৈছে যে, FIR is a must. এফ আই আৰ হ'বই লাগিব। যদি পুলিছে নিজে ঘটনা সন্দৰ্ভত জানে তেনেহ'লে তেখেতসকলে নিজে এফ আই আৰ

দিব লাগিব। তাৰ পিছত ক্ৰিমিনেল প্ৰচিডিওৰ আৰম্ভ হ'ব। যদি আইন উলংঘা হৈছে আদালত বা ন্যায়পালিকাই সেই ক্ষেত্ৰত ন্যায় প্ৰদান কৰিব পাৰে। যোৱা সময় ছোৱাত কোৱা হৈছে প্ৰায় ১২ জন লোকো পুলিছৰ গুলিত বা পুলিছ কাষ্টডিত মৃত্যু হৈছে। এই কথাটো যথেষ্ঠ গুৰুত্বপূৰ্ণ যিহেতু নেশ্যনেল হিউমেন ৰাইটছ কমিশ্যনে অসম চৰকাৰক কিবা এটা নিৰ্দ্দেশ দিছে বুলি আমি জানিব পাৰিছো। ইয়াৰ বাহিৰেও আমাৰ এন এইচ আই চিৰ গাইড লাইন আছিলে যে following guideline should be followed by conducting the Magisterial enquiry in case of custodial death or death in the course police action. অৰ্থাৎ পুলিছৰ লগত থকা অৱস্থাত কাৰোবাৰ যদি মৃত্যু হয় তেতিয়া হ'লে কি কৰিব লাগে। তাৰ প্ৰধান কথাটো আছে - Magisterial enquiry be conducted as the earliest without undue delay. এই সন্দৰ্ভত দুটা পৃষ্ঠাৰ নিৰ্দ্দেশনা আছে। তাৰ ওপৰিও ২০০৬ আৰু শেহতীয়াকৈ ২০২০ চনৰ চেপ্তেম্বৰত অৱসৰ লোৱা নেশ্যনেল হিউমেন ৰাইটছ কমিশ্যনৰ অধ্যক্ষই এটা ৰুলিং দি গৈছে। The enquiery in all Cases of custodial death including natural death or death due to any illness shall be conducted by a Judicial Magistrate তাৰ লগতে তেখেতসকলে কৈছে যে, it required some sort of incurring to bring it to proper persisting there was something missing in the judgement. পূৰ্ব্বৰ এটা তেখেতৰ জাজমেন্টকে তেওঁ সংশোধন কৰিছে। it required correction, in most of the cases cover up the store of adue the days are recorded as natural death or due to illness. মহোদয়, জাষ্টিছ ভেংকট চালিয়াৰ যিজন ভাৰতবৰ্ষৰ চীফ জাষ্টিছ আছিল তেখেতেও এটা কথা উল্লেখ কৰিছে- ২৯ মাৰ্চ ১৯৯৭ত সকলো ৰাজ্যকে চাৰ্কোলাৰ দিছে কেনেকৈ পুলিচ এক্তত কৰিব লাগে। death in encounter in the particular Case was justified and falling under any one of the two conditions. সেইটো হ'বলৈ হ'লে এটা এনকোৱাৰী লাগিবই। কিন্তু অসমৰ ক্ষেত্ৰত এনেকুৱা এনকোৱাৰীৰ কথা আমাক কোৱা নাই। বৰঞ্চ কোৱা হৈছে no compromise, no FIR - এই খিনি কথা । এই কথাবিলাক যথেষ্ট দুৰ্ভাগ্যজনক যিহেতু সংবিধান প্ৰণেতা আম্বেদকাৰ চাহাবে কৈছে - যদি সংবিধান উলংঘা হয় তেন্তে মই সংবিধান খন জ্বলাই দিবলৈ কুণ্ঠাবোধ নকৰো। আৰু এটা maxim আছে বোধ কৰো - Black Stone ত যে, এজনো নিৰ্দ্দোষী শাস্তি পাব নালাগে, লাগিলে ১০ জন দোষীয়ে শাস্তি পাওঁক। আমাৰ দেশৰ আইনো এই maximৰ ওপৰত প্ৰতিষ্ঠিত বুলি কোৰ্টৰ বিভিন্ন ৰুলিঙত অধিবক্তাসকলে উল্লেখ কৰে। সেই কাৰণে মই যিটো কথা কৈছিলো যে আমি নিশ্চয় আৰক্ষীক সমৰ্থন কৰিম কিন্তু আইনৰ ভিতৰত থাকি। এফ আই আৰ নহ'ব, চাৰ্জশ্বীট নহ'ব- এই কথাবিলাক কেতিয়াও এখন প্ৰতিষ্ঠিত গণতন্ত্ৰৰ দেশত মানি ল'ব নোৱাৰি। দুমাহৰ ভিতৰত ১২ জন মানুহৰ এনকাউন্টাৰ হৈছে। চল্লিছ দিনত ত্ৰিশটা এনকাউন্টাৰ হৈছে। যোৱাকালি এটা অভিযোগ উঠিছে হেণ্ডকাফ থকা অৱস্থাত এনকাউন্টাৰ হৈছে। গতিকে এই কথাবিলাকত আমি স্পষ্ট হ'ব লাগিব। চৰকাৰক আমি নিশ্চয় সমৰ্থন কৰিম, ক্ৰিমিনেলক কেতিয়াও সমৰ্থন নকৰো। সংবিধানত ক্ৰিমিনেলৰ শাস্তি আছে। শাস্তি পোৱাৰ পিছত যদি আইনৰ সুৰুঙা আছে তেন্তে আইনখন সংশোধন কৰিব লাগিব। কিন্তু আইনৰ কাঠগড়াত ননাকৈ মাৰি দিয়াটো কেতিয়াও যুক্তিসংগত হ'ব নোৱাৰে। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই স্মাৰ্ট পুলিচৰ কথা কৈছিল। নেশ্যনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰো দুটামান উদাহৰণ আছে। ২০১৮ চনত এক

লাখ ত্ৰিছ হাজাৰ মানুহক এৰেষ্ট কৰা হৈছিল। চাৰ্চশ্বিট দিয়া হৈছিল আঠৰন্ন হাজাৰ চাৰিশ চিয়ানবৈব জনক। ইয়াৰ ভিতৰত কনভিক্টেড হ'ল দুইহাজাৰ একশ আঠানবৈৰে জনক। দোষমুক্ত হ'ল সাতত্ৰিশ হাজাৰ একশ এঘাৰ জন। ইমানখিনি মানুহক পুলিছে বোধকৰো দোষী নোহোৱা সত্বেও দোষী বুলি এৰেষ্ট কৰিছে। সেই গতিকে আমাৰ তদন্ত ব্যৱস্থাটো শক্তিশালী হ'ব লাগিব। ঠিক তেনেকৈ ২০১৯ চনত এঘাৰ হাজাৰ দুশ চৌৰানবৈৰে জনক এৰেষ্ট কৰিছিল। তাৰে চাৰ্জশ্বিট হৈছিল ছয় হাজাৰ তিনিশ বাইশ জন। কনভিক্টেড হৈছিল একশ পয়ষষ্ঠি জন। ডিছচাৰ্জ হ'ল সাতশ সাতসত্তৰ জন আৰু দোষমুক্ত হ'ল এক হাজাৰ তিনিশ তেইশজন । সেই গতিকে, এনেকুৱা কথা বিলাক চৰকাৰীভাবে প্ৰকাশ পোৱাৰ পিছত আমি নিশ্চিতভাবে আইনৰ শাসনৰ ক্ষেত্ৰত আগবাঢ়িব লাগিব। মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা পুলিচৰ কনফাৰেন্সত কোৱা বুলি কৈছে, মই ভাবো যে এই কথাখিনি সংবিধান বিৰোধী। তেখেতে আইনৰ শাসন দিয়ক আমিও সমৰ্থন জনাম। হিউমেন ৰাইটছৰ যিটো নিৰ্দ্দেশনা সেইখিনি যেন অসমত পালন হয়। এই কথাখিনি কামনা কৰি আপোনাৰ যোগেদি চৰকাৰক এই গোটেই তথ্যখিনি দৃষ্টিগোচৰ কৰিলো। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মুখ্যমন্ত্ৰী ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ' অৰ্গেনাইজাৰ' বুলি বাতৰি কাকতখনত ৮ জুলাই ,২০২১ Zero tolerance against Cows smugglers, Assam CM : এই শীৰ্ষক বাতৰি এটা প্ৰকাশ হোৱা বুলি বিৰোধী দলপতি গৰাকীয়ে সদনত জনাইছে আৰু তাৰ ভিত্তিত তেখেতে শূন্যকালীন ঘন্টাত এই বিষয়টো মোৰ দৃষ্টি আকৰ্ষণ কৰিছে। অধ্যক্ষ মহোদয়, যিহেতু কাউ স্মাগলিঙৰ পৰা, হিউমেন ৰাইটছৰ ৰিপোৰ্টলৈকে গোটেই কথাখিনি লৈ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই দৃষ্টি আকৰ্ষণ কৰিলে গতিকে মই অকনমান সময় লৈ গোটেই কেইটা ইছ্যুৰ ওপৰত বহলাই ক'ম যাতে মানুহৰ মনত কনফিউজন নাথাকে।

প্ৰথম কথা ' জিৰো টোলাৰেন্স' অৰ্গেনাইজাৰ বাতৰি কাকতখনেই হওঁক বা আন বাতৰি কাকতেই হওঁক - অসমৰ মুখ্যমন্ত্ৰী হিচাপে মই with full sense of responsiblity মই ক'ব খুজিছো against Cow smugglings, against drugs smugglings, against human trafficking, against any crime, against women and children will be dealt heavyly firmly. ইয়াত কোনো বেলেগ কথা নাই। কোনোবা যদি অসমৰ মানুহ তেওঁৰ জাতি-ধৰ্ম যিয়েই নহওঁক কিয় .যদি মোৰ শিশুৰ ওপৰত অত্যাচাৰ কৰে মোৰ মা বাইদেউ ভণ্টিক যদি অসমৰ বাহিৰত গৈ বিক্ৰী কৰিব খোজে আৰু অসমত যদি গৰু ব্যৱসায় কৰিব খোজে আৰু অসমত যদি drugs trafficking কৰিব খোজে তেতিয়াহ'লে সেইসকল অপৰাধীয়ে বুজি পাব লাগিব যে There is a Government যাৰ confidence আছে, resolution আছে, মনত দৃঢ়তা আছে, and will retaliate than heavily without loocking at anything. However when I say heavily I know that চৰকাৰে আইন মানিব লাগিব, আইনৰ শাসন চলিব লাগিব। এতিয়া প্ৰশ্নটো হ'ল যে আইনে পুলিচক কি অধিকাৰ দিছে। এটা কথা আমি বুজিব লাগিব যে encounter শব্দটো যিধৰণে ব্যৱহাৰ কৰা হয় সাধাৰণ অৰ্থত বা আমি অসমতো এসময়ত encounter কথা দেখিছিলো। এই যিবিলাক event হৈছে, ইয়াৰ লগত কাৰো encounter ৰ কথাটো জৰিত হোৱা নাই। There was an encouner. যেতিয়া আমি ডিমাচা বা কাৰ্বি আলংত আমি ডিমাচা উগ্ৰপন্থী সংগঠন এটাৰ লগত আমাৰ encounter হৈছিল, কোকী উগ্ৰপন্থী সংগঠন এটাৰ লগত encounter হৈছিল heavy

arms ন টা ১০ টা Ak- 47 আমি ৰাইফল ৰিক'ভাৰ কৰিছো They were in arm fatigue completly they were on operation against the police. এতিয়া এই মূহুৰ্তত যেতিয়া আমি Human Rights Commissioner ৰ ৰিৰ্পট পঢ়িব যাঁও তেতিয়াহ'লে সেইকথাটো আমি কেনেকৈ মানিব পাৰিম। যেতিয়া কোনোবাই অসম পুলিচৰ ওপৰত আক্ৰমণ চলাব তেতিয়া চি আৰ পি চি আই পি চি ধাৰা আমি কাক বুজাম। এনেকুৰাটো হিন্দী চিনেমাত দেখাৰ দৰে যে নিয়ম নাই যে বগা পতাকা উৰুৱাই দিম. তেওঁলোক আলোচনাত আহিব। মহাভাৰতৰ দৰে আমি কথা পাতিম যে এইখিনি আপোনাকেও কৰিব লাগিব, এইখিনি আমিও কৰিব লাগিব। প্ৰথম কথা হ'ল যে পুলিচে নিজক প্ৰটেক্ট কৰিব লাগিব। পুলিচে প্ৰথম চাব লাগিব যে মোৰ যাতে মৃত্যু নহয়। I have to defend myself and I have to arrest the culprit. যেতিয়া culprit. এজনক arrest কৰিব যাব culprit. জনে যদি retaliatory firing ক ৰে তেতিয়াহ'লে আমি যিখন আইনৰ কথা কৈছো সেই আইনে পুলিচক অধিকাৰ দিছে যে পুলিছে arms সেই সময়ত ব্যৱহাৰ কৰিব পাৰে আৰু তেনেকুৰা incident যোৱা ১৫ বছৰ ২০০১ চনৰপৰা ২০১৪ চনলৈকে বহুতবোৰ এনেকুৰা incident হৈছে। গতিকে এই কথা বিলাক অনন্ত যিসকলে শাসন চলাইছিল তেওঁলোকে জানে। আৰু এই ঘটনা অসমত কোনো নতুন নহয়, ভাৰতত নতুন নহয়। পুলিচৰ ওপৰত যদি কোনোবাই এটেক্ট কৰে তাক আমি retaliation কৰিব লাগিব। দ্বিতীয়তে আৰু এবিধ ঘটনা আছে যে যোৱাকালিও মই কৈছো যে এজন আমি ৰেলৰ Inspector. He was a IPS Inspector পুলিচৰ Inspector আছিল। যি নহওঁক ঘটনা চক্ৰত পৰি He becomes a drugs 4.43king pin যেতয়া তেওঁক ডিমাপুৰৰ পৰা তিনিজন unarmed লৈ আহিলে খটখটিত আমাৰ arm পুলিচে তেওঁক ল'লে। লোৱা ৰ লগে লগে তেওঁ Inspector ৰ হাতৰ পৰা ৰিভলভাৰটো কাঢ়ি ল'লে। সেই সময়ত পুলিচে যদি তেওঁক retaliatory firing নকৰে তেতিয়াহ'লেতো গাড়ীত থকা গোটেই কেইজন পুলিচ মৰি যাব। এতিয়া আমি তেওঁলোককতো আইন বুজাব নোৱাৰো। যদি ক্ৰিমিনেলৰ লগত কেতিয়াবা ৰ্বকশ্বপ কৰিব পাৰিলো হেতেন যে তোমালোকে এনেকুৰা নকৰিবা তেতিয়া কথাটো বেলেগ আছিল। কিন্তু criminal ৰ mind ত কি থাকে সেই মূহুৰ্তত যে আমি যেনেতেনে বাচিব লাগে, আমি পলাব লাগে। কোনোবা এজন মানুহক যেতিয়া দুইকেজি হেৰ'ইনৰ লগত মানুহক পুলিচে এৰেষ্ট কৰে সেই মানুহজনে বুজি পায় যে, This is end of my route মোৰ হয় ফাঁচি হ'ব, নহ'লে মোৰ জেল হ'ব। সেই মানুহ জন সেই সময়ত desperate হয়। তেওঁ কেনেকুৰা behave কৰিব সেইটো কথা কোনেও predict কৰিব নোৱাৰে। তেওঁ যদি desperately behave কৰে, তেওঁ যদি পলাব চেষ্টা কৰে, সেই একেখন আইনে CrPC allows firing on leg। আজি অসম পুলিচে যদি আপোনালোকে যোৱা দুমাহত ঘটনা চাই accept ডিমাচা উগ্ৰপন্থী বা এজন বা দুজন in case of that IPS inspector বাকী চবক কিন্তু ভৰিত ফায়াৰ কৰিছে কাকো মাৰিব চেষ্টা কৰা হোৱা নাই। যদি অসম পুলিচৰ মনত কিবা আক্ৰোশ আছে, কিবা আছে, একে আমি যদি trigger happy হলোহেঁতেন we could have eliminate। তাৰ পাছত যি হ'লহেতেন আইনে ব্যৱস্থা ল'লেহেঁতেন, মই ব্যৱস্থা ল'লো হেতেন। কিন্তু তেনেকুৰা প্ৰচেষ্টা ইয়াত হোৱা নাই। প্ৰচেষ্টা হৈছে to the extend Cr.PC has extended the power, Cr.PC য়ে যিমানখিনি আমাক অধিকাৰ দিছে, within that ambit। আজি আমি কাম কৰিবলৈ যত্ন কৰিছো. মানুহক কোনোবাই যদি চাইক'লজী পঢ়িছে, ডাক্তৰৰ লগত কথা পাতিছে বুজিব যে মৰিগাঁৱৰ লাহৰীঘাট

সমষ্টিত বিধায়ক ডাঙৰীয়াও আছিল, Cr.PC Section 46 এইটো পঢ়ি ল'লে গোটেই clear হৈ যাব যে ভৰিত পুলিচে যদি অপৰাধী পলাই বা অপৰাধীয়ে যদি কিবা recovery কৰিব যাওঁতে সেই arms লৈ retaliate কৰিব খোজে আন যি কৰিব পাৰে, পুলিচে কাকো মাৰিব নোৱাৰে। কিন্তু পুলিচে ভৰিত গুলীয়াই মানুহজনক নিৰস্ত্ৰ কৰে আৰু আমিয়ে লৈ আহি মেডিকেলত best possible treatment দিওঁ যাতে মানুহজনক আমি কোৰ্টৰ ওচৰলৈ লৈ যাব পাৰো। ultimate aim is to secure conviction. আজি যেনেকৈ ইয়াত গৰু স্মাগলিঙৰ কথা হৈছে, দেৱব্ৰত শইকীয়া ডাঙৰীয়াই প্ৰশ্ন উঠাইছে, মোৰ সৰু কাৰ্য্যকালটোত ইয়াত আজি চাৰি জন মানুহ এৰেষ্ট হৈছে। এৰেষ্ট হৈছে-৫০৪। ৫০৪জন মানুহক গৰু চোৰাং কাৰবাৰৰ লগত জড়িত কাৰণে তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে। ৫০৪জনক কোনেও গুলী মাৰিব চেষ্টা কৰা নাই। যদি অসম পুলিচ trigger happy হ'লহেঁতেন ৫০৪ জনকে কৰ'বাত কৰ'বাত মাৰিলেহেঁতেন we will not allow তেনেকুৱা কাম কৰিবলৈ allow পুলিচক কৰিব নোৱাৰো। মই জানো যে আইনৰ শাসন দেশত আছে। কিন্তু যেতিয়া কাষ্টডিৰ পৰা অপৰাধী এজন পলাব খুজিব মুজামিন হক, আখতাৰ ৰাজাখান ওৰফে টিকলো খান, ছাহ্ জালাল এচ কে আৰু চৌৰাঙ্গি চিন্হা এই চাৰিগৰাকী যেতিয়া পলাবলৈ চেষ্টা কৰিলে কাষ্টডিৰ পৰা, বিভিন্ন কাৰণত তেতিয়া আমি তেওঁলোকক ভৰিত গুলীয়াইছো, ট্ৰিটমেণ্ট কৰিছো। ultimately আমি তেওঁলোকক কোৰ্টলৈ লৈ যাম। and we will secure conviction। উদ্দেশ্যটো মাৰি পেলোৱা নহয়। কাৰণ আমি আইনৰ শাসন হাতত ল'ব নোৱাৰো। কিন্তু কোনোবা যদি পলায়, তাকতো আমি নিৰস্ত্ৰ কৰিব লাগিব। নহ'লে মানুহক আমি কি উত্তৰ দিম যে এই যে কোটি কোটি টকা খৰচ কৰি আপোনালোকক বন্দুক, পিষ্টল দিলে এতিয়া অপৰাধীও পলালে আপোনালোকে গুলীও খালে। আপোনালোকে কি retaliate নকৰিব নেকি? এছেম্বলীয়ে পুলিচক আৰ্মচবোৰ কিয় দিছে? এছেম্বলীয়ে পুলিচক ammunition বোৰ কিয় দিছে? গতিকে অধ্যক্ষ মহোদয়, Whatever law has given power. আইনক যি power দিছে, আইনৰ power ৰ ভিতৰত আমি পুলিচৰ ওপৰত restrain কৰিব নলাগে। কিন্তু যেতিয়া যেতিয়া আইন পুলিচে ভাঙিব তেতিয়া definitely আমি পুলিচক প্ৰশ্ন কৰিম। যদি মাননীয় বিৰোধী দলপতি ডাঙৰীয়াই মোক কয় যে এইটো incident আপুনি মেজিষ্ট্ৰেট enquiry ত দিয়ক কাৰণ incident ত মোৰ সন্দেহ হৈছে যে কোনোবা নিৰপৰাধী মানুহক পুলিচে neutralize কৰিছে। যদি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই হাতত কিবা তথ্য আছে যে সেই আৰ পি এফ ইন্সপেক্টৰজনক পঞ্জাৰৰ, তেওঁক যেতিয়া আমি গুলীয়ালো বা তেওঁৰ মৃত্যু হ'ল, সেই সময়ত যদি তেওঁৰ হাতত কিবা নিশ্চিত তথ্য আছে যে তেওঁ হেণ্ডকাফত আছিল আৰু আমি হেণ্ডকাফ থকা মানুহ এজনক মাৰিছো and this special case আমি definitely enquiry দিম। মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়াক মই ক'ব খুজিছো এন এচ আৰ চিয়ে এনেকুৱা কোনো জাজমেণ্ট দিয়া নাই যে পুলিচক গুলীয়াব খুজিলে পুলিচে retaliate নকৰিব। যদি তেনেকুৱা কাষ্টদি হয়, আমি কাষ্ট'ডি পোৱাই নাই, যিটো সময়ত তেখেতৰ লগত আমাৰ এনকাউন্টাৰ হৈছে। আজি ডিমাচা উগ্ৰপন্থীসকলৰ লগত যেতিয়া আমাৰ সংঘৰ্ষ হৈছে, কাষ্ট'ডিত তেওঁ অহাই নাই। They were not in our lockup। তেওঁলোক জংঘলত আছে, আমিও জংঘলত আছো ফায়াৰ খুলিছে .ইয়াত custodial death লগত এন এচ আৰ চিৰ জাজমেণ্টৰ লগত কোনো relevence নাই, কোনো নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি মৰিগাঁৱত কি হৈছিল? আমি পাঠা বুলি এজন অপৰাধীক পালো। এগৰাকী ইছলাম ধৰ্মক

বিশ্বাস ক ৰা ন বছৰীয়া সৰু ছোৱালী। দুদিন আগতে তাই এটা চৰাই পুহিছে। সেই চৰাইটোক জামু খুৱাবৰ কাৰণে ৰাতিপুৱা ওলাই গৈছে। এই মানুহজনে পিছফালৰ পৰা দেখি প্ৰথম ছোৱালী জনীক মাৰি পেলাইছে। ছোৱালীজনীক মাৰি পেলাই both side ত ছোৱালী জনীক ধৰ্ষণ কৰিছে। both side ত। ভেজিনেল এণ্ড এনেল। দুয়োটা চাইডত ধৰ্ষণ কৰিছে। এতিয়া সেই মানুহজনক কোনে আইন বুজাব? যেতিয়া পাইছে পলাইছে, পুলিচক কামুৰিব, এই মানুহবিলাকতো মানুহ হৈ থকা নাই। উন্মাদ আৰু উন্মাদৰ লগত যেতিয়া পুলিচে deal কৰিব তেতিয়া পুলিচ সাৱধান হ'ব লাগিব। মানুহজন যদি পলাব খোজে। তথাপিতো উন্মাদজনক আমি মাৰি পেলোৱা নাই। কাৰণ we have don't right। কিন্তু যেতিয়া আমাৰ কাষ্টডিৰ পৰা মানুহজন পলাইছে, তেওঁক ভৰিত গুলী চলাই ৰখাব লাগিব। কাৰণ যদি মানুহজন পলাই গুচি গ'লহেঁতেন, আমি ক'তো মুখ উলিয়াব নোৱাৰিলোহেঁতেন যে এনেকুৱা জঘন্য অপৰাধী এজনক আপোনালোকে কিয় পলাই যাবলৈ দিলে? গতিকে মই ভাৱে যে এনেকুৱা মেছেজ যদি অসম বিধান সভাৰ ফালৰ পৰা যায় যে Cr.PC ত থকা power এটাও আমি exercise কৰিব নোৱাৰো। ডঃ আম্বেদকাৰ ডাঙৰীয়াই বনাই যোৱা আইনৰ Section 46 ৰ অধীনত এই বিধি হৈছে। Section 46 ৰ অধীনত পুলিচক ক্ষমতা দিয়াৰ পিছতো তেওঁলোকক যদি আমি কওঁ যে, এই ক্ষমতা অনুশীলন নকৰিব, তেতিয়া এইখন সদনেই প্ৰশ্ন কৰিলেহেঁতেন যে পাঠাক কিয় পলাই যাব দিয়া হ'ল? পুলিচে টকা খাই পলাই যাব দিয়া বুলি আমাক ওলোটাই প্ৰশ্ন কৰিলেহেঁতেন। অধ্যক্ষ মহোদয়, আমি সদনৰ পৰা স্পষ্ট বাৰ্তা পুলিচক দিব লাগিব যে অসমত আপোনালোকে ধৰ্ষণ বন্ধ কৰক। শিশুৰ ওপৰত হোৱা অত্যাচাৰ বন্ধ কৰক। Cow smuggling, drugs smuggling, human trafficking বন্ধ কৰক আৰু এইখিনি কৰিবলৈ যাওঁতে আইনে CrPC ৰ Section 46 কে ধৰি যি যি অধিকাৰ আপোনালোকক দিছে, সেইয়া আপোনালোকে exercise কৰক। ইয়াৰ বিপৰীতে যদি তেওঁলোকক ইটো নকৰিবলৈ, সিটো নকৰিবলৈ কোৱা হয়, তেন্তে তেওঁলোকে ভালেই পাব। গতিকে, আইনে পুলিচক যি ক্ষমতা দিছে সেইটোৰ চৰ্চা নহয়, তেনে বাৰ্তা সদনৰ পৰা যাব নালাগে। ইয়াত আইনৰ শাসন চলিছে, আইনৰ শাসন চলিব আৰু আইনৰ ভিতৰতে পুলিচৰ যি ক্ষমতা আছে, সেইটো তেওঁলোকক পালন কৰিবলৈ দিব লাগিব। আমাৰ সদনত কাৰ্বি আংলঙৰ যিসকল বিধায়ক/বিধায়িকা আছে তেওঁলোকে জানে যে, তাত যিটো Extremist Organization আছিল, সাত দিন আগত তেওঁলোকে নিৰীহ কাৰ্বি যুৱক এজনক হত্যা কৰিছে। তাৰ পিছত তেওঁলোকে full fledged arms লৈ NSCIN ৰ এটা উগ্ৰবাদী সংগঠনৰ লগত তেওঁলোকে alliance কৰি অসমত নতুনকৈ ডাঙৰ ডাঙৰ sophisticated arms আনিছে। পুলিচে তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ যাওঁতে যদি তেওঁলোকে retaliate কৰি গুলীচালনা আৰম্ভ কৰে আৰু সেই সময়ত যদি আমি পুলিচক মানৱ অধিকাৰ আয়োগৰ কথা মনত পেলাবলৈ কওঁ, তেনেক্ষেত্ৰত যি সকল পুলিচ শ্বহীদ হৈ আহিব তেওঁলোকৰ পিতৃ-মাতৃক আমি কি উত্তৰ দিম? সেই সময়ত, মই তেওঁলোকক ক'ম নেকি যে মই পুলিচসকলক বগা ৰঙৰ ৰুমাল এখন পকেটত ভৰাই ৰাখিব আৰু সেইখন উৰুৱাই থাকিবলৈ কৈছিলো। Can I say that? মই যোৱাকালি কৈছো যে ১৮০০ মানুহ ড্ৰাগ্ছ কেচত গ্ৰেপ্তাৰ হৈছে। যদি এনেকুৱা এটা ধাৰণা দিয়ে যে ১৮০০ জনেই গুলী খাইছে, এনেকুৱাটো হ'ব নোৱাৰে। যদি ৫০৪জন মানুহ গৰুৰ কেচত আমি গ্ৰেপ্তাৰ কৰিছো, তাৰ ভিতৰত ৪ জন মানুহতো desperate থাকিবই। কিন্তু, এনেকুৱা যদি ধাৰণা দিওঁ যে সকলো মানুহে ইয়াত গুলী খাইছে, তেনেকুৱাতো নহয়। আজি মোৰ এই চমু কাৰ্য্যকালটোত

উগ্ৰপন্থীকে ধৰি ২৩ জন মানুহে গুলী খাইছে আৰু কাৰ্বি আংলঙৰ উগ্ৰপন্থী সংগঠন UPRF (United People's Revolutionery Front) ৰ ১৫ জন লোকে গুলী খাইছে। This group was actively supported by NSCIN and Kuki. গতিকে এনেধৰণৰ কামৰ বাবে সদনে যদি পুলিচক ধন্যবাদ নিদি মানৱ অধিকাৰৰ কথা কয়, তেন্তে কালিৰ পৰা পুলিচবোৰ আকৌ তেওঁলোকৰ comfort lineলৈ গুছি যাব। ইয়াত যি কেইজন মানুহ ঢুকাইছে তাৰে অধিকাংশই DNLA (Dimasa National Liberation Army) আৰু UPRF ৰ মানুহ। এজন বা দুজন, যি extreme case আছিল, এজন Railway Inspector আছিল। He knows how to fire arms. মই সদনত আপোনালোকক কিংপিনজনৰ ফটো এখন দেখুৱাম। আমি তেওঁক ডিমাপুৰত গ্ৰেপ্তাৰ কৰাৰ আগত আৰু গ্ৰেপ্তাৰ কৰাৰ পিছত চেহেৰা কেনেকুৰা আছিল আপোনালোকে চাব। তেওঁ ডিমাপুৰৰ হৰিজন কলনী এটাত চুলি খুৱাই শিখ মানুহৰ লগত একেলগে কাম কৰি আছিল। He was in complete disguise. আজি শিৱসাগৰৰ বুবু কোঁৱৰৰ কথা কোনে নাজানে, যি ধৰণৰ frustrated মানুহ, যি ধৰণৰ dreaded militant! গতিকে, আজি সদনৰ পৰা যদি এনে বাৰ্তা যায় যে পুলিচে যোৱা দুই মাহত যি কৰিছে সেইয়া ভুল কৰিছে, তেন্তে পুলিচ আকৌ শুই যাব। কাৰণ পুলিচেতো শুই যাবৰ বাবে ভালেই পায় । সেই কাৰণে মই যোৱা কালিও কৈছো আৰু আজিও দৃঢ়তাৰে কৈছো যে, আমি অসম পুলিচৰ লগত থিয় হ'ম। যিটো কথা বেয়া হ'ব, যেতিয়া অসম পুলিচে নিৰীহ-নিৰপৰাধী মানুহৰ ওপৰত কিবা action ল'ব, equally we will condemn them as long as they fight with the drugs mafia, cattle mafia, with the mafia involving in human trafficking. আজি সদনৰ পৰা বাৰ্তা যাব লাগে যে আমি আপোনালোকৰ লগত আছো। সদনে সিদ্ধান্ত ল'ব লাগিব যে ৯ বছৰীয়া সেই ছোৱালীজনীৰ কাৰণে কান্দিব নে ধৰ্ষণকাৰী সেই পাঠাৰ কাৰণে কান্দিব। আজি ড্ৰাগছৰ গোটেই ব্যৱসায়টোৰ কাৰণে এখন এখন ঘৰ ধ্বংস হৈ গৈছে। তেওঁলোকৰ কাৰণে কান্দিম নে আমি ড্ৰাগছৰ ব্যৱসায়ৰ লগত জড়িত ব্যক্তিসকলৰ কাৰণে কান্দিম? আমি কাৰ কাৰণে কান্দিম? Sympathy is important but misplaced sympathy is very very dangerous. সমাজত misplaced sympathy থাকিবই নালাগে। সমাজত কেৱল sympathy থাকিব লাগে; সেই sympathyক যদি কোনোবাই misplaced sympathy লৈ ৰূপান্তৰ কৰে, তাৰ পৰাই সমাজৰ স্খলন আৰম্ভ হয়। অধ্যক্ষ মহোদয়, মই আজি এই সদনৰ পৰা সদনৰ দলপতি হিচাপে অসম পুলিচক ধন্যবাদ আৰু অভিনন্দন জনাওঁ for the activities and for the service they are rendering to the society as a whole and more particularly for last two months. একে সময়তে, মই ডি.জি.পি, এ.ডি.জি.পি, বিশেষ ডি.জি.পি সকলোকে সদনৰ পৰা বাৰ্তা পঠিয়াম যে কোনো নিৰ্দোষী তথা নিৰপৰাধী ব্যক্তিক পুলিচে কেতিয়াও আইনৰ বিৰুদ্ধে গৈ বা আইনৰ মাজত থাকি, দুয়োটাই, কেতিয়াবা আইনৰ মাজত থাকিও নিৰপৰাধীক অত্যাচাৰ কৰে, গতিকে আইনৰ মাজত থাকিও নিৰপৰাধীক অত্যাচাৰ কৰিব নোৱাৰিব আৰু আইনৰ বাহিৰত গৈ নিৰপৰাধীক অত্যাচাৰ কৰাটো প্ৰশ্নই উঠিব নোৱাৰে। But, as long as you are within the law, as long as you are within the Section 46 of CrPC, as long as you are acting for self-defence and for general security of the people of Assam, you have full operational liberty. আপোনালোকে কাম কৰক। মই না চাব যাম, না মই সুধিম। মোক খবৰো

নিদিব, মোক মেছেজো নিদিব। যিদিনাখন নিৰপৰাধী মানুহৰ ওপৰত কিবা হ'ব তেতিয়াহে মই সুধিম যে এইটো কিয় হ'ল? As long as you are dealing with the criminal, rapist, drugs trafficker, within the law whatever power you have been entrusted by the CrPC, you exercise that. মোৰ একো ক'বলগীয়া নাই। মই সদনকো এয়াই ক'ম যে আপোনালোকে য'ত যেনেকৈ পাই পুলিচক ক'ব যে অসমত ড্ৰাগ্‌ছ নোহাৰা হ'ব লাগে, গৰুৰ বেপাৰ বন্ধ হ'ব লাগে, অসমৰ মহিলা বাহিৰত যাব নালাগে আৰু অসমত নাৰীৰ ওপৰত অত্যাচাৰ হ'ব নালাগে। যি কৰে কৰক, এইখিনি বন্ধ হ'ব লাগে। পাঁচ বছৰত যদি এইখিনি কাম বন্ধ কৰিব পাৰো, মই ভাৱো অসমে হেৰুৱা সন্মান ঘুৰাই আানিব পাৰিব। Regarding modernization of police, law and order, investigation we have deep plan. অলপ পিছত খুব সম্ভৱ আমিনুল ইছলাম ডাঙৰীয়াৰ এটা প্ৰশ্ন আছে, এতিয়া মই বহুত সময় নলৈ তেওঁৰ সেই প্ৰশ্নটো আহিলে modernization of police, law and order, investigation এই গোটেইবিলাকৰ ওপৰত আমি কি কৰিব বিচাৰিছো, মই জনাবলৈ চেষ্টা কৰিম। লগতে, বিৰোধী দলৰ দলপতিগৰাকীক মই আৰু এটা কথা ক'ম যে মই Organizer কোৱা নাই। মই কৈছো যে চুক বজাৰৰ পৰা বস্তু আহে, যদি নাহে F.I.R ৰ কি দৰকাৰ? মই OCৰ মিটিঙত ইমানেই কৈছো যে বীৰভুম জিলাৰ চুক বজাৰৰ পৰা গৰু আহে। আপোনালোকে গেটতে অহাটো বন্ধ কৰি দিয়ক। তেতিয়া অসমত F.I.R ৰেজিষ্টাৰ কিয় হ'ব লাগে? That was the intention যে মোক কোনো কেচ নালাগে, কেচ ৰেজিষ্টাৰ হ'ব নালাগে, কিয়নো বস্তু আহিলেহে কেচ হ'ব, আপোনালোকে বস্তু অনাটোৱেই বন্ধ কৰি দিয়ক। ধুনীয়াকৈ চেক গেট পাতক, ধুনীয়াকৈ বিভিন্ন ধৰণৰ censor লগাওঁক। অসমৰ গৰু smuggling নহয়, চুক বজাৰ বীৰভুমৰ পৰা অহা গৰুখিনিৰহে smuggling হয়। গতিকে মই কৈছো within Assam মোক কেচ নালাগে, বস্তু আহিবই নিদিব। যদি বস্তু নাহে তেনেহ'লে সকলোতে শান্তি। এতিয়া লাহে-লাহে তাত ৯০ শতাংশ বস্তু অহা কমি গৈছে। অহা বছৰত হয়তো cattle smuggling ওপৰত অসমত কোনো case এ নাথাকিব। আমি ৰাস্তাটো বন্ধ কৰি দিব লাগে। Organizer য়ে কি লিখিছে নাজানো। কিন্তু OC ৰ মিটিঙংত মই কৈছো যে গৰুৰ ক্ষেত্ৰত মোক কোনো case নালাগে। গৰু অহাই বন্ধ কৰি দিয়ক। আজিয়ে বহু এনেকুৱা ধৰণৰ প্ৰশ্ন আছে যে অৰুণাচলৰ পৰা নাগালেণ্ড লৈ চোৰাং মদ যায়। গতিকে পৰহিলৈ মই অৰুণাচলৰ লগত মদৰ চোৰাং কাৰবাৰ কৰা মদৰ ব্যৱসায়ীখিনিক মাতিম। তাত মুখ্য সচিব আৰু Excise Minister থাকিব। মই তেওঁলোকক কম যে তোমালোকে চোৰাং বস্তুয়ে নানিবা। আনিলে Income Tax, Excise, Enforcement সকলোবিলাক দিব লাগিব। তেতিয়া তেওঁলোকে নানিবই আৰু নানিলে কিয় আকৌ অৰুণাচলত এটা Excise বিভাগে duty দিব লাগিব। সেই মিটিঙত Television বা Media থাকিলেও মোৰ কোনো অসুবিধা নাই। সেইকাৰণে গৰুৰ ক্ষেত্ৰতো মই দুয়োজন SP কে কৈছো যে আপোনালোকে জানেই যে কোনে কোনে বস্তু আনে। মই কৈছো যে আপোনালোকে খেদাখেদি কৰি থকাৰ প্ৰয়োজন নাই, তেওঁলোকক মাতি আনি ক'ব যাতে তেওঁলোকে যেন বেলেগ ব্যৱসায়ত হাত দিয়ে আৰু এই সমূহ ব্যৱসায় বন্ধ কৰে। মই এইখিনিকে ক'লো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু শ্ৰী ভূবন পেগু ডাঙৰীয়াৰ একেটাই notice পাইছো। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি অতিকৈ

আনন্দিত যে ৰাজ্য চৰকাৰে অলপতে কেবিনেটত 'খিলঞ্জীয়া বিশ্বাস আৰু সংস্কৃতি' নামৰ এটা বিভাগ খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তাৰবাবে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। এতিয়া যিটো নতুন বিভাগ খোলা হৈছে সেইটোৰ পৰিসৰ কি হ'ব, পৰিকল্পনা কি হ'ব আৰু বিভাগটোৰ জৰিয়তে খিলঞ্জীয়াৰ যি বিশ্বাসআৰু সংস্কৃতিৰ পুনৰুদ্ধাৰৰ কাৰণে যি প্ৰচেষ্টা হাতত লৈছে তাৰবাবে আমি সচাঁকৈ আনন্দিত হৈছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে অসমত বিভিন্ন জনগোষ্ঠীয়ে বসবাস কৰে আৰু অসমখন হৈছে বিভিন্ন জনগোষ্ঠীৰ লোকসংস্কৃতিৰ বৰঘৰ। এই জনগোষ্ঠী সমূহৰ লোকাচাৰ, লোকবিশ্বাস, লোকসংস্কৃতিয়ে অসমৰ জাতীয় জীৱন চহকী কৰিছে। অসমত এই যি বিভিন্ন জনগোষ্ঠী আছে এই সমূহৰ যি লোকাচাৰ, লোকবিশ্বাস, লোকসংস্কৃতি আপুনি যদি চাবলৈ যায় দেখিব যে এই সমূহৰ বেছিভাগেই মৌখিকভাৱে প্ৰচলিত। ইয়াৰ লিখিতভাৱে উল্লেখ নাই। এই জনগোষ্ঠী সমূহৰো বহুতো উপ-জনগোষ্ঠী আছে। এই জনগোষ্ঠী সমূহৰ যি লোকাচাৰ, লোকবিশ্বাস, লোকসংস্কৃতি আছে সেইবোৰ কিছু পৰিমাণে হলেও বিলুপ্ত হৈছে। এই জনগোষ্ঠী আৰু উপ-জনগোষ্ঠী সমূহৰ লোকাচাৰ, লোকবিশ্বাস, লোকসংস্কৃতি উত্তৰণৰ কাৰণে বিজ্ঞানসন্মতভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰবাবে বিশেষভাৱে এটা বিভাগৰ প্ৰয়োজন। গছ এডাল হ'বলৈ হ'লে তাৰ ঘাই শিপাডাল প্ৰথমতে আমি শক্তিশালী কৰিব লাগিব আৰু ঘাই শিপাডালক সাৰ-পানী দিলেহে ই শক্তিশালী হ'ব। সেই সাৰ-পানী খিনি আমি ডাল পাতত দিলে ঘাই শিপাডাল শক্তিশালী নহয়। ঠিক তেনেকৈ আমাৰ বিভিন্ন জনগোষ্ঠী সমূহৰ যি ঘাই সুতি আছে সেই ঘাই সুতিটোহে আমি শক্তিশালী কৰি তুলিব লাগিব। তাৰবাবে আমি তেওঁলোকৰ যি লোকাচাৰ, লোকবিশ্বাস, লোকসংস্কৃতি আছে তাৰ পুণৰুদ্ধাৰৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। তাৰবাবে আমি কি পৰিকল্পনা লৈ আগবাঢ়িম আৰু কি ধৰণে সেই জনগোষ্ঠী সমূহৰ ভয় আৰু শঙ্কা দূৰ কৰি তেওঁলোকৰ জাতীয় সত্বাক যাতে আমি ৰক্ষা কৰিব পাৰো আৰু ৰক্ষণাবেক্ষণ দিব পাৰো, মই ভাৱো সেয়া হ'ব আমাৰ প্ৰথম কাম। গতিকে মই বিশেষ ভাৱে অনুৰোধ জনাইছো যাতে আমাৰ এই বিভাগটোৰ জৰিয়তে সেই জনগোষ্ঠী সমূহৰ যি লোকাচাৰ, লোকবিশ্বাস, লোকসংস্কৃতি আছে সেইবিলাক বিজ্ঞান সন্মতভাৱে উন্নত কৰিবৰ কাৰণে ব্যৱস্থা ল'ব লাগে। সেইবুলি আমি কোনো অন্ধ বিশ্বাসক প্ৰশ্ৰয় দিব নোৱাৰো। গতিকে অন্ধবিশ্বাসৰ যি পৰম্পৰাগত ব্যৱস্থা আছে সেইখিনিক বাদ দি তেওঁলোকৰ যিখিনি ভাল লোক সংস্কৃতি আছে সেই সমূহ যাতে পুণৰুদ্ধাৰ কৰি শক্তিশালী কৰাৰ কাৰণে ব্যৱস্থা কৰিব পাৰো তাৰবাবে মই আজি আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

তাৰোপৰি বিশেষভাৱে আমাৰ বিভিন্ন জনগোষ্ঠীৰ যিখিনি ঐতিহ্যপূৰ্ণ কীৰ্তিচিহ্ন আছে, আমাৰ জাতীয় উৎসৰ আছে সেই সমূহৰ ক্ষেত্ৰতো আমি কি ভাৱে তেওঁলোকক পুনৰ উত্তৰণৰ ক্ষেত্ৰ দিব পাৰো তাৰবাবেও কিছু পৰিকল্পনা আমি প্ৰস্তুত কৰিব লাগিব। সৰ্বশেষত মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এই বিভাগটোৰ জৰিয়তে আমাৰ প্ৰত্যেকটো জনগোষ্ঠীৰ যাতে একোটাকৈ মিউজিয়াম কৰি তেওঁলোকৰ ঐতিহ্যপূৰ্ণ যি বিলাক সা-সামগ্ৰী আছে সেই বিলাক যদি মিউজিয়ামত ৰাখি তাৰ বৈশিষ্ট্য যদি আমি আমাৰ ৰাইজক অৱগত কৰিব পাৰো তেনেহ'লে নিশ্চয় সেই জনগোষ্ঠীৰ বৈশিষ্ট্য সমূহ ভাৰতবৰ্ষৰ সকলো জনগণে সেই কথাখিনি জানিবলৈ সক্ষম হ'ব। আজি ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পিছত আমাৰ খিলঞ্জীয়াৰ বিশ্বাস আৰু সংস্কৃতিৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চিন্তা-চৰ্চা কৰি আজি এনে এটা বিভাগ খোলাৰ যি প্ৰয়াস কৰিছে সঁচাকৈয়ে ই ইতিবাচক আৰু আজি মই ভাৱো যে উপযুক্ত সময় আহি

পৰিছে । ইয়াকে কৈ মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক পুনৰবাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ভূৱন পেগু।

**শ্ৰী ভূৱন পেগু (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ তাৰিখৰ কেবিনেটত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এটা নতুন বিভাগ "The Department of Indigenous Faith And Culture" খোলাৰ এটা সিদ্ধান্ত হৈছিল। ইয়াত স্পষ্টকৈ কথাবোৰ আছে যে to be objective, to preserve and promote culture, tradition and faith of various indigenous communities of Assam. চাবলৈ গ'লে বহুতে হয়তো ভাবিব পাৰে এইটোৰ দৰকাৰ জানো? কি কাৰণে কৰিছে বুলি বহুতে হয়তো ভাবিব পাৰে। আমি যিখিনি Indigenous community আছো আৰু মই ও এজন মিচিং জনগোষ্ঠীৰ মানুহ হিচাবে ভাবি আছো যে ভাৰত স্বাধীন হোৱাৰ পিছত কোনো চৰকাৰ বা বিভাগে এই বিষয়টোৰ ওপৰত কেতিয়াও আলোচনা কৰা নাছিল বা সংৰক্ষণৰ যোগ্য বুলি কেতিয়াও ভবা নাছিল। কিন্তু এইখন চৰকাৰে কিয় কৰিছে ঙ্গ একপ্ৰকাৰ চাবলৈ গ'লে বিষয়টো সামান্য যেন লাগে। নেলচন মেণ্ডেলাৰ কথা আমি সকলোৱে জানো। যেতিয়া এই বিভাগটো আৰম্ভ কৰাৰ কথা কৈছে তেতিয়া মোৰ তেখেতৰ এটা কথা মনলৈ আহিল। তেখেতে এবাৰ কৈছিলে "এজন ব্যক্তিৰ লগত যদি আপুনি তেওঁ বুজি পোৱা ভাষাত কথা পাতে তেতিয়া তেখেতে সেইটো চিন্তা কৰে কিন্তু যদি আপুনি সেইজন ব্যক্তিৰ নিজা ভাষাত যদি কিবা এটা কয় তেখেতৰ হৃদয় স্পৰ্শ কৰে"। ইয়াত স্পষ্ট কৰি কৈছে যে "যদি সেই ব্যক্তি জন বা সেই গোষ্ঠীটোৰ ভাষাটো আপুনি নাজানিবও পাৰে কিন্তু সেই গোষ্ঠীটোৰ ভাষাত যদি আপুনি অলপ ভঙা ভঙাকৈ হ'লেও কিবা এটা ক'বলৈ চেষ্টা কৰে তেতিয়া অন্তৰ স্পৰ্শ কৰি এটা চিগনেল দিয়া যায় যে আপোনাক সন্মান এটা দিছো আৰু আপোনাক বুজিবৰ চেষ্টা কৰিছো" বুলি এই বিষয়টোৰে কয়। যেতিয়া এই বিভাগটো খোলাৰ কথা কৈছে তেতিয়া মোৰ মনলৈ আহিছে যে আমাৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যেতিয়াই অসম তথা উত্তৰ-পূৰ্ব্বাঞ্চললৈ আহে, ভাষণ দিয়াৰ আগতে অসমীয়া, মিচিং, বড়ো ভাষাত কিবা এটা ক'বলৈ চেষ্টা কৰে। তেতিয়া হাজাৰ হাজাৰ জনগণই হঠাৎ উফন্দি উঠে, হাতচাপৰি বজায় অথাৰ্ৎ দুই-এটা শব্দ যদি সেই জনগোষ্ঠীটোৰে বুজা ভাষাত কোৱা যায় মানুহৰ হৃদয়ত স্পৰ্শ কৰে। এইটো অকল ভাষাত নহয়, ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন চৰকাৰৰ মুৰব্বীজনে এতিয়া অকল ভাষাৰ ক্ষেত্ৰতেই নহয় তেখেতেৰ চিন্তাধাৰাই সকলো দিশতেই এই খিলঞ্জীয়া জনগোষ্ঠী সমূহক স্পৰ্শ কৰাৰ কাৰণে আগুৱাই আহিছে। যাৰ কাৰণে যুগে যুগে অসমীয়া খিলঞ্জীয়া জাতি-জনগোষ্ঠীয়ে মুখ্যমন্ত্ৰী জনক মনত ৰাখিব আৰু ধন্যবাদ দিব। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ গুৰুত্ব বহুতে নাজানিব পাৰে কিন্তু এই জনগোষ্ঠীয় Indigenous Faith And Culture ৰ ওপৰত ৰাষ্ট্ৰসংঘই ২০০৭ চনতেই ১৫০ তকৈ অধিক দেশে আলোচনা কৰি ঘোষণা কৰিছিল যে Indigenous community বা এই খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ Faith And Culture ক সংৰক্ষণ কৰাটো কিমান প্ৰয়োজনীয়। পৃথিৱীখনৰ যদি Biodiversity বচাব লাগে Indigenous মানুহৰ Faith And Culture, tradition and ways of life টো বচাই ৰখাটো দৰকাৰ এই কাৰণেই যে তেওঁলোকৰ ইক' চীচটেমটোৰ লগত সামঞ্জস্য ৰাখি আগবাঢ়ি যোৱাটো হয়। যেনে - মিচিঙৰ Dony Polo, বড়োৰ বাথৌ, চাহ জনগোষ্ঠীৰ কৰম ঠিক তেনেদৰে আহোমৰ ফুৰালুং আদি সকলো জাতি-জনগোষ্ঠী যদি চাই আপুনি দেখিব যে প্ৰত্যেকটোৰে প্ৰকৃতিৰ লগত অৰ্থাৎ গছ-গছনি, বায়ু-বতাহ,

নদী ইত্যাদিৰ লগত জড়িত হৈ আছে আৰু ইয়াৰ কানেকটেড হোৱাৰ কাৰণে আপুনি দেখিব যে ক'ৰবাত যদি পৰিবেশটো অলপ চাফা হৈ আছে, গছ-গছনি যদি বাচি আছে এই Indigenous মানুহে বসবাস কৰা ঠাইত হে বাচি আছে অন্য ঠাইত নাই। বৈজ্ঞানিক সকলে ক'বলৈ ধৰিছে যে ক'ভিড -১৯ ৰ এই পেনডামিক চিটুৱেশ্যনৰ সময়ত ভাইৰাচৰ যি উপদ্ৰৱ বাঢ়িছে তাৰ ফলত পৃথিৱীৰ ভাৰসাম্য আমি হেৰুৱাইছো সেইকাৰণে ভাইৰাচৰ উপদ্ৰৱ বাঢ়িছে আৰু বাঢ়ি থাকিব। সেয়ে আমি এই জনগোষ্ঠী সমূহৰ ৰীতি-নীতিত যদি আমি যাব পাৰো তেতিয়াহ'লে গম পাম যে ভাৰসাম্য কেনেকৈ ৰক্ষা কৰিব পাৰি। শেষত মই এটা উদাহৰণ দিব বিচাৰিছো যে গাওঁত আমাৰ ককা-আইতা সকলে শিকাই যে এইটো নকৰিবি সেইটো নকৰিবি, এইটো কৰিব নাপায়, এই গছডাল এই সময়ত কাটিব নাপায় ইত্যাদি ইত্যাদি। মোৰ জন্মভূমি গাওঁত ল'ৰা কেইজনমানে নেউল এটাক খেদি খেদি মাৰিব বিচাৰিছিলে তেতিয়া গাওঁৰ বুঢ়া লোক সকলে কৈছে যে নেউলটো নামাৰিবি। তেতিয়া মই বুঢ়া মানুহ কেইজনক সুধিলত কৈছে যে নেউলটো মাৰিলে সাপৰ প্ৰকোপ বাঢ়িব কাৰণ নেউলে সাপৰ ভাৰসাম্য ৰক্ষা কৰি আছে। আকৌ যদি সাপ বেছিকৈ মৰা হয় তেতিয়াহ'লে এন্দুৰ, নিগনি বাঢ়িব। কেতিয়াবা কিছুমান মানুহে কয় গড় কিয় ৰক্ষা কৰিব লাগে, এই গছডালৰ প্ৰজাতি স্পেচিয়েল বুলি বন বিভাগে কিয় ৰক্ষা কৰিব লাগে? দুটা গড় মৰিলে বা দুডাল গছ কাটিলে কি হ'ব? কিন্তু এই যে ভাৰসাম্যটো ধ্বংস হ'ব । গতিকে খিলঞ্জীয়া সকলৰ লাইফ-ষ্টাইলৰ ভাৰসাম্য ৰক্ষা কৰাতোত যাতে প্ৰাধান্য দিয়ে কাৰণ আমি Indigenous মানুহৰ Faith And Culture tradition টো ৰক্ষা কৰিব লাগিব। তাৰকাৰণে অসম চৰকাৰে যিটো সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু মুখ্যমন্ত্ৰী মহোদয়ে কেনেদৰে আগবাঢ়ি যাব বিচাৰিছে আমি সেইটো জানিব বিচাৰিছো লগতে এই সদনত বিভাগক শক্তিশালী কৰাৰ কাৰণে যিটো সিদ্ধান্ত ল'ব তাৰবাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াক যুগে যুগে অসমৰ খিলঞ্জীয়া মানুহে কেতিয়াও নাপাহৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মুখ্যমন্ত্ৰী।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সদনৰ এগৰাকী জ্যেষ্ঠ সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু আনগৰাকী সন্মানীয় বিধায়ক ভূৰন পেগু ডাঙৰীয়াই আমি নতুনকৈ গঠন কৰিব বিচৰা Indigenous Faith and Culture বিভাগটোৰ বিষয়ে জানিবলৈ বা বিভাগটোৰ বিষয়ে বুজিবলৈ শূন্যকালীন ঘন্টাত যি প্ৰশ্ন আনিছে, তাৰ বাবে মই তেওঁলোকক ধন্যবাদ জনাইছোঁ। অধ্যক্ষ মহোদয়, অসম হৈছে বিভিন্ন জাতি জনগোষ্ঠী, ধৰ্মীয় তথা ভাষিক লোকৰ মিলন ভূমি। বিভিন্ন ভাষা ধৰ্মৰ লোকৰ সমন্বয়ৰে বৰ অসমীয়া জাতি গঢ় লৈ উঠিছে। বড়ো, মিচিং, টাই আহোম, কাৰ্বি, ডিমাচা, চুটিয়া, সোনোৱাল কছাৰী, মৰাণ, মটক, দেউৰী, তিৱা, গাৰো, ৰাভা, হাচাং, কোচ, কেওঁট চাহ জনগোষ্ঠীৰ আদি বিভিন্ন জনগোষ্ঠী আৰু হিন্দু, মুছলিম, খ্ৰীষ্টিয়ান, বৌদ্ধ, শিখ, জৈন আদি ধৰ্মৰ লোকে অসমত মিলা প্ৰীতিৰে বহু যুগ ধৰি বসবাস কৰি আহিছে। এই প্ৰতিটো জাতি-জনগোষ্ঠীৰ নিজা নিজা কৃষ্টি-সংস্কৃতি বিশ্বাস পৰম্পৰা আছে। সুকীয়া গীত-মাত, নৃত্য, লোক-সাহিত্য, ধৰ্মীয় অনুষ্ঠান, লোক-বিশ্বাস, নীতি নিয়ম ইত্যাদি জনগোষ্ঠীৰ নিজা বৈশিষ্ট্য। সাধাৰণতে খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ কৃষ্টি-সংস্কৃতি প্ৰাচীন যুগৰ পৰা মুখে মুখে সৃষ্ট আৰু সংৰক্ষিত। কিন্তু সময়ৰ ধামখমীয়াত আৰু বিশ্বায়নৰ প্ৰভাৱত খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ কৃষ্টি-সংস্কৃতি আৰু বিশ্বাস সমূহ পাহৰণিৰ গৰ্ভলৈ গতি কৰিছে বুলি সকলোৱে আশংকা প্ৰকাশ কৰিছে। সাধাৰণতে পূৰ্বে একো একোটা বিশেষ জনগোষ্ঠীৰ লোকে প্ৰতি একোটা নিৰ্দিষ্ট অঞ্চলত বাস কৰিছিল আৰু জনগোষ্ঠীটোৰ লোক সকলৰ জীৱিকাও আছিল একেই। কিন্তু বৰ্তমানে দেখা গৈছে জনগোষ্ঠীৰ

লোক সমূহে সুকীয়া জীৱিকাৰ সন্ধানত আন অঞ্চললৈ গতি কৰা বাবে অথবা উপাৰ্জনৰ বাবে নিজা অঞ্চলৰ ভুমি আন জনগোষ্ঠীৰ লোকক বিক্ৰী কৰা আদি বিভিন্ন কাৰকৰ বাবে হয়তো বৰ্তমান সময়ত এই অঞ্চল সমূহৰ পৃথক জনগোষ্ঠীয় বৈশিষ্ট্য হ্ৰাস পাবলৈ ধৰিছে। প্ৰণালীবদ্ধ আৰু বৈজ্ঞানিৰ পদ্ধতিৰ অবিহনে খিলঞ্জীয়াৰ বিশ্বাস আৰু সংস্কৃতি সংৰক্ষণ কৰাতো বৰ কঠিন। সেয়ে অসম চৰকাৰৰ প্ৰস্তাৱিত খিলঞ্জীয়া বিশ্বাস আৰু সংস্কৃতি বিভাগৰ জৰিয়তে অসমত ক্ৰমাৎ লোপ পাবলৈ ধৰা ধৰ্মীয় বিশ্বাস সংস্কৃতি সুৰক্ষা আৰু সংৰক্ষণৰ হকে প্ৰণালী বদ্ধভাৱে ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। ৰাজ্যখনৰ বহু অখ্যাত স্থানত লোক কৃষ্টিত বিশ্বাস এতিয়াও প্ৰাণময় আৰু জীৱন্ত হৈ আছে। প্ৰাচীন সামাজিক কথাত বিশ্বাস আদি তথ্যপাতি মজুত আছে। বিভাগটোৰ জৰিয়তে এইসমূহৰ সন্ধান কৰাৰ লগে লগে এই সম্বন্ধত গৱেষণা কৰিব পৰা যাব। বিভাগটোৰ বিষয়া সকলে অসমৰ চুকে কোণে বিভিন্ন স্থানত খিলঞ্জীয়া লোক সকলৰ সৈতে মত বিনিময় কৰি আৰু কৃষ্টি সংস্কৃতিক বিশেষ সূক্ষ্ম ভাৱে অধ্যয়ন কৰি বিভিন্ন ভাষা আৰু ধৰ্মৰ খিলঞ্জীয়া বিশ্বাস আৰু কৃষ্টি সংস্কৃতি সুৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰিবলৈ সক্ষম হ'ব। অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে সন্মানীয় সদস্য ভূৱন পেগু ডাঙৰীয়াই কৈ গৈছে যে আমাৰ অসমত যিখিনি খিলঞ্জীয়া জনগোষ্ঠী আছে তেওঁলোকৰ বিশ্বাস আৰু পৰম্পৰা প্ৰকৃতিৰ সৈতে জড়িত। আজি যেতিয়া আমি বাথৌ ধৰ্মৰ কথা কব যাম যে এডাল বৃক্ষক কি ধৰণে তেওঁলোকে পূজা কৰি গোটেই পৃথিৱীখনক এটা বাৰ্তা দিছিল যে বৃক্ষ সমাজৰ কাৰণে কিমান প্ৰয়োজনীয়। মিচিং সমাজে দয়িঅ' পলো চন্দ্ৰ আৰু সূৰ্য্যক আৰধানা কৰি তেওঁলোকে সমাজক বুজাইছিল যে আমাৰ বাবে প্ৰাকৃতিক ভাৰসাম্য কিমান প্ৰয়োজনীয়। কিন্তু আটাইতকৈ ডাঙৰ কথা যেতিয়া সমাজত আধুনিকতা আহিল, যাক আমি Sanskritization Community বুলি কওঁ, তেওঁলোকৰ মন্দিৰ, খ্ৰীষ্ট্ৰিয়ান মানুহ সকলৰ গীৰ্জা, মুছলমান মানুহ সকলৰ মছজিদত, যি ধৰণে ব্যয় হ'ল, যি ধৰণে বিয়াগোম মন্দিৰ গঢ়ি উঠিল তেওঁলোকৰ লগত ধৰ্মৰ প্ৰচাৰৰ বাবে বিভিন্ন সময়ত তেওঁলোকে প্ৰফেচনেল কিছুমান নতুন management system introduce কৰিলে এই গোটেই বিলাকৰ যেতিয়া আগ্ৰাসান হ'ল তেতিয়া খিলঞ্জীয়া যিবিলাক বিশ্বাস ধৰ্ম সংস্কৃতি, সেই বিলাক লাহে লাহে লুপ্ত পাবলৈ আৰম্ভ কৰিলে। আটাইতকৈ ডাঙৰ কথা যে বহুত জনগোষ্ঠীয়ে নিজৰ ভাষাটো হেৰুৱাই পেলালে। প্ৰথমতে due to the impact of Sanskritization আৰু পিছত আমি ক'ব গলে বিভিন্ন ধৰণৰ ইংৰাজী মাধ্যমৰ স্কুল বা বিভিন্ন ধৰণৰ ব্যৱস্থা বিলাক যেতিয়া আৰম্ভ হ'ল বহুত জনগোষ্ঠীয়ে নিজৰ ভাষাটোকো হেৰুৱাই পেলাইছে। আজি যদি আমি সোনোৱাল কছাৰী লোক সকলৰ ফালে চাওঁ বা আজি আমাৰ মৰিগাওঁ জাগীৰোড অঞ্চলত বাস কৰা বহুত তিৱা লোকৰ ফালেও যদি আমি চাওঁ তেওঁলোকে লাহে লাহে নিজৰ ভাষাটো হেৰুৱাই পেলাইছে। কাৰণ আধুনিকতা আৰু নতুন ধৰণৰ জীৱন পদ্ধতিয়ে আমাৰ খিলঞ্জীয়া জাতিৰ বা জনগোষ্ঠী সমূহৰ বিশ্বাসত প্ৰচণ্ড আঘাত হানিছে। কিন্তু যদি আমি বিজ্ঞানসন্মত বিশ্লেষণ আমি এই ধৰ্মীয় বিশ্বাস বিলাকৰ আঁৰত যদি আমি চাব যাও, তেতিয়াহ'লে দেখা পাও যে These are nothing but worship of nature. আৰু যদি আমি natureক worship কৰিব শিকিলো হেঁতেন, যদি নিজক superior বুলি ভাৱি, ধৰ্মৰ কথা নকলোহেঁতেন সম্ভৱত আজি আমাৰ ইয়াতে যি বিলাক নতুনকৈ প্ৰকৃতিৰ ওপৰত প্ৰশ্ন আহিছে Carbon emission ৰ পৰা আৰম্ভ কৰি পোহৰৰ পৰা আৰম্ভ কৰি, যিমানবিলাক প্ৰদূষণৰ প্ৰশ্ন আহিছে, সেই প্ৰশ্ন বিলাক হয়তো কেতিয়াও নাহিলহেঁতেন, যদি খিলঞ্জীয়া লোক সকলে আজি নিজৰ ধৰ্মীয় বিশ্বাস ৰীতি নীতি সংস্কৃতিক সংৰক্ষণ কৰিব পাৰিলেহেঁতেন। আজি

অধ্যক্ষ মহোদয়, আমাৰ বাবে অত্যন্ত চিন্তা কৰিব লগীয়া কথা যে, মন্দিৰ এটা বনাবৰ বাবে, গীৰ্জা এটা বনাবৰ বাবে, মছজিদ এটা বনাবৰ বাবে মই সকলোৰে ওচৰত হাত পাতিব পাৰো। কিন্তু দয়িঅ'পলোৰ মন্দিৰ এটাৰ কাৰণে মিচিং সমাজে কাৰ ওচৰত হাত পাতিব? আজি বাথৌ মন্দিৰ এটা বনাবলৈ বড়ো সমাজে কাৰ ওচৰত কথা পাতিব? কাৰণ These are not global community. আজি যদি মই ইয়াতে ডাঙৰ মন্দিৰ এটা বনাব খোজো মই ভাৰতৰ বিভিন্ন ঠাইৰ পৰা দান-বৰঙণি পাম। আজি যদি মই বৌদ্ধ ধৰ্মাৱলম্বী সকলৰ বাবে বৌদ্ধি মন্দিৰ এটা বনাব খোজো, পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা পুঁজি পাম। যদি মছজিদ এটা বনাব খোজো, গীৰ্জা এটা বনাব খোজো পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা টকা নাপালেও অন্তত মানসিক সহাৰি পাম। কিন্তু মিচিং সমাজে যদি দয়িঅপলোৰ কিবা কৰিব খোজে মিচিং মানুহ কেইজনৰ বাদে দান বৰঙণি কোনে আগবঢ়াব? আজি বাথৌ মন্দিৰ এটা যদি বনাব খোজে বড়ো সমাজ global community নহয়, হ'ব পাৰে বাংলাদেশ, ভূটান ক'ৰবাত আছে কিন্তু আৰ্থিক ভাৱে সেই global community টো নহয়। তেওঁলোকে কোনটো টকা দি বনাব? আজি কোনোবাই যেতিয়া ৰংমিলিৰ হাঁহি পঢ়িছে, কাৰ্বি পাহাৰৰ পৰম্পৰা কৃষ্টি সংস্কৃতিয়ে কেনেকৈ আমাৰ গোটেই ভাৰধাৰাটোত প্ৰভাৱ পেলাইছে, আজি যেতিয়া আমি ঐনিতম তথা মিচিং সম্পদ বিলাক বিহুৰ লগত synthesis কৰিছো, আমাৰ বিহু কিমান ওপৰলৈ উঠি গৈছে, সেই মিচিং ভাষাৰ মিঠা মিঠা শব্দ বিলাক যেতিয়া আমাৰ মানুহে আহৰণ কৰি আমাৰ মুখ্য ধাৰাৰ সংস্কৃতিৰ লগত তাক synthesis কৰিছে, সি কিমান এটা সুৰীয়া আৰু এটা মিঠা ৰূপলৈ পৰিৱৰ্তিত হৈছে। আজি আমি ভাৱিছিলো যে চৰকাৰে ধৰ্মৰ কাম কৰিব পাৰে নেকি? চৰকাৰে ধৰ্মৰ কাম কৰিলে আমি চেকুলাৰৰ পৰা ওলাই যাম নেকি? অধ্যক্ষ মহোদয়, ৰাণী গাইডিনলিউ যেতিয়া জিলিয়াং ধৰ্ম নাগালেণ্ডত কৰিছিল সেইয়া ধৰ্ম নাছিল, বিশ্বাস আৰু পৰম্পৰা আছিল। আজি সেইয়া হেৰাই গৈছে। হেৰাই যোৱাৰ লগে লগে মানৱ সমাজৰ ইতিহাস এটা বিলুপ্ত হৈছে। It is not about that মোৰ ধৰ্মটো ওপৰত তেওঁৰ ধৰ্মটো তলত। আজি নাগালেণ্ডত বীৰ তিৰৎ সিং, মেঘালয়ত Rani Gaidinlu এইবিলাক কথা আমি পঢ়িছিলো আৰু শিকিছিলো। আজি যদি মই নাগালেণ্ডৰ যুৱকক সুধো যে Rani Gaidinluৰ ঘৰ ক'ত আছিল, বিশ্বাস ক'ত আছিল, পৰম্পৰা ক'ত আছিল। আজি সেই বিলাক নোহোৱা হৈছে। কিন্তু মই এজন খ্ৰীষ্টান হয়ো, হিন্দু হয়ো, মুছলমান হয়ো মোৰ পূৰ্ব্বপুৰুষৰ আচাৰ ব্যৱহাৰ ৰীতি নীতি মই আজি পালন কৰিব পাৰো। আজি কৰম পূজাঁ, চাহ বাগিছাৰ খ্ৰীষ্টান লোক এজনেও পালন কৰে, হিন্দু লোক এজনেও পালন কৰে। কাৰণ কৰম মোৰ ধৰ্মীয় বিশ্বাস আছিলে, যি মোৰ পিতৃ-মাতৃ আৰু কাকইদেউতাৰ সেয়া বিশ্বাস আছিলে। যোৱা কেইদিনমান আগত কৈছিলো আমাৰ অসমীয়া মুছলমান সমাজৰ লগত এখন মিটিঙ হৈছিলে তাত মই কৈছিলো হিন্দুৰ লগত conflict ক'ত। আপোনাৰ ককাইদেউতা হিন্দু আছিল, আপোনাৰ পূৰ্বজ হিন্দু আছিল। আজি মই আন এটা ধৰ্মত বিশ্বাস কৰিও মোৰ ককাইদেউতা আৰু মোৰ আজো-ককাইদেউতাই বিশ্বাস কৰা ধৰ্মীয় পৰম্পৰাক সমালোচনা কৰাৰ পৰিবৰ্তে তাক সংস্কৃতিলৈ পৰিবৰ্তন কৰে। কিছু কথা মোক আজিৰ ধৰ্মটোৱে বাধা দিছে, কিন্তু যিখিনি বাধা দিয়া নাই, সেই ধৰ্মীয় পৰম্পৰাক মই সংস্কৃতিলৈ পৰিবৰ্তন কৰি মই জীয়াই তুলিব পাৰো যাতে মই সমাজত পৰিচয় দিব পাৰো যে মই কোন আছিলো, ক'ৰ পৰা জন্ম হৈছিলো, ক'ত থাকিছিলো আৰু ক'ত আছো। কেতিয়াবা মানকাছাৰৰ দুই এজন মুছলিম মানুহে মোক লগ পালে কয় যে মই কোচ আছিলো। যেতিয়া বেছি প্ৰশ্ন কৰো তেওঁলোকে উত্তৰ দিব নোৱাৰা হৈ যায়, খালী কয় যে আমাৰ এই গানৰ মাজত কোচ সংস্কৃতি, ৰাজবংশীৰ কথা

সোমাই আছে। কিন্তু আজি সেইখিনিকে যদি আমি preserve কৰিলোহেতেন, এজন প্ৰকৃত ইছলাম হৈও মোৰ পূৰ্ব পুৰুষৰ পৰম্পৰাটোক মই সংৰক্ষণ কৰি কব পাৰিলো হেতেন যে মই এখন ভুমিৰে মানুহ আছিলো, মই এখন দেশৰে মানুহ, এই পৰম্পৰা, এই সংস্কৃতিৰে মই এজন উত্তৰসূৰী আছিলো। আজি আধুনিকতাই এনেকুৱা এটা পৰিৱেশ আনিছে যে কেতিয়াবা বড়ো মানুহ, কেতিয়াবা মিচিং মানুহ, তিৱা, সোণোৱাল কছাৰীৰ মানুহে আজিৰ পৰা এশ বছৰৰ পিছত কব লাগিব মোৰ কি আছিলে, মোৰ গামোছা কোনখন আছিলে। আমাৰ প্ৰদান বৰুৱাক কেতিয়াবা লগ পালে সোণোৱাল কছাৰীৰ ওপৰত বেছিকৈ প্ৰশ্ন কৰো তেতিয়া তেখেতে লাহেকৈ বেলেগ ফালে গুছি যায়, কাৰণ ক'ব নোৱাৰে। তেওঁলোকে এনেকৈ বহল সমাজৰ লগত মিলি গ'ল, নিজৰ সংস্কৃতিতো আজি বহুত পৰিমানে তেওঁলোকে কৰবাত নহয়, কৰবাত হেৰুৱাই পেলালে। আজি তিৱা মানুহবিলাক যেতিয়া লগ পাওঁ, পাহাৰৰ ওপৰত তিৱা লোকসকলে তিৱা ভাষা কয়। কিন্তু মৰিগাওঁ, জাগীৰোডত এনেকুৱা এটা নতুন প্ৰজন্ম ওলাইছে, যি প্ৰজন্মই হয়তো তিৱা ভাষা ভালকৈ কব নোৱাৰে। আজি আমি এটা কথা চাব লাগিব বড়ো জাতিৰ পৰা আমি বহু ক্ষেত্ৰত শিকিব লগীয়া আছে। আজি তেওঁলোক হিন্দু হৈছে, খ্ৰীষ্টান হৈছে, কিন্তু তেওঁলোকৰ ভাষা, সংস্কৃতি, লোক-কলা, এইবিলাক যাতে জীয়াই থাকে, ইতিহাস খন যাতে নোহোৱা হৈ নাযায়। আজি খ্ৰীষ্টান বড়ো এজনেও জানে গুৰুদেৱ কালিচৰণ ব্ৰহ্ম কোন আছিলে। ধৰ্ম মোৰ যি নহওঁক কি, কিন্তু মোৰ বিশ্বাস, মোৰ পৰম্পৰাই মোৰ পূৰ্বসকলৰ গৌৰৱময় ইতিহাসৰ কথা মনত পেলাই দিয়ে যে মই কোন আছিলো, কৰ পৰা আহিলো। আজিকালি মাজে মাজে যেতিয়া মই ইছলামধৰ্মীয় সংগঠনৰ দুই এটাক লগ পাওঁ, তেওঁলোকে মোক বুজাই যে কেনেকৈ তেওঁলোকৰ নাম NRC ত আহিব লাগে। কেনেকৈ আমি শ শ বছৰ ধৰি ভাৰতত আছিলো। কিন্তু তেখেতসকলৰ ইতিহাসতো ক'ত। ইতিহাসখন আমি নাৰাখিলো। মই cultural analysis কৰিব নাজানো, কিন্তু যদি এইটো সচাওঁ হয়, এই সচাটোকে বেক কৰিবৰ বাবে ইতিহাস ক'ত, প্ৰমানিক তথ্য ক'ত। আফগানিস্তানত যেতিয়া সেই বুদ্ধ মূৰ্ত্তিতো তালিবানি সকলে ভাঙি পেলাই দিছিলে, তেওঁলোকে ধৰ্মক পেলাই দিয়া নাছিলে, এটা ইতিহাসক পেলাই দিছিলে। Human civilization ৰ যিটো ইতিহাস তেওঁলোকে তাক আজি নষ্ট কৰি দিছিলে। they have cut prople from the root. যে তোমালোকে তোমালোকৰ ককাদেউতা কোন আছিলে পাহৰি যোৱা, তোমালোকৰ দেউতা কোন আছিলে পাহৰি যোৱা, তোমালোকে মানৱ ইতিহাসখন নতুনকৈ ৰচনা কৰা, Is it possible । মই আজিও গাঁৱত গ'লে বিচাৰো মোৰ দেউতা কোনখন স্কুলত পঢ়িছিলে, কোনখন পথাৰত খেতি কৰিছিল, এতিয়াও মোক হৃদয়ত এক নতুন আনন্দ আনি দিয়ে। এটা মই ৰোমান্স অনুভৱ কৰো যে মোৰ দেউতা এইখন স্কুলত পঢ়িছিল, মোৰ দেউতাই এইখন পথাৰত খেতি কৰিছিল। আজি আমি এই বিভাগটোৰ জৰিয়তে আমাৰ লুপ্ত হ'ব খোজা, আধুনিকতাৰ লগত ফেৰ মাৰিব নোৱাৰা, আৰ্থিকভাৱে ফেৰ মাৰিব নোৱাৰা এই জনজাতীয় লোকসকলৰ ভাষা কলা-কৃষ্টি, সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতিক আমি এটা প্ৰাণ দিব খুজিছো, এটা জীৱন্ত ৰূপ দিব খুজিছো। এই বছৰ আমি এশ কোটি টকা বাজেটত ধৰাৰ চিন্তা কৰিছো। কিন্তু মোৰ মনতো ভাল লাগিব যেতিয়া পঞ্চম বছৰত মই এই বিভাগটোত ৫শ কোটি টকা দিব পাৰিম। মই নাজানো পাৰো নে নোৱাৰো। I want to draw that line যে প্ৰতিটো বাথৌ মন্দিৰে নতুন ৰূপ পাওঁক। দনিয় পলো মন্দিৰে নতুন ৰূপ পাওঁক। প্ৰতিটো ভাষাৰ লোক সংস্কৃতিৰ অভিদান হওঁক, তেওঁলোকৰ মিঠা মিঠা গাণ বিলাক, তেওঁলোকৰ মিঠা মিঠা সংস্কৃতি বিলাক আমি জানো। যিধৰণে সন্মানীয় সদস্য ভূৱন পেগু

ডাঙৰীয়াই কলে যে এজন গাৱঁৰ মানুহ কেনেকৈ সাপ-নেউল সকলোৰে মাজত bio-diversity তো maintain কৰে। সেই সৰু - সৰু সাধু কথাবিলাক আমি জানিব লাগিব, বুজিব লাগিব। তাৰপৰা আমি যি ধৰ্মক বিশ্বাস, মই কৃষ্ণক বিশ্বাস কৰো, শিৱক বিশ্বাস কৰো, সেই বিশ্বাস মোৰ পৰিবৰ্তন নহয়। কিন্তু যেতিয়া বাথৌ, দনিয় পলো এই ধৰণৰ সংস্কৃতি আৰু বিশ্বাস বিলাকে প্ৰাণ পাব তেতিয়া বুজিম যে মোৰ অসমখনৰ ঐতিহ্য সেইয়া আছিল, মোৰ অসমৰ পৰম্পৰা সেইয়া আছিল। সেই পৰম্পৰাৰ ঐতিহ্যক লৈ আধুনিকতাত খোজ কাঢ়িম। কিন্তু আমি ভৰিৰ তলৰ মাটি অলপো এৰি নিদিম।

মাননীয় অধ্যক্ষ মহোদয়, আমি সেই কাৰণে প্ৰস্তাৱ লৈছো যে আমাৰ যি Directorate of Archaeology আছে, Directorate of Museum আছে আৰু Directorate of Historical Antiquarian Studies । এই তিনিওটা Directorate ক এই বিভাগটোৰ অধীনলৈ আনিম। Archaeology মানে কি ? Archaeology মানে যিকেইজন দেখি আছো সেই কেইজন Archaeology নহয়। আটাইতকৈ পুৰণা বাথৌ মন্দিৰতোও মোৰ বাবে Archaeology আৰু Museum মানে অকল শিলৰ কেইটামান মূৰ্ত্তি ৰাখি থোৱাতো museum নহয়। মোৰ ভাষা সংস্কৃতি গাৱঁৰ ভিতৰত যদি গছ আছিলে, যি গছডালত মোৰ দেউতা - মাই পূজা কৰিছিল, সেই গছ ডালৰ সংৰক্ষণ কৰাওঁ museum। গুৱাহাটীত এটা museum পাতি এই গছডাল কাটি আনি ৰাখি থলে সেইটো museum নহয়। য'ত গছডাল আছে তাত সংৰক্ষণ কৰাটোৱে হৈছে ডাঙৰ museum। আজি আমাৰ যেনেকৈ বৃন্দাৱনী বস্ত্ৰ লণ্ডনত ৰাখি তেওঁলোকে ভাৱে museum ৰ gravity বঢ়াইছে। সেই musuem gravity বঢ়া নাই। কাৰণ লণ্ডনৰ মানুহে বৃন্দাৱনী বস্ত্ৰ খন চাব নাজানে। কিন্তু সেই বৃন্দাৱনী বস্ত্ৰখন যদি আজি বৰপেটা সত্ৰত থাকিলেহেতেন, তেতিয়া হ'লে তাৰ ৰূপ-গুণ চাবৰ কাৰণে পৃথিৱীৰ পৰা মানুহ আহিলেহেতেন। আজি লণ্ডনৰ museum ত বৃন্দাৱনী তিনিশটা বস্তুৰ মাজত আছে। সেইটো সকলোৰে চকুত নপৰিবও পাৰে। তাৰমানে য'ৰ বস্তু তাত থাকিলেহে সংগ্ৰহ হয়। কৰবাৰ পৰা উঠাই অনা this is a western concept যে মই বৃটেইনত বহি গোটেই পৃথিৱীৰ সুখ অনুভৱ কৰিম, সেইটো সম্ভৱ নহয়। যদি অসমৰ মেখেলা-চাদৰ বা গহণা চাব খুজিছে বা বিহু চাব খুজিছে ইয়াত আহিব লাগিব। দিল্লীত বহি গহণাতো চালে তাৰ প্ৰাণবন্ত বা জীৱন্তৰূপ কেতিয়াও দেখা নাপায়। সেইটো বিহুৰ সময়ত বহাগত আহিলেহে মেখেলা চাদৰযোৰ কি বুজি পাব। জোনবিল মেলা প্ৰত্যেক বছৰে যিটো হয়, সেইটো মেলা কোনোবাই cultural stage ত সোমাই থলে বা ব্ৰিটিছ মিউজিয়ামত অভিনয় কৰিলে মই বুজি পাব নোৱাৰিম আৰু অনুভৱ কৰিব নোৱাৰিম সেই মেলাখনৰ যিটো আনন্দ সেই আনন্দটো নাপাম, কিন্তু জোনবিল মেলাতো যদি আমি সংৰক্ষণ কৰি ৰাখিব পাৰো আৰু যেতিয়া মানুহে মেলা চাব, সেইটোৱে হৈছে আমাৰ Directorate of Museum ৰ দায়িত্ব সেই বিভাগটোৱে পুৰণি সাঁচিপাত খিনি সংৰক্ষণ কৰিছিল। সাঁচিপাত সমূহ হ'ল পুৰণি সনাতন ধৰ্মৰ এটা বৈশিষ্ট। কিন্তু সনাতন হিন্দু ধৰ্ম সাঁচিপাতেৰে আৰম্ভ হোৱা নাছিল। আমাৰ জনজাতীয় ভাই-বন্ধু সকলে বহু পুৰণি লোক কলা, পৰম্পৰা, কৃষ্টি, বিশ্বাস আদি ধৰি ৰাখিছে। এই অধ্যয়ণ কেৱল ৫০০ বছৰৰ পুৰণি হ'লে নহ'ব। নৰকাসুৰ, ভগদত্ত, ভাস্কৰবৰ্মণ আদিকো এই অধ্যয়ণৰ দ্বাৰা বিচাৰি যাব লাগিব। তেতিয়াহে আমি বুজিব পাৰিম অসমখন কেনে ধৰণৰ গৌৰৱমণ্ডিত ৰাজ্য আছিল, ইয়াত কেনে ধৰণৰ সংস্কৃতি আছিল, কেনে ধৰণৰ ঐতিহ্য আছিল। এইবাৰৰ বাজেটত উক্ত বিভাগটো Create কৰাৰ লগে লগে আমাৰ অসমৰ বিভিন্ন ধৰ্ম যেনে

হিন্দু, বৌদ্ধ, জৈন, খ্ৰীষ্টানকে আদি কৰি অসমৰ জনজাতীয় লোক সকলৰ ভাষা, সাহিত্য, কৃষ্টি-সংস্কৃতি আদি ধৰি ৰখা বা সংৰক্ষণ কৰাটো আমাৰ এক জাতীয় কৰ্তব্য আৰু এই কৰ্তব্য পালন কৰাটো মই উচিত বুলি ভাৱো। আমাৰ সদনৰ মাননীয় সদস্য সকলেও এই বিভাগটো আগবঢ়ায় লৈ যোৱাৰ ক্ষেত্ৰত পৰামৰ্শ দিব বুলি মোৰ বিশ্বাস আছে। ইতিমধ্যে এই সংক্ৰন্তত মই এখন Road Map তৈয়াৰ কৰিছো আৰু আমাৰ জনজাতীয় বিধায়ক সকলৰ লগত আলোচনা কৰি ইয়াৰ ওপৰত তেখেত সকলৰো পৰামৰ্শ বিচাৰিম যাতে অসমৰ ইতিহাসত এই পৰম্পৰা সমূহ সংৰক্ষণ কৰি ৰাখিব পাৰো তেনে এটা নতুন ভাৱেৰে আগবাঢ়ি যাব বিচৰিছো আৰু তাৰ বাবে আপোনালোকৰ সহায় সহযোগীতা বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুই মাহ দহ দিনৰ অভিজ্ঞাতৰ ওপৰত ভিত্তি কৰি "শূণ্যকালীন ঘন্টা"ৰ এখন জাননীৰ ওপৰত আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো আৰু আপোনালোকে এইটো অভিযোগ হিচাপে নলব কাৰণ, মই কেৱল মোৰ মনৰ ভাৱটোহে প্ৰকাশ কৰিব বিচাৰিছো। মই কমলপুৰ মণ্ডলত থকা চক্ৰবিষয়াৰ কাৰ্যালয় এটাৰ ক থা কব বিচাৰিছো। চক্ৰবিষয়া কাৰ্যালয়ৰ মানুহখিনিৰ নামজাৰি বা পট্টা দিয়াৰ কিছু দায়িত্ব আছে। আগৰ তুলনাত অফিচবিলাক Computerised কৰি কিছু পৰিমাণে উন্নত কৰা হৈছে। কিন্তু মই দেখিবলৈ পাইছো সেই কাৰ্যালয়ৰ লোক সকলে Computerised ত কাম কৰিবলৈ নিজা ববিয়াকৈ কিছুমান ব্যক্তিক নিয়োগ কৰিছে, যাৰ বাবে সেই Computer ৰৰ Pass Word বিলাক বেলেগ মানুহৰ হাতত পৰিছে আৰু নামজাৰি বা অন্যান্য কামত অহা গাঁৱৰ হোজা- দুখীয়া মানুহখিনিক নানা ধৰণৰ অজুহাত দেখুৱাই কাম বিলাক কৰি নিদিয়ে বা অন্য দা বী আদিও কৰা দেখা যায়। মই মণ্ডল বা আন কাকো দোষ দিয়া নাই কিন্তু গাঁৱৰ থলুৱা মানুহখিনিয়ে যাতে কামকাজ বিলাক কৰোতে অসুবিধা নাপায, ন্যায্য সুবিধা লাভৰ পৰা বঞ্চিত নহয় বা মণ্ডল অফিচৰ পৰা পোনপটীয়াকৈ কৰিব পাৰে তাৰবাবে মোৰ বক্তব্যখিনি ৰাখিলো। মই মণ্ডল সকলৰ লগত আলোচনাও কৰিছো আৰু তেতিয়া তেখেত সকলে জনাইছে যে - "আমি Computerised System টো নাজানো।" এই কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী সকলে যদি Computer ব্যৱহাৰ কৰিব নাজানে, তেতিয়াহ'লে এই দালাল চক্ৰই কাম-কাজ বিলাক Misuse কৰিব পাৰে। যেনে - এজনৰ মাটি আন এজনৰ নামত Transfer কৰিব পাৰে। সেই কাৰণে মই কৈছো যে চক্ৰবিষয়াৰ কাৰ্যালয়ৰ মণ্ডল বা কাননগো বিলাকক যাতে Computer প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰে, যাতে গাঁৱৰ থলুৱা-দুখীয়া মানুহখিনিয়ে সহজে মাটি বাৰীৰ কামকাজ বিলাক Onlineৰ মাধ্যমত কৰি লব পাৰে। অৱশ্যে বৰ্তমান আমাৰ মাননীয় মুখ্যমন্ত্ৰী বা বিভাগীয় মন্ত্ৰীয়ে কিছু Circle Officer ক নতুনকৈ Appointment দিছে আৰু তেখেত সকলে Sincerely কাম কৰি আছে। কিন্তু মণ্ডল বা কাননগো সকলে Computer সম্পৰ্কীয় বহু কথাই নাজানে। সেইবাবে মই আমাৰ বিভগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰো যে আপোনালোকে এই বিভাগীয় লোক সকলক অতি সোনকালে Computer প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰক আৰু মই আশা কৰিছো মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ এটা উচিত ব্যৱস্থা লব।

**মাননীয় উপাধ্যক্ষ ঃ এতিয়া** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী যোগেন মহন (মন্ত্ৰী, ৰাজহ বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়ৰ যোগেদি জনাব বিচাৰিছো যে কমলপুৰ সমষ্টিৰ মাননীয় বিধায়ক শ্ৰী দিগন্ত কলিতাই এটা বৰ স্পৰ্শকাতৰ বিষয় উত্থাপন

কৰিছে। মণ্ডল বা কাননগো সকলে Computer ত Pass Word ব্যৱহাৰ কৰি Land Reformation System ত কিদৰে কাম কৰি আছে আৰু বিভাগে এই ক্ষেত্ৰত কি কৰি আছে সেই সম্পৰ্কে জনাব বিচাৰিছো যে অসমত সৰ্বমুঠ ২৭৫০ জন লাটমণ্ডল আৰু ২৫০ জন চৰকাৰী কাননগো আছে। আমাৰ বিভাগে মণ্ডল বা কাননগো সকলক অধিক কাৰ্যক্ষম কৰি তোলাৰ কাৰণে বহুতো ব্যৱস্থা হাতত লৈছে। আপোনালোক সকলোৱে জানে যে আমাৰ ইয়াত ১৮৮২ চনতে ঐতিহ্যমণ্ডিত Survey Settlement Office এটা আছে, য'ত ACS বিষয়া, IAS বিষয়া , মণ্ডলৰ পৰা গাওঁবুঢ়ালৈকে প্ৰশিক্ষণ দিয়া হয়। আমি তেখেত সকলক Survey Settlement Office ত Train-up কৰিছো। আমি খবৰ কৰি জানিব পাৰিছো যে কমলপুৰ ৰাজহখণ্ডত ২৯ জন লাটমণ্ডল আছে। তাৰ ২২ জনে সম্পূৰ্ণৰূপে Computer চলাব জানে। Computer চলাব নজনা বাবে বাকী কেইজনেহে আন ব্যক্তিৰ সহায় লবলাগীয়া হয়। এই সহায় লোৱা ব্যক্তি সকলেই হয়তো আমাৰ মণ্ডল সকলক Misuse কৰিব পাৰে। সেইকাৰণে এই ব্যৱস্থটো আঁতৰ কৰাৰ কাৰণে ইতিমধ্যে Circle Officer সকলক নিৰ্দেশ দিয়া হৈছে। এতিয়া কমলপুৰ Circle Office ত ৪ বজাৰ পৰা ৬ বজালৈকে এটা প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আছে। চক্ৰবিষয়াৰ কাৰ্যালয়ত Circle Officer এ নিজে কি দৰে I.D. Pass Word দিব লাগে, কেনেকৈ Upload কৰিব লাগে এই বিলাক লাটমণ্ডলৰ লগতে অন্যান্য সকলক Training দি আছে। গতিকে অতি সোনকালে এই সকল লোকে Computer ত কাম কৰিব পাৰিব। I.D. Pass Word ৰ যোগেদি কি দৰে Land Transfer কৰিব লাগে, Mutation, Sale Permission কি দৰে কৰিব লাগে এই সকলো বিলাকৰ প্ৰশিক্ষণ দি থকা হৈছে। তাৰোপৰি এই লাট মণ্ডল সকলক P.M. Kissan ৰ দায়িত্বও দিয়া হৈছে। আজিৰ তাৰিখত যিহেতুকে এই লোক সকলৰ দায়িত্ব বাঢ়িছে, গতিকে এই সমস্ত বিষয়ত লাটমণ্ডস সকল সোমাই পৰিব লাগিব আৰু আমাৰ ৰাজহ বিভাগেও A change for better tomorrow ৰ কাৰণে ILMRS (Integrated Land Record Management System) আৰু এটা DILRNS (Digital India Land Record Modernization System) আছে। ইয়াৰ যোগেদি আপোনালোকে Online System তে Mutation, Sale Permission, Land Transfer, Periodic Patta আদি বিষয় সমূহ জানিব পাৰিব। এই Update কৰোতে আমাক অলপ সময় লাগিব। প্ৰথমতে, Corruption Free কৰাৰ কাৰণে আৰু দ্বিতীয়তে Smooth and Speedy Administration দিয়াৰ কাৰণে এই সকলো বিলাক কৰা হৈছে। আজি নেট নাই , আজি তেওঁলোকে ক'ভিডত যাব লগা হ'ল । এনেধৰণৰ আজিকালি বহু কাম আহি গ'ল, বানপানীটো মণ্ডল সকল যাব লাগে, বিভিন্ন ঠাইত ধুমুহা হয়, এই সকলোখিনি গুৰু দায়িত্ব আহি গ'ল চাৰ্কোল অফিচ বিলাকত, বা মণ্ডল সকলৰ। চাৰ্কোল অফিচাৰ সকলেও মণ্ডল সকলৰ ওপৰত নিৰ্ভৰ কৰে। এই ব্যৱস্থাটো চলি আছে। গতিকে এই ক্ষেত্ৰত লাট মণ্ডল সকল এতিয়া স্মাৰ্ট হ'ব লাগিব। তাৰ কাৰণে আধুনিক যিবিলাক চিচটেম. তেওঁলোকক তাত জড়িত কৰিব লাগিব। ইয়াতে ট্ৰেনিংৰ ব্যৱস্থা আছে। চাৰ্কোল অফিচাৰ সকলকো আমি কৈছো, ডি চি সকলকো আমি কৈছো, যে এই মণ্ডল সকলক মাতি মিটিং কৰি ৰিভিউ কৰি অন্ততঃ মিনিমাম যিখিনি password ব্যৱহাৰ কৰি ৰাইজক সেৱা কৰিব লাগে, এইখিনি সেৱা কৰি তেওঁলোকক তৎপৰতাৰে কামখিনি কৰিবৰ কাৰণে আমি বিভাগীয় বিষয়া সকলক অনুমতি দিছো। এই কথাবিলাক বাতৰি কাকতটো ওলাইছে, মই এটা নিউজো পাইছিলো, কমলপুৰ ৰাজহ চক্ৰত password ব্যৱহাৰ কৰা দালাল, কৰ্মচাৰীৰ বিৰুদ্ধে সোমাইছে।

কিন্তু কোনো পথ্যে আমি দালাল চক্র আমি সোমাব দিয়া নাই, এতিয়া আমি সম্পূৰ্ণ বন্ধ কৰি দিছো, যাতে কোনো বাহিৰা মানুহে কম্পিউটাৰ চুব নোৱাৰে, অকল অফিচাৰৰ বাদে। কিছুমানে কম্পিউটাৰ চলাব নজনাৰ কাৰণে, বহু মণ্ডলো এনেকুৱা ধৰণৰ হৈ আছে, বহু পুৰণি আওঁকলীয়া নীতি নিয়মৰ অধীনত চলি থকা আছিল। তেওঁলোকে এই কম্পিউটাৰটো ভালধৰণে পৰিচালনা কৰিব নোৱাৰে কাৰণে দুই এজনৰ সহায় ল'বলগীয়া হয়, আৰু সম্পুৰ্ণ বিশ্বাসতে লয়, মই জানো। কিন্তু এতিয়া তেনেকুৱা ধৰণৰ দুৰ্নীতি কেনেবাকে যদি হৈছে আমি চাৰ্কোল অফিচাৰ সকলক ষ্ট্ৰিকলি ইনষ্ট্ৰাক্‌শ্যন দিয়া আছে, যাতে এই ক্ষেত্ৰত তেওঁ নিজে নাজানিলেও বেলেগৰ সহায় নলয় , চাৰ্কোল অফিচাৰজনে তাত সহায় কৰি দি ব। তাতে আমি এজন এটেষ্ট অফিচাৰো দিয়া আছে, এজন ফিল্ড অফিচাৰো দিয়া আছে, প্ৰতিটো চাৰ্কোলত দিজাষ্টাৰ মেনেজমেন্টৰ কামখিনি ছোৱাৰ কাৰণে, তেওঁলোকে সম্পূৰ্ণ জানে, কম্পিউটাৰ ন'লেজ আছে। তেওঁলোকৰ অফিচৰ মানুহবোৰেই যাতে কৰে বাহিৰৰ পৰা মানুহ আনি বা বন্ধু বান্ধৱকে মাতি আনিয়ে মোক এইখিনি শিকাই দিয়া, এইটো কৰিলেই তেতিয়াই খেলি-মেলিটো লাগি যায়। চাৰ্কোল অফিচত যদি অফিচৰে মানুহ থাকে, অফিচাৰ বা ফিল্ড অফিচাৰ থাকে, তেতিয়া মিচ ইউজ কৰিব নোৱাৰে। তেনেকুৱা ধৰণৰ আধুনিক চিষ্টেমত ৰাজহ বিভাগটো আমি গৈ আছো ঠিক কৰিবৰ কাৰণে। গতিকে এইখিনিৰ ক্ষেত্ৰত আমাৰ বিধায়ক সকলৰো দায়িত্ব আছে। মই ভাবো তেখেত সকলেও চাৰ্কোল অফিচত গৈ বহিব লাগে। আজিৰ তাৰিখত চাৰ্কোল অফিচ হওঁক বা ব্লক অফিচ হওঁক , পঞ্চায়ত অফিচতেই ৰাইজৰ কামবিলাক বেছিকৈ হয়। আমাৰ গৰ্ভমেন্টটো একেবাৰে গ্ৰাছৰুট কৰিব লাগে। বস্তু বিলাক চেংশ্যন হয়, স্কীম হয়, কিন্তু তলত হিতাধিকাৰী বাচনিকে আদি কৰি Emplement হওঁক। গতিকে চাৰ্কোল অফিচ বিলাক অধিক কাৰ্য্যক্ষম কৰি গঢ়ি তুলিব লাগিব। আপোনালোকে ৰিভিউ কৰোতে এই কথাবিলাক নানিব। ক'ৰবাত খেলি-মেলি পালে জনাব। তেনেকুৱা ধৰণৰ সঁচাকৈ খেলি-মেলি পাওঁ, দুৰ্নীতিৰ ক্ষেত্ৰত বা অন্যধৰণৰ ক্ষেত্ৰত, আমি লগে লগে একশ্যন ল'ম, লাটমণ্ডল হওঁক বা এনেকুৱা ধৰণৰ ধন দাবী। তেনেকৈ বিশ্বনাথৰ গহপুৰৰ এজনৰ আমি ইমিডিয়েট ভি ডি অ ফাইল চাই চাচপেন কৰিছো। এই চৰকাৰে কোনো ধৰণৰ ক ম্প্ৰমাইজ নকৰে, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এই গোটেই কথাটো ক্লিয়াৰলি কৈছে। এই ঘৰখনৰ strength এইটো। আমি মুখ্যমন্ত্ৰীৰ হাত শক্তিশালী কৰিব লাগিব বা চৰকাৰৰ হাত শক্তিশালী কৰিব লাগিব। তেতিয়াহে আমি জনসাধাৰণক অধিক সেৱা কৰিব পাৰিম, আমাৰ চৰকাৰী আঁচনি বিলাক সময়মতে ইমপ্লিমেন্ট কৰা এই গোটেই বিলাক নিৰ্ভৰ কৰে গ্ৰাছৰুট লেভেলৰ ওপৰত। এইখিনিৰ ক্ষেত্ৰত মণ্ডল সকলেই হওঁক বা অন্যান্য গাওঁবুঢ়াসকল বা চাৰ্কোল অফিচাৰ সকল, সকলোৱে ভাল ধৰণে বহি কামবিলাক আগবঢ়াই নিব লাগিব। ৰিভিউ কৰোতে যদি আমি গোটে ই কথাখিনি বুজাই দিওঁ, নিশ্চয় আমি এটা ভাল প্ৰশাসন পাম। য'ত জনসাধাৰণক সম্পুৰ্ণ সহায় কৰিব পৰা এটা বিভাগ হ'ব, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ- স্মাৰ্ট মণ্ডলটোৱে only solution। মানে স্মাৰ্টো আছে, নথকা নহয়, মোৰ সমষ্টিটো এবাৰ ধুমুহা হওঁতে এজন ব্যক্তি ঢুকাইছিলে, ১৮ ঘণ্টাৰ ভিতৰত ৪ লাখ টকাৰ চেক দিছিল। স্মাৰ্ট ব্যক্তিও আছে আপোনাৰ বিভাগতে, আৰু যিখিনিত নাই সেইখিনিত smart কৰিব লাগিব। এতিয়া কাৰ্য্যসূচী নং -২ under Rule 54 সন্মানীয় বিধায়িকা শ্ৰী মতী নন্দিতা গৰ্লোচা ।

**শ্ৰীমতী নন্দিতা গৰ্লছা (হাফলং)ঃ** Hon'ble Deputy Speaker sir, I am speaking today on the news that has been published in

"The Assam Tribune" on 26th of June as NHAI okays Rs. 1,823 crore road project in Dima Hasao. Dima Hasao is one of the three Districts that we know which is in a Hilly area and through these we had seen that NHAI has taken over the National Highway taken over since 2003. Since 2003 the road we did not find it to be in a proper condition. Now I am very happy that this crore has been sanctioned for a road which is from Nerimbanglo to Harangajao. If I give a little bit of detail of my District I will say that Harangajao is a border area of our District to South Assam. And Nerimbanglo is an area which after we cross Maibang a tunnel is there just from that till the area we are having stress kilometer of 49. In that 49 kilometer, from Jatinga to Harangajao we will get it only 19 kilometer and the remaining is of 30 kilometer. For that 30 kilometer, we need more than 2 hours to reach Haflong from that Nerimbanglo area. I would like to show that today, Deputy Speaker Sir, this is the condition of the road which we are having it right now. And this condition of the road is very surprising to see also that NHAI when they go on having it in a whole year through I see that they go on construction only in the rainy season. And once the off Season is there they just say that it will take some time and then they make it some excuses. I don't see in our District also even though there is patch of starting from Lumding till Maibang, which is a very good road we can say, one of the best road in Assam I will say that. But I don't see any plantation maintenance by this NHAI. But from starting from Guwahati if I start till the area where we have to cross till the Lumding I can see there is a plantation going on in the divider where we see the both sides of the road and then and we see a very good one. But as soon as it touches the Dima Hasao area we don't see any of the maintenance in that area. So my question to that will be before coming to that. I will also say that Dima Hasao is one of the, we can say that one of the best hotspot for tourism. But in such of

condition of road we might not be able to explain to the others also how you can go for the tourism when the communication is not very good only for small stress of land. And recently our Health Minister was also there, they also found very difficult to go to Haflong keeping that only the stress of land is not very good. At the same time when the Hon'ble Chief Justice goes to Haflong within a day the road becomes very good that for common people the road is as it is like we are finding it now. So my question to the concern department and that I suppose our Hon'ble Chief Minister will be concern on that. The construction of the road from Nerimbanglo to Harangajao is under construction which is since decade if I say since 2003 till 2021 is going to be a 20 years. And then, this decade we are not finding a road, so when, can we have a proper completion of this road and the other thing is that in such a deplorable condition which is unmotorable, can we expect some steps for the message to be taken and the other thing we have this toll gate at Manderdisa gate and we do know that people are suppress but still we take that toll can we have something on that, this is my question to the concern Department. Thank you.

**Hon'ble Deputy Speaker:** You are lucky enough that Our Hon'ble Chief Minister is here to reply you. Hon'ble Chief Minister.

**Dr. Himanta Biswa Sarma (Hon'ble Chief Minister) :** Hon'ble Deputy Speaker Sir, first of all I like to thanks our MLA from Haflong Nandita Garlossa for raising this important issue. As you know that connecting Barak Vally via Dima Hasao is a very important project which was taken up long ago but due to various reason National Highway Authority Limited is yet to complete the project , more particularly on the Street starting from Lumding to silchar. That portion has remain a challenge and National Highway Authority because of various reason morely because of the technical reason that could not complete the project. In between there was a issue, Central Government has raise that untill and unless Assam starts

Toll- Gates they will not pump more money to National Highway Authority. we could not open the Toll- Gates in last , I think that was a instruction Central Government has given to us almost five years back. So we could not open the Toll Gate because of various reason and Central Government has almost withdrawn their investment in the Highway. Their point was that if Gujrat can pay toll, Bengal can pay toll why not Assam. So they were on that point and there was a point infact Central Government has said that they will withdraw even other Grants for the construction of Roads including Central Road Fund and other Central Grants if State Government do not reopen the Toll Gate. So we dicuss the internally and we have tried to actually analyse that what will help the consumer. if you have a better road or if you have a four Lane Road than investment on Petrol, Diesel drastically comes down. But you have a Road which are not properly built than during the travel because the freequent changing of Gear exct. you have to invest more on fuel so, although Toll gate become a psychological issue end of the time if you analyse that your money actually go more if the road is not properly maintained. So we took the decision after we took the decision to reopen Toll- Plaza or align National Highway Athority to start Toll Plaza , They started reinvesting on Assam Road . I am very happy to inform you that National Highway Authority has approve a investment of Rupees One Thousand & Eight Hundred Twenty Three Crore for the space of Road basically it is about 49 K.M from Mirbunglow to Haranja. So if this 49 K.M is done then I think the Road connectivity with Borak Vally between Brahmaputra Vally and Borak Vally will be now of a different standered. now you do the first benefit analysis, there are some people who opposed Toll Plaza, now if the opposed Toll Plaza fine , but a people from Barak Vally now has to come Guwahati through Shillong - Meghalaya- Jowai. because of Rain and Strom there is a freequent blockege the Road and there are various Geographical issue . Some time Barak Vally people has to stay put in Shillong itself. They could not go to Silchar now for us it is very important that this National Highway connecting Lumding to Silchar that what we telling Mahaswarog is complete in speedly and in time.So I am very happy to inform this august House that now National Highway Authority has taken Loan from JICAA for this 49

K.M Street. And they had said that for Four K.M which is more technically challenged portion whenever you construct the Road because of erosion of the Hills on Road get road distabilise . Now NHA is going to do a Four K.M elivated Road. There is Fly Over in four K.M street so that the technicality, technical Challage as of now they are facing is can be met it. Now they have said that the Tender will be floated in 2 December, 2021 , now they are prepairing the DPR so we did investment of Rs. 1823 Crore I think finally we will get the "Mahasarog" . which was long overdue. I think I am very happy that Hon'ble MLA Nandita Garlossa has raised a very big issue but this issue is not only important for people of Dima Hasao this is also important for people of Barak Vally. I am personally following because this was a long overdew if we complete this Road , I think this can be the best gift for the people of Dima Hasao and Barak Vally from all of us. So we are working on this, attached on this because of - our now present attitude for cooperation with Central Government , Central Government has also sanctioned various Fly over. Now even in Guwahati you have seen this at Garhchuk and another area people are facing lot of trouble. And the fuel they are paying the charge of fuel, cost of fuel they are paying to reach Air Port is much more than what you are actually paying in Toll Gate. So now thay have said there will be four Fly Over on the National Highway connecting this Guwahati portion of National Highway also. NHI will build up four new Fly Over. There will be a Fly Over at Baihata Chariali also. So there will be lot of improvement which will actually make this East -West Corridoor completely moveable, transportable, and finally the dream of Bajpeeji will come into reality. That is what we are following and I would like to assure Hon'ble Members that I will keep a interest on this project and time to time I will brief all of you . If this 2000 Crore investment is actually made with the help of JICAA I think the long - dream of East- West Corridoor will come into reality. thank you.

**Hon'ble Deputy Speaker :** Thank you very much. many more Good News coming for Assam, not only Dima Haso. আমাৰ পৰৱৰ্ত্তী কাৰ্য্যসূচী নং-৩ । আণ্ডাৰ ৰুল ৩০১ মই এতিয়া আমিনুল ইছলা ডাঙৰীয়াক ক'বলৈ অনুৰোধ জনালো।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰুল ৩০১ৰ অধীনত মোক এটা গুৰুত্বপূৰ্ণ

বিষয়ৰ ওপৰত সদনত উপস্থাপন কৰিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো। বিষয়টো অতি গুৰুত্বপূৰ্ণ। শূণ্যকালীন ঘন্টাত এই বিষয়টোৰ ওপৰত মূখ্যমন্ত্ৰী ডাঙৰীয়াই কিছু কথা কৈছে। ইয়াত মুখ্যমন্ত্ৰীয়ে ডাঙৰীয়াই যিটো কথা কৈছে- অসম আৰক্ষীৰ আধুনিকীকৰণৰ বাবে যিটো পদক্ষেপ লৈছে। তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে তেখেতে কাৰ্য্যভাৰ গ্ৰহণৰ পিছতেই আৰক্ষী বিষয়াসকলৰ লগত বিভিন্ন স্তৰত তৎপৰতা আৱলম্বন কৰি অসমৰ পৰা অপৰাধ নিৰ্মূল কৰণৰ বাবে অপৰাধ মুক্ত অসম গঢ়াৰ বাবে তেখেতে যিমান পদক্ষেপ লৈছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। আৰক্ষী বিভাগৰ ক্ষেত্ৰতো আৰক্ষীৰ আধুনিকীকৰণ কৰাৰ বাবে যিটো পদক্ষেপ লৈছে এইটো অসমৰ বাবে ভাল খবৰ। অধ্যক্ষ মহোদয় বাতৰিটোত কোৱা হৈছে যে- আৰক্ষী বিভাগত যদি মেন পাৱাৰ নাথাকে আৰক্ষী আধুনিকীকৰণৰ ক্ষেত্ৰত বাধা আহিব। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিব কিমান চাব ইন্সপেক্টৰৰ পদ খালি হৈ আছে, কিমান কনিষ্টবল পদ খালী হৈ আছে, কিমান লেন্স নায়কৰ পদ খালি হৈ আছে আৰু এই খালি পদসমূহ কেনেকৈ পূৰণ কৰা হ'ব তাৰ উত্তৰো নিশ্চয় তেখেতে দিব। কিন্তু মই এটা কথা ক'ব বিচাৰিছো উপাধ্যক্ষ মহোদয়, যোৱাকালিও এই কথাটো সদনত আলোচনা হৈছিল। বহুতো গুৰুত্বপূৰ্ণ কথা কৈছিল। এই কথাটো আমিও জানো বহু আৰক্ষী বিষয়া আছে যিসকলে আন্তৰিকতা, শ্ৰদ্ধা আৰু নিষ্ঠাৰে কাম কৰে। তেওঁলোকক আমি সদায় ছেলুট দিওঁ আৰু বিপৰীত ক্ৰমে আকৌ একাংশই ক্ষমতাৰ মিছ ইউজ ও কৰে সেইটোও আছে। আমি সকলো আৰক্ষী বিষয়াক যেনেকৈ সমানে চাৰ্টিফাই কৰিব নোৱাৰো যে সকলোৱেই ভাল আন্তৰিকতাৰে কৰে, এইটোও ক'ব নোৱাৰো যে কোনেও আকৌ তেওঁলোকে ক্ষমতাৰ মিছ ইউজো নকৰে। গতিকে এই ক্ষেত্ৰত এটা মধ্যম পন্থাৰে যাব লাগে। আমিও যিটো মুখ্যমন্ত্ৰী মহোদয়ক ক'ম যে ড্ৰাগ্‌ছ মুক্ত অসম গঢ়াৰ ক্ষেত্ৰত কেনেকৈ যোৱা দুই মাহত যিটো অগ্ৰগতি, তাক আমি শলাগিবই লাগিব। মুখ্যমন্ত্ৰী মহোদয়ৰ উদ্দেশ্যক আমি সকলোৱে ধন্যবাদ জনাইছো আৰু লগতে আৰক্ষী বিষয়াসকলৰ মনোবল বৃদ্ধি কৰাটো এইটোও অতি গুৰুত্বপূৰ্ণ কথা। মনোবল বৃদ্ধি কৰিব লাগিব, মুখ্যমন্ত্ৰী মহোদয়ে যিটো কৰি আছে। আমিও তাৰ লগত একমত, পূৰ্ণ সহমত। কিন্তু এই যে এনকাউণ্টাৰ সম্পৰ্কত যিখিনি কথা আজিও মুখ্যমন্ত্ৰী মহোদয়ে শূন্যকালীন ঘণ্টাত কৈছে আৰু তাৎপৰ্য্যপূৰ্ণ কথা হ'ল যে 'মানব অধিকাৰ আয়োগ'য়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিবলগীয়া হৈছে। গোটেই বিষয়টো লৈ অসমত সাংঘাতিক এটা ৰিপাৰকেশ্যন হৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিগত দিনৰ ঘটনাক্ৰমৰ পৰা আমি যিটো বুজি পাইছো যে কৰ'বাত যদি অতি দুৰ্ধৰ্ষ অপৰাধী এনকাউণ্টাৰত মৃত্যু ও হয় বা পুলিচৰ গুলী খাবলগীয়া হয়, আমি দেখিছো ৰাইজে বেয়া নাপায়, ভালেই পায়। উদাহৰণ স্বৰূপে মুখ্যমন্ত্ৰী মহোদয়ে যিটো পাঠাৰ কথাটো ক'লে যে পাঠাক গুলী কৰা হ'ল কোনেও বেয়া পোৱা নাই। কোনোধৰণৰ তাৰ প্ৰতিক্ৰিয়া নাই, কোনেও এইটো লৈ আন্দোলন কৰা নাই। কিন্তু কৰ'বাত দেখিছো আকৌ এনকাউণ্টাৰত কাৰোবাক গুলী কৰাত সেইটো লৈ আকৌ গাঁৱৰ মানুহে প্ৰতিবাদ কৰিছে, ধৰ্ণা, সমদল তেনেকুৱাও হৈছে। তাৰ মানে এই কথাটোৰ পৰা এটা কথা প্ৰমাণ হয় যে মানুহেও কম-বেছি পৰিমাণে জানে যিকোনো মানুহ কেনেধৰণৰ কাম-কাজৰ লগত জড়িত, কোন কিমান দুধৰ্ষ, এইবিলাক অঞ্চলবাসী বা ওচৰ-চুবুৰীয়া লোকসকলে গম পায়। গতিকে তেনেকুৱা এটা মানুহ এনকাউণ্টাৰত মৰি গ'লেও মানুহে জানে যে এইটো সঁচাই বেয়া মানুহ। তেতিয়া তাৰ সপক্ষে কোনো মানুহ ওলাই নাহে। এনেকুৱাও হয়। গতিকে কথা হ'ল যে আমি আৰক্ষী বিষয়াসকলক ও দোষাৰোপ কৰিব বিচৰা নাই যে তেওঁলোকে সকলোকেইটা মিছা

এনকাউণ্টাৰ কৰিছে, সেইটোও ক'ব বিচৰা নাই আৰু এইটো চাৰ্টিফিকেটো দিব বিচৰা নাই। এনেধৰণৰ হৈছে কৰ'বাত হয়তো আমি শুনিছো কোনোবাই কৈ আছে মোজামল খান বা আন কোনোবাই কৈছে তেওঁ আত্মসমৰ্পণ কৰিছিল। আত্মসমৰ্পণ কৰাৰ পিছত এনকাউণ্টাৰত আত্মৰক্ষাৰ বাবে পুলিচক গুলিওৱা প্ৰশ্নটো নাথাকে। গতিকে যদি তেনেকুৰা ধৰণৰ কথাও হয় সেইবিলাকো এবাৰ ভালকৈ ফঁহিয়াই চাব লাগে। যিসকলে আত্মসমৰ্পণ কৰিছে তেওঁলোকক সাধাৰণতে এনকাউণ্টাৰ কৰাৰ কথাটো নাথাকে। গতিকে মুখ্যমন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যে এই ক্ষেত্ৰত যাতে আৰু অলপ কঠোৰ দৃষ্টি বা শেন দৃষ্টি ৰাখে। অপৰাধ মুক্ত অসম গঢ়াত আৰু যাতে এনেকুৰা ধৰণৰ অভিযোগ কেতিয়াও নাহে। লগতে আধুনিকীকৰণৰ ক্ষেত্ৰত আৰু এটা দাবী মই কৰিব খুজিছো উপাধ্যক্ষ মহোদয়, কেতিয়াবা আৰক্ষী বিষয়াই পাৰিলে যেতিয়া তেওঁলোকে কৰ'বাত অপৰাধী ধৰিবলৈ যায় আৰু অলপ স্বচ্ছ হ'ব যদিহে এজন কেমেৰামেন, ফটোগ্ৰাফাৰ লগত লৈ যায়। এটা পৰামৰ্শ দিব বিচাৰিছো যে, যদি সম্ভৱ হয় আৰক্ষীয়ে যেতিয়া অপৰাধীজনক ধৰে , তেতিয়া যাতে ভি ডি অ' কৰে। কেতিয়াবা দৈনন্দিন জীৱনত এনেকুৰা হয় তেওঁলোকে যদি ভি ডি অ' গ্ৰাফী কৰে তেতিয়া প্ৰমাণ থাকি যাব যে সেই মানুহজনে আৰক্ষীক গুলিয়াব ধৰিছে বা উদ্যত হৈছে প্ৰমাণটো থাকি যাব। সেই প্ৰশ্নটো অন্ততঃ নাহে। আধুনিকীকৰণৰ ক্ষেত্ৰত এনেকুৰা আৰু কিছুমান বিজ্ঞানসন্মত চিন্তা-ধাৰা আমি কৰিব পাৰো নেকি? উপাধ্যক্ষ মহোদয়, যিহেতু মন্ত্ৰী মহোদয়ে উত্তৰটো দিব মই আপোনাৰ জৰিয়তে আৰু এটা কথা ক'ব খুজিছো কিছুদিন আগৰ পৰা এনেকুৰা হ'ল যে যিসকল গো-ব্যৱসায়ী আছে, তেওঁলোকৰ পৰা আৰক্ষীয়ে গৰু বিলাক জব্দ কৰি লৈ গৈছে। আমাৰ কথা নাই। যদি কিনা-বেচাৰ যিটো existing law আছে সেই মতে কৰা নাই আৰু যিটো বিল ইণ্ট্ৰ'ডিউচ কৰা হৈছে, প্ৰায় হোৱাই নাই। নগাওঁ-মৰিগাওঁ সমষ্টিত মই এনকুৰা দেখিছো যে চৰ-চাপৰিৰ যিসকলে নিজৰ ঘৰত পাঁচটা-দহটা গৰু পালন কৰে, কোনোবাই ফোন কৰি দিয়ে যে তেওঁলোকে গৰু কিনি আছে। তেওঁলোকে কৈছে যে আমি গৰু কিনি অনা নাই। আমাৰ এইবিলাক পালন কৰা গৰু। সেইবিলাকো ধৰি লৈ গৈছে। তেওঁলোকে মোক ফোন কৰে যে চাৰ, ইমান ক'লো যে এইবিলাক আমাৰ পালন কৰা গৰু, কিনি অনা নাই আৰু এটা ঘটনা কি হয়, চৰ-চাপৰি যিহেতু তিনি-চাৰি মাহ পানীৰ তলত থাকে তাৰ যিটো লেণ্ড লেভেল তাৰ ওপৰত প্ৰায় দহ-বাৰ ফুটলৈকে পানী জমা হৈ থাকে। তাৰ গৰুবিলাক তেওঁলোকে বাম এৰিয়ালৈ লৈ আহে। মথাউৰিৰ ভিতৰত তেওঁলোকে তিনি-চাৰি মাহ তাত ৰাখে। এইটো মুখ্যমন্ত্ৰী মহোদয়ে খবৰ কৰিলে গম পাব যে চৰ-চাপৰিৰ গো পালক সকলে তিনি চাৰি মাহ তেওঁলোকে গৰু বিলাক বামলৈ লৈ আনে। চৰত বানপানী শুকাই যোৱাৰ পাছত আকৌ তেওঁলোকে গৰু বিলাক নিজৰ ঠাইলৈ লৈ যায়। এই যিমান গৰু তেওঁলোকে নাওঁত আনি আছে এই গোটেইবিলাক আৰক্ষীয়ে জব্দ কৰি লৈ গৈছে। এইবিলাক গৃহস্থৰ গৰু। গতিকে মই অনুৰোধ জনাম যে এই বিষয়টোৰ প্ৰতি যাতে দৃষ্টি ৰাখে।

**মাননীয় উপাধ্যক্ষ ঃ** Please conclude.

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Speacial cnsideration আনিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো consideration নহয়। আপুনি বেলেগ ডিভাইচত আনিব। আপোনাক সময় দিয়া হ'ব। Please sit down. Please sit down. No consider- ation.

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰফিকুল

ইছলাম ডাঙৰীয়াই কিবা এটা ক'ব খুজিছিল। কিন্তু ডিভাইচত নাই কাৰণে কথাটো অহা নাই। কিন্তু এছেম্বলী চলি থকাৰ সময়ত বহুত কেইটা আমি সুবিধা পাম আৰু আপোনাৰ প্ৰশ্নৰ নিশ্চয় মই উত্তৰ দিবলৈ যত্ন কৰিম। Let the House be in order. গতিকে আমি আজি শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াকো ক'ব নালাগে বুলি কৈছো। যি নহওঁক, As and when he will raise in zero hour we will reply মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই তেখেতে যিটো প্ৰশ্ন আনিছে বা কথা আনিছে বেচিকেলি তাৰ উত্তৰ মই বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই গৰাকীয়ে যেতিয়া প্ৰস্তাৱটো ৰেইজ কৰিছিল, অল মোষ্ট মই একেধৰণৰ উত্তৰ দিছো। কথাটো হ'ল যে আমি এটা কথা জানিব লাগিব যে ক্ৰাইম সমাজত আছে আৰু ক্ৰাইম সমাজত হৈ আছে। যদি কোনোবা বিধায়কে কয় যে মোৰ সমষ্টিত কোনো ক্ৰাইম নাই, তাত গৰু চোৰ নাই, ডকাইতিও নাই সেইটোতো আইডিয়েল অৱস্থা। কিন্তু যিহেতু আমি জানো সমাজত ক্ৰাইম আছে গতিকে ক্ৰাইমৰ ইনভেষ্টিগেশ্যন পাৰ্টটো পুলিচক দিব লাগে। আজি যদি কোনোবা গৰু চৰত আছে, বামলৈকে উঠি আহিছে পুলিচে তাক ধৰি লৈ আহিছে, Judiciary will decide পুলিচে যদি ভুল কৰিছে। কিন্তু আমি বিধায়ক, যাৰ কাম হৈছে আইন বনোৱা, আমিয়েই বনোৱা আইনখনৰ বিৰুদ্ধে যদি আমি গৈ কথা ক'ব আৰম্ভ কৰো আৰু সকলো আইনৰ যিয়ে বেচিকেলি ক্ৰাইম কৰে সকলোৰে একোটা জাষ্টিফিকেশ্যন থাকে যে মই কৰিবলগীয়া হ'ল। যদি কোনোবাই কয়, চুপ্ৰিম কোৰ্টে কৈছে যে গাড়ীত ন টনতকৈ বস্তু নুঠাব। তাৰ মানুহে ক'ব ঠিক আছে ন টনৰ বস্তু আছে, কিন্তু ন টনততো লাভ নহয়। মই কিস্তিয়েই ইমান দিব লাগে। গতিকে মই কেনেকৈ চলিম? এতিয়া এই প্ৰশ্নটো পুলিচ আৰু এনফ'ৰ্ছমেণ্ট ইঞ্চপেক্টৰে উত্তৰ দিব নোৱাৰে। চুপ্ৰিম কোৰ্ট গতিকে After hearing all parties যদি কয় যে ন টনেই উঠাব লাগে তেতিয়া ৰাস্তাৰ ট্ৰেফিক ইঞ্চপেক্টৰজনে চুপ্ৰিম কোৰ্টৰ ওপৰত গৈ তো কোনো ইণ্টাৰপ্ৰিটেশ্যন কৰিব নোৱাৰে। গতিকে কথাটো হ'ল-When a police Officer comes to know about a offence, Police officer will go and take action according to his wisdom. Now MLA,মন্ত্ৰীয়ে আমি ইয়াত একো মাতিব নোৱৰো। Under CRPC and IPC that matter will go to the Court. Court will finally say that whether it was a wrongfull prosecution or whether it was a prosecution done with honesty, and truthfulness. এতিয়া আমি যদি কওঁ এতিয়া আমি প্ৰত্যেকটো অপৰাধৰ পিছতে যদি কওঁ যে আগতে এনেকুৱা আছিল, তেনেকুৱা আছিল, তেতিয়া সেই অপৰাধীসকলৰ মনত এটা ধাৰণাৰ সৃষ্টি হ'ব যে, তেওঁলোকে যদি স্থানীয় বিধায়কৰ ওচৰত গৈ মিছাকৈ কান্দি দিয়ে, তেন্তে তেওঁৰ অন্তৰখন গলি যাব আৰু এনেধৰণৰ position এটা ল'ব। গতিকে, অপৰাধৰ বিৰুদ্ধে যদি শূণ্য সহনশীলতাৰ কথা নকয়, তেন্তে সেই অপৰাধৰ বলি কাইলৈ মোৰ ল'ৰা-ছোৱালীও হ'ব পাৰে। যেতিয়া ধৰ্ষণ হয়, সেই ধৰ্ষিতা ছোৱালীজনীক মোৰ ছোৱালী বুলি ভাৱিব পৰা ক্ষমতা মোক লাগিব। আজি জালুকবাৰী, ধিং, ৰূপহীত অপৰাধ নোহোৱা বুলি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। গতিকে অপৰাধ হ'লে পুলিচক তেওঁলোকৰ কাম কৰিবলৈ দিয়ক। এনেধৰণৰ justifying কথা যদি আমি কওঁ যেনে আমাৰ ওচৰত কোনোবাই কান্দিলে আৰু আমাৰ মনটো গলি গ'ল বা টি.ভি. ষ্টুডিঅ'ত গৈ আলোচনা কৰিলো ইত্যাদিবোৰ আমাৰ কাম নহয়। মই কোৱাৰ বাবে মোক সেইদিনাখন দুই-এজনে বেয়া পাইছে। কোনোবা বিধায়কে যদি এজন কৰ্মচাৰীক গৈ কয় যে আপুনি ১০ বজাত আহিব লাগিব,

১২ বজাত আহিব  লাগিব, এইবোৰ কথা কোৰাটো আমাৰ কাম নহয়। আকৌ,  মিউনিচিপালটি ব'ৰ্ডৰ কিমান টেক্স উঠিছে, কিমান টেক্স উঠা নাই, সেইবোৰ জানিবলৈ যদি ৰেজিষ্টাৰ বহী চোৱা আৰম্ভ কৰে, সেইবোৰ এগৰাকী বিধায়কৰ কাম নেকি? বিধায়ক পদৰ এক গৰিমা আছে। এখন থানাৰ O.C., S.I.এ কি কৰিছে, কি কৰা নাই, সেইয়া আমি বিধান সভাত ক'ম নেকি? ইয়াৰ বাবে  চৰকাৰে judiciaryক ইমান পুঁজি দিছে, কোৰ্ট পাতিছে আৰু এইবোৰ চোৱাৰ দায়িত্ব judiciaryৰ। Now-a-days, we have a tendency that an MLA wants to encroach the space of judiciary and executive. আমাৰ বিষয়াসকলে বিধান সভাত আহি বুজাই দিয়ে যে এইটো আইন ভুল হৈছে। আকৌ, Legislature এ Judiciary ৰ ওপৰত কথা ক'ব আৰু Judiciary এ Legislature ৰ ওপৰত কথা ক'ব। এনেধৰণৰ কথাবোৰ নহ'ব । কিয়নো সকলোকে তেওঁলোকৰ ক্ষমতাবোৰ define কৰি দিয়া হৈছে। পুলিচে ভুল কৰিলে সেইয়া Judiciary এ চাব। বিধায়ক হিচাপে আপোনালোকৰ কিবা specific caseত যদি কিবা  issue আছে বা যদি ভাবে যে ক'ৰবাত অন্যায় হৈছে, তেন্তে আপোনালোকে প্ৰশ্ন আনিব পাৰে আৰু ইয়াৰ উত্তৰ মই দিম। আমি সাধাৰণভাৱে যদি ক'বলৈ আৰম্ভ কৰোঁ যে এইটো গৰু চৰতে আছিল আৰু তাক পুলিচে লৈ গ'ল, তেতিয়া statement টোৱেই general হৈ গ'ল। ভৱিষ্যতে পুলিচজনে গৰুটো ধৰাৰ আগতে ভাবিব যে মই যদি গৰুটো ধৰি আনো, আকৌ বিধায়কগৰাকীয়ে যদি বিধান সভাত গৈ গৰুটো অমুকৰ পৰা তমুকৰ পৰা অনা বুলি কয়। কাৰণ পুলিচ এগৰাকীয়ে এই বিষয়ে আপোনাক স্পষ্টীকৰণ  দিবলৈ নাহে। পুলিচে গ্ৰেপ্তাৰ কৰিলে অপৰাধীৰ পৰিয়াল বিধায়কৰ ঘৰ আহি ওলায় আৰু প্ৰত্যেক গৰাকী অপৰাধীৰ পৰিয়ালে তেওঁক নিৰপৰাধী বুলিয়েই কয়। মোৰ ওচৰতো আহি কান্দে আৰু এনেদৰে কান্দে যে মোৰ এনেকুৱা লাগে পুলিচে যেন ভুলক্ৰমেহে মানুহজনক লৈ গ'ল নেকি? কিন্তু, সেই মানুহজনৰ ওপৰত কোৰ্টে judgement দিয়াৰ পিছতহে গম পাওঁ যে তেওঁৰ বিৰুদ্ধে বিভিন্ন প্ৰমাণ আছিল। কাৰণ অপৰাধীজনে বিধায়কৰ আগত তেওঁৰ বিৰুদ্ধে থকা অপৰাধৰ কথা কেতিয়াও নকয় বা স্বীকাৰ নকৰে। সেইকাৰণে আমাৰ সৰলতা আৰু মানুহৰ কাম কৰাৰ যি প্ৰাকৃতিক প্ৰৱণতা, সেইটোৰ অপব্যৱহাৰ হ'ব দিব নালাগে। আমিনুল ইছলাম ডাঙৰীয়া, পুলিচে ভুল কৰা বুলি যদি আপোনাৰ ওচৰত বিশেষ তথ্য আছে, তেন্তে সেইটো আপুনি শূণ্যকালীন ঘণ্টাত বা প্ৰশ্নকালীন ঘণ্টাত উত্থাপন কৰক। তাৰ মই উত্তৰ দিম। ধিঙত, ৰূপহীত কোনো গৰু চোৰ নাই বুলি যদি generalize statement দিয়ে তেন্তে নহ'ব। কোনটো সমষ্টিত চুৰি নাই? আমাৰ বিধায়কগৰাকীৰ মতে, ধিং আৰু  ৰূপহীত মহাত্মা গান্ধীৰ এখন আশ্ৰম আছিল আৰু তাৰ সকলো লোক গান্ধীজীৰ আদৰ্শ মতে চলে আৰু তাত কোনো ধৰণৰ অপৰাধ নহয়। এইটো হ'বই নোৱাৰে। মোৰ সমষ্টি জালুকবাৰীত মহাত্মা গান্ধী আহি গৈছে, তাৰ পিছতো তাত অপৰাধ হয়। অপৰাধ নহ'লেতো পুলিচ থানাৰ প্ৰয়োজনেই নাছিল। গতিকে, আপোনালোকে যদি specific caseত ভাবে যে there is a high handedness, পুলিচে ভুল কৰিছে বা বেয়া কৰিছে, তেনেহ'লে কেচ নম্বৰ সহকাৰে আপোনালোকে প্ৰশ্ন আনক, মই উত্তৰ দিম। আপোনালোকে যদি কৈ থাকে ই বামত থাকে, ই খালত থাকে, পাহাৰত থাকে, পৰ্বতত থাকে- এনেদৰে generalize কৰি ক'লে নহ'ব আৰু যদি এনেকুৱাই হয় তেন্তে ধিং, ৰূপহীৰ পৰা আৰক্ষী থানাবোৰ উঠাই দিওঁ। আপোনাৰ মতে তাত যিহেতু অপৰাধেই নাই, তেন্তে থানাৰো প্ৰয়োজন নাই। ধিঙৰ পৰা বহু মানুহে  মোক এচ.এম.এচ কৰে। যোৱাকালি মোক এগৰাকী সংবাদদাতাই কৈছে যে কেইদিনমান আগত  ধিঙত এজন মানুহক পুলিচে encounter

কৰিছিল আৰু সেই encounter ত তেওঁৰ মৃত্যু হৈছে। এই সম্পৰ্কত যদি প্ৰশ্ন সোধা হ'লহেঁতেন, তেন্তে মই উত্তৰ দিলোহেঁতেন। কিন্তু, যোৱাকালি এজন ব্যক্তিয়ে মোক ফোন কৰি জনালে যে তেওঁৰ ঘৰত এজন দেউতাকে আহি কৈছিল যে তেওঁ লোকৰ ঘৰত এজন মানুহ সোমাই তেওঁলোকৰ ৭ নে ৯ বছৰীয়া ছোৱালীজনীক অত্যাচাৰ কৰিছিল আৰু পিছত সেই ছোৱালীজনী মৰি থাকিল। ছোৱালীজনীও একে মুছলমান সম্প্ৰদায়ৰে আছিল। যি গৰাকী ব্যক্তিৰ বাবে আমাৰ সন্মানীয় সদস্য ইছলাম ডাঙৰীয়াই এই কেইদিনমান কষ্ট পাই আছে, তেওঁক টি.ভি.তো মই দেখিবলৈ পাই আছো, সেই ব্যক্তিজন ধিং সমষ্টিৰ। আকৌ, যোৱাকালি টি.ভি.ৰ কোনোবা এটা চেনেলত ওলাই যি ভুক্তভোগী ছোৱালীজনীৰ দেউতাকে এই সকলো কথা কৈ আছিল, তেখেতো আপোনাৰ সমষ্টিৰে। বিধায়ক এগৰাকী দুৰ্বল মানুহৰ লগত থিয় হ'বলৈ শিকিব লাগিব। When your sympathy lies with the poor and downtrodden, that sympathy is not a misplaced sympathy. পৃথিৱীত বহুত মানুহ অনাহাৰত মৰিছে, বিভিন্ন ধৰণৰ ঘটনা ঘটি আছে, কিন্তু আমি এই কেইদিনমান সদনত এনে পৰিস্থিতিৰ সৃষ্টি কৰি দিলো যে সেই গৰু চোৰ বা ড্ৰাগ্‌ছ বেপাৰী কেইটাইহে যেন অসমত সমস্যাৰ সৃষ্টি কৰি আছে। এতিয়া যেন ড্ৰাগ্‌ছ বিক্ৰী কৰাটো, গৰুৰ চোৰাং ব্যৱসায় কৰাটো সমস্যা নহয়। মানৱ দেহ সৰবৰাহ যেন এতিয়া সমস্যা নহয়। পুলিচে কিয় মানুহখিনিক গ্ৰেপ্তাৰ কৰিছে, সেইবোৰ এতিয়া ডাঙৰ প্ৰশ্ন হৈ উঠিছে আৰু যদি এনে হয়, তেনেহ'লে আমি ইয়াৰ পিছৰ পৰা অপৰাধীক দোচা, অমলেট খুৱাই থানাত লৈ আহিব লাগিব। গতিকে মই জ্যেষ্ঠ আমিনুল ইছলাম ডাঙৰীয়াক কৈছো যে ধিং সমষ্টিত অপৰাধ বন্ধ কৰিব লাগিব আৰু অপৰাধ ৰোধ কৰিবৰ কাৰণেই মই তাত অতি বেছি কঠোৰ হ'বলৈ কৈছো। তাত মই দুই-এটা platoon বেছিকৈ দিম। ধিঙত গৰু চোৰ, হত্যা একেবাৰে বন্ধ হ'ব লাগিব, যিহেতুকে মই আপোনাক বহুত ভাল পাওঁ গতিকে গৃহ মন্ত্ৰী হিচাপে law and order ৰ ফালৰ পৰা আপোনাৰ সমষ্টিক মোৰ সমষ্টিতকৈও যদি ভাল কৰিব পাৰো তেন্তে মোৰ বহুত ভাল লাগিব।

পুলিচৰ আধুনিকীকৰণৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে অসম পুলিচত Investigation Wing সফল হোৱাৰ বাবে আমি বহুতখিনি চেষ্টা কৰিছো। Encounter, গুলী-বাৰুদেই মূল কাম নহয়। প্ৰকৃত বিচাৰ আদালতত হ'ব লাগিব। এইবাৰ আমি অসমত ১০টা Commando Battalion কৰিম। তেওঁলোকক আমাৰ সীমান্ত অঞ্চলৰ লগতে specific area বোৰত ৰাখিম with some operational mandate যাতে কাম কৰিব পাৰে, কেচ ৰেজিষ্টাৰ কৰিব পাৰে। প্ৰত্যেকটো বেটেলিয়নক আমি থানালৈ ৰূপান্তৰ কৰি ৰাখি দিম। অৰুণাচল-নাগালেণ্ড সীমান্তত যি সকল বেটেলিয়ন মোতায়েন কৰা হ'ব তেওঁলোকে কিবা অপৰাধ দেখিলেই সেইটো ৰেজিষ্টাৰ কৰাৰো সুবিধা থাকিব। Normal বেটেলিয়নতকৈ এই সকল বেটেলিয়নক আমি বেলেগ ধৰণে গঢ়ি তুলিম যাক আমি সংকটপূৰ্ণ ঠাইত মোতায়েন কৰিম। ধৰি লওঁক মানকাছাৰত মোতায়েন কৰিলে তেওঁলোকে বাংলাদেশ সীমান্ত চাব পাৰিব, অসমৰ সীমান্ত চোৱাৰ বাবে অৰুণাচল, মিজোৰাম, মেঘালয়, নাগালেণ্ডত থাকিব যাতে আন্তঃৰাজ্যিক অপৰাধবোৰো সংঘটিত হ'ব নোৱাৰে। এনে ধৰণৰ দহটা বেটেলিয়ন আমি কৰিব বিচাৰিছো। যোৱাকালি মই এটা নিৰ্দেশ দিছো যে অসম পুলিচৰ ৬০ৰ পৰা ৬৫ বছৰ বয়সৰ ভিতৰত যিমানখিনি অৱসৰপ্ৰাপ্ত S.I. আছিল, সকলোকে আকৌ চাকৰিত ঘূৰাই অনা হওঁক। তেওঁলোকে আন duty কৰিব নালাগে, আমাৰ যিমান খিনি pending case আছে, সেইবোৰ চাই Charge sheet দিয়ক। দিশপুৰ থানাত এতিয়া পৰ্য্যন্ত ১৩ হাজাৰ কেচ pending হৈ পৰি আছে তাৰে ৪ হাজাৰেই আমাৰ দল-সংগঠনৰ বিৰুদ্ধে।

জনতা ভৱনত ধৰ্মঘট কৰিবলৈ আহোতে ১৪৪ ধাৰা ভংগ হোৱা বুলি তেওঁলোকৰ ওপৰত কেচ ৰেজিষ্টাৰ কৰি থৈ দিয়ে। কিন্তু, তাৰ final report কেতিয়াও নিদিয়ে। গতিকে, এই কেচবোৰ এটা এটাকৈ পৰীক্ষা কৰি নোহোৱা কৰিব লাগে। আনহাতে, আমাৰ থানাবোৰত পুলিচে ২৪ ঘণ্টাই duty কৰে বাবে তেওঁলোকৰ মানসিকতাবোৰত কোনোবাখিনিত human side টো নোহোৱা হৈ যায়। I do agree, এনেকুৱা নহয় যে মই বুজি নাপাওঁ। মানুহে যদি টোপনি মাৰিব নোৱাৰে তেন্তে মানুহজন নিশ্চয় irritate হৈ যাব। আমাৰ বেটেলিয়ন বিলাকত যিবিলাক ল'ৰা আছিল আমি সিহঁতক এটা ছুটী দিওঁ। সেই ছুটীটো যদি তেওঁলোকে নলয় তেতিয়া retirement ৰ সময়ত তেওঁলোকে ৩০০ দিনৰ দৰমহা পায়। Earned Leaved can be encashed at the time of retirement.সেইকাৰণে তেওঁলোকে এই earned leave টো নলয়। তাৰফলত সেই ল'ৰা বিলাকে নিজৰ পিতৃ-মাতৃক লগ কৰিব নোৱাৰে, পৰিবাৰৰ লগত থাকিব নোৱাৰে। গতিকে তেনেকুৱা হ'লে এটা সময়ত তেওঁৰ কলিজাখন শিল হৈ যাব নে নাই? গতিকে আমি এটা সিদ্ধান্ত লৈছো যে সকলো বেটেলিয়নৰ লৰাক আমি এমাহৰ ছুটি দিম আৰু দৰমহাটোও দি থাকিম যাতে তেওঁলোকে নিজৰ পিতৃ-মাতৃৰ লগত সময় কটাব পাৰে আৰু যাতে they can develop human side. আমাৰ চৰকাৰে ইতিমধ্যে order কৰিলো। Compulsorily এমাহ সময় নিজৰ পিতৃ-মাতৃৰ লগত থাকিব লাগিব। মাত্ৰ যিসকলৰ বেটেলিয়নৰ ভিতৰতে quarter আছে তেওঁলোকক আমি ১০ দিন সময় দিম যাতে তেওঁলোকে সেই কেইদিন নিজৰ পিতৃ-মাতৃৰ লগত কটাব পাৰে অন্যথাতো তেওঁলোকে নিজৰ পৰিবাৰৰ লগত থাকেই।

ইয়াৰ উপৰিও পুলিচৰ duty টো আমি ৮ ঘন্টা shift কৰিব বিচাৰিছো। ৮x৩ = ২৪ ঘন্টা, মানে তিনিটা shift হ'ব। OC জন ৰাতিপুৱা আহিলে, 2nd SI জনে ৰাতি চালে আৰু আনটো part 1st SI জনে চালে। তাৰবাবে আমি বহুত force create কৰিব লাগিব। আমি পৰ্য্যয়িক্ৰমে এইবোৰ কৰিব লাগিব। কিন্তু ideaily ২৪ ঘন্টা নহ'লেও এইবাৰ মই ১২ ঘন্টাকৈ কৰিলো আৰু অহাবাৰ ৮ ঘন্টা কৰিম। এইধৰণে আমি আগুৱাই যাব খুজিছো। গতিকে পুলিচ বিভাগৰ ওপৰত বহুখিনি কাম অহা ডেৰ বছৰৰ ভিতৰত হ'ব। Investigation Wing টো আমি বেলেগ কৰিব খুজিছো। Law & order manage কৰা OC জনে যেনেকৈ আজি আমাৰ Assembly চলি থকাৰ সময়ত গোটেই দিছপুৰ থানাখনৰ পুলিচেই ইয়াত বহি আছে, গতিকে এই সময়ত যদি কোনোবা এজনে সেই থানাত কিবা case দিবলৈ যায়, তাত কোনো case লোৱা মানুহ নাই। তেতিয়া হয়তো কোনোবাই খঙত Facebook বা Media ত দি দিব পাৰে যে থানাখনত কোনো মানুহ নাই বুলি। আমি যিহেতু ইয়াত বহি আছো OC জনতো ইয়াত থাকিবই লাগিব। কৰবাত MLA, Governor বা Chief Minister যদি যায়, OC জনতো লগত থাকিবই লাগে। সেইকাৰণে আমি ভাৱিছো, কিমানদূৰ সফল হ'ব পাৰো সেইটো মইও নাজনো কিন্তু Crime investigation will be different and Law & order will be different. এখন থানাত যাতে দুয়োটা Wing থাকে। এইধৰণৰ ideal position ত আমি যাব বিচাৰিছো।

এতিয়া থানাত গোঁহালিৰ কথা ওলাইছে। আমি এতিয়া মৈয়ত্ৰীৰ অধীনত ৩১৯ টা থানা বনাব খুজিছো। তাৰে ৭৮ খন বনোৱা হ'ল আৰু ৪২ টাৰ কাম চলি আছে। মই অহা দুমাহৰ ভিতৰত গোটেই কেইটা থানা একেলগে sanction কৰি দিম। যি আছে existing থানা, গোটেইখিনি যাতে ভাল কৰি হৈ যায়। তেতিয়া আৰু এই প্ৰশ্নটো নাথাকিব। এতিয়া গৰুবিলাক

আনি ক'ত ৰাখিম সেইটো এটা সমস্যা। চাহ বাগিছাত গৰুৰ গোৱৰে বাগিছাৰ উৰ্বৰতা বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰে, সেইকাৰণে আমি ভাৱিছো আৰু যিহেতু মাটিও আছে সেয়েহে এইবাৰ আমি প্ৰত্যেকখন চাহ বাগিছাত এখন এখন গো-শালা বনাম। ৰাখিবৰ কাৰণে আমি পইচাও দিম যাতে এই গৰুবোৰে organic farming ত সহায় কৰে। মই বিত্তমন্ত্ৰী ডাঙৰীয়ানীকো কৈছো যে check sort ত artificial insemination কৰক। তেতিয়া মতা গৰু জন্ম নহ'ব, অকল গাই জন্ম হ'ব। যেতিয়া মতা গৰু এটা জন্ম হয়, তেতিয়া মানুহৰ মনোভাৱ হয় যে গৰুটোৱে যিহেতু গাখীৰ নিদিয়ে তাক কচাইখানাত দি দিয়া হওক। আমিও গৰুবিলাক খানাপাৰাত দি দিওঁ। তাৰপৰা গৰুবিলাক ক'ত পঠাই দিয়ে সেইটো আমি জানো যদিও নাজানাৰ ভাও ধৰো। আগতে কেতিয়াও মতা গৰুৰ ওপৰত আলোচনা হোৱা নাছিলে। আপোনালোকে যদি হিন্দু পৌৰাণিক কথাবিলাক চায় তাত সকলোতে গাইৰ কথাহে উল্লেখ কৰা দেখিব, কামধেণু আদিৰ দৰে গাইৰ বিভিন্ন বৰ্ণনা আছে গাখীৰৰ লগত সংগতি ৰাখি। আগৰ দিনত নিশ্চয় এনেকুৱা কিবা এটা আছিল য'ত সমাজত গাইৰ সংখ্যা বেছি আছিল। যদি মই এতিয়া কওঁ যে আগত কিবা কৰিছিল বুলি তেতিয়া National Media ত আহি যাব, মহাভাৰত কথা ক'লে, ৰামায়ণৰ কথা ক'লে ইত্যাদি। মই বিজ্ঞানৰ পৰা আঁতৰি যাব খোজা নাই। কাৰণ পৌৰাণিক কথাত বলধ গৰুৰ কথা আমি নুশুনো। কেইদিনমান আগতে মোক Veterinary Department য়ে ক'লে যে যদি আমি check sorted artificial insemination কৰিব পাৰো তেতিয়া ১০-২০ বছৰৰ পাছত এনেকুৱা এটা সময় আহিব যেতিয়া গোটেই breed বিলাক গাই হৈ যাব। বলধ গৰু নাথাকিবই। আমি এইবিলাকো কৰিব লাগিব। নহ'লে গৰুবিলাক থানাত দুদিনমান ৰাখি আকৌ এইবাৰ OC য়ে বিক্ৰী কৰি দিয়ে। আমাৰ এই সমূহ সমস্যা আছে। সমস্যাটো দেখি আমি পলাবতো নোৱাৰো। আমি পৰ্বতখন দেখুৱাই দিলেতো নহ'ব, পৰ্বতখন পাৰ হ'ব শিকিব লাগিব। মানুহ যদি এভাৰেষ্টতো বগাব পাৰিছে আমি কিয় নোৱাৰিম? গতিকে that is the way forward. মই আমিনুল ইছলাম ডাঙৰীয়াক আশ্বাস দিছো যে আনন্দ মিশ্ৰ ডাঙৰীয়া ধিঙত বেছিকৈ যাব আৰু ধিং আমি crimeless কৰি দিম দুই তিনি বছৰৰ ভিতৰত।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী প্ৰমোদ বৰঠাকুৰ।

**শ্ৰী প্ৰমোদ বৰঠাকুৰ (বিশ্বনাথ) ঃ** মই মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো। আপুনি ৩০১ নং নিয়ম অনুসৰি এই বিশেষ বিষয়টো উত্থাপন কৰিব দিয়াৰ বাবে। বিশ্বনাথ সমষ্টিৰ লগতে এই জিলাৰ গহপুৰ, বিহালী আদি সমষ্টিত বহু জনজাতীয় লোক আৰু আদিবাসী লোক বহু বছৰৰ পৰাই বাস কৰি আছে। এই লোকসকলে ভূমিপট্টা পোৱা নাই। এই সমস্যাৰ বিষয়ে এই লোক সকলে মোক বহুদিন আগৰে পৰাই কৈ আছিল। আজি বিষয়টো সদনত মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মহোদয়, যদিও এই লোকসকলে বহু বছৰৰ পৰা তাত বসবাস কৰি আছে, এতিয়ালৈকে তেওঁলোকে কোনোধৰণৰ চৰকাৰী আঁচনিৰ সুবিধা ল'ব পৰা নাই। উদাহৰণস্বৰূপে মই কেইটামান বিষয় আপোনালোকৰ আগত ক'ব বিচাৰিছো। যেনে- যিহেতু ভূমি পট্টা নাই বিশেষকৈ বড়ো, গাৰো, আদিবাসী সকলে কোনো বেঙ্কৰ ঋণ বা সহায় পাবলৈ সক্ষম হোৱা নাই। দ্বিতীয়তে, আমাৰ কেন্দ্ৰীয় চৰকাৰৰ যি আঁচনি আছে PM Kisan এই আঁচনিৰ জৰিয়তেও তেওঁলোক লাভান্বিত হ'ব পৰা নাই। তেখেতসকলে PMAY ৰ ঘৰ পালেও BDO সকলে তেওঁলোকক গৃহ নিৰ্মাণ কৰিব দিব পৰা নাই যিহেতু তেওঁলোকৰ হাতত ভূমিপট্টা নাই। বৈদ্যুতিকৰণ হোৱা নাই। যি দুই এখন গাওঁত বৈদ্যুতিকৰণ হৈছে তাত

বিদ্যুৎ জ্বলাবৰ বাবে অনুমতি দিয়া নাই। এই লোকসকলক চৰকাৰী চাকৰি, শিক্ষা-দীক্ষা আদিৰ বাবে PRC ৰ প্ৰয়োজন। তেখেতসকলে PRC ৰ কাৰণে Circle Office ত গলেও সেয়া পাবলৈ সক্ষম নহয়। গতিকে মই মাননীয় অধ্যক্ষৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰীক বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ অনুৰোধ কৰিছো আৰু তাৰ সমাধান সূত্ৰ উলিয়াওক। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটি অতি সময় সাপেক্ষ প্ৰশ্ন ৩০১ ৰ জৰিয়তে আনিছে। চৰকাৰে ইতিমধ্যে জনজাতি হওক বা অ-জনজাতি হওক, অসমত থকা সকলো খিলঞ্জীয়া মানুহক যোৱা চৰকাৰৰ পৰাই মাটিৰ পট্টা দিয়াৰ প্ৰক্ৰিয়া খুৱ খৰতকীয়াকৈ আৰম্ভ কৰিছো। যোৱা চৰকাৰৰ দিনতেই আমি প্ৰায় ৩ লাখ ৬৫ হাজাৰ লোকক ভূমিপট্টা প্ৰদান কৰিছো। এইটো আমাৰ বিভাগৰ কাৰণে এক ঐতিহাসিক সিদ্ধান্ত আছিল। আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়া আহি ঐতিহাসিক শিৱসাগৰ জিলাৰ প্ৰায় ১ লাখ ১২ হাজাৰ খিলঞ্জীয়া ভূমিহীন লোকক ভূমি পট্টা প্ৰদান কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। গতিকে এইবাৰো যিমানখিনি থাকি গ'ল সকলোকে পট্টা দিয়াৰ এই প্ৰক্ৰিয়া চলি থাকিব। আপোনালোক সকলোৱে জানে যে Government is a continuous process গতিকে আমি ইতিমধ্যে বহু tribal belts and blocks আমি সংৰক্ষিত কৰিব লাগিব। আমি এই tribal belts and blocks ত আজি শদিয়াত যিসকল non protected আছিল তেওঁলোককো আমি protected class কৰিবৰ কাৰণে এইবাৰ আমাৰ চৰকাৰে এটা ঐতিহাসিক সিদ্ধান্ত লৈছো। তাত আহোম, চুতীয়া, মটক, মৰাণ, গোৰ্খা তেওঁলোককো এইবাৰ ভূমিপট্টা প্ৰদান কৰা হ'ব। আজি ৭০-৮০ বছৰ ধৰি বসবাস কৰি থকা সেইসকল মানুহ ভূমিপট্টাৰ পৰা বঞ্চিত আছিল। সেই সকলেও এতিয়া ভূমি পট্টা পাব। আজিৰ তাৰিখত ভমিপট্টাখন কিমান গুৰুত্বপূৰ্ণ আমি সকলোৱে জানো। সকলো চৰকাৰী আঁচনি পাবলৈ হ'লে এই পট্টাখনৰ জৰিয়তেই তেওঁলোকে বেংক একাউণ্ট খুলিব পাৰিব, পি এম ওৱাইৰ ঘৰ, এগ্ৰিকালচাৰৰ যি পি এম কিষান আদি আঁচনি বিলাকত অন্তৰ্ভুক্ত হ'বৰ বাবে এই পট্টাখন খুবেই প্ৰয়োজন। ল'ৰা-ছোৱালীৰ এডমিশ্যন, ৰেচন কাৰ্ড আডিৰ ক্ষেত্ৰত এই পট্টাখনৰ প্ৰয়োজন আছে। গতিকে এইবিলাক ক্ষেত্ৰত সহানুভূতিৰে কাম খিনি কৰিবলৈ চৰকাৰে বিবেচনা কৰি আছে। আমাৰ চৰকাৰখন গঠন হোৱাৰ দুমাহ হৈছে মাত্ৰ গতিকে ক'ভিডৰ পৰিস্থিতি অলপ পাতল হোৱাৰ লগে লগে আমি এই গোটেই প্ৰক্ৰিয়াখিনি ৰাজহ বিভাগৰ পৰা আৰম্ভ কৰিম। ক'ৰবাত যদি belts and blocks creat কৰিব লগা আছে সেইবিষয়েও আমাৰ চৰকাৰে চিন্তা-চৰ্চা কৰি আছে। চৰকাৰৰ belts and blocks protected যিখন ৰুলচ্ আছে সেইখন অনুসৰণ কৰিব লাগিব। ১৮৮৬ চনৰ এখন আইন আছে আৰু ২০১৯ চনৰ এখন পলিচি এই দুয়োখনৰ যোগেদি আমি মাটিৰ পট্টা দিয়াৰ কামটো চলাই আছো। এই মাটিৰ পট্টা দিয়াটো চৰকাৰৰ এটা দায়িত্ব। মাটিৰ পট্টা দিয়াৰ পিছত তেওঁৰ ভেঁটি থাকিব আৰু তাৰ পিছত জাতি অৰ্থাৎ এই জাতি-মাটি-ভেঁটি ৰক্ষাৰ বাবে চৰকাৰ সম্পূৰ্ণ দায়বদ্ধ। অসমৰ অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে আমি প্ৰথমতে অসমত বসবাস কৰা মানুহে, খিলঞ্জীয়া মানুহে মাটিৰ অধিকাৰ পাব লাগিব। গতিকে পূৰ্বৰ দিনত যিখিনি কথা চিন্তা কৰা নাছিল সেই কথাখিনি আমি দায়িত্ব সহকাৰে বিবেচনা কৰিছো মাত্ৰ আইন, ৰুলচ্-ৰেগুলেশ্যন থাকিব লাগিব। VGR, PGR, Forest এইবিলাক আমি ৰক্ষা কৰিব লাগিব। বিশ্বনাথ সমষ্টিৰ যিখিনি আমি বিবেচনা কৰি আছো তাত প্ৰায় ১২০০ পৰিয়ালক ইতিমধ্যে মাটিৰ পট্টা দিয়া হ'ল আৰু ইতিমধ্যে মাটিৰ পট্টা দিয়াৰ বাকীখিনি প্ৰক্ৰিয়াও আৰম্ভ হৈ আছে। পৰৱৰ্ত্তী

সময়ত অকল বিশ্বনাথ বুলিয়েই নহয় সমগ্ৰ অসমতে এই কাৰ্য্যসূচী অব্যাহত ৰাখিম তাৰ কাৰণে আমাৰ বিধায়কসকলেও সহায় কৰিব লাগিব। এই কথাখিনিৰ বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে বিভাগীয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰি আছে আৰু পৰৱৰ্ত্তী সময়ত কি পদক্ষেপ গ্ৰহণ কৰিব লাগিব এই বিষয়ে আমি কেবিনেটৰ লগতো আলোচনা কৰিছো। যিহেতু মাটিৰ অতি গুৰুত্ব আছে আমি ইয়াক ৰক্ষা কৰিব লাগিব। ভূমিপট্টা দিয়াৰ ক্ষেত্ৰত ১৮৮৬ আৰু ২০১৯ চনৰ পলিচি মতে যেনে ধৰণে যিমানখিনিক দিব পাৰো আমি আগবঢ়াই লৈ যাম । ইতিমধ্যে ৰেভিনিউ মিনিষ্টাৰক চেয়াৰমেন হিচাপে লৈ আমাৰ কেবিনেট চাব-কমিটি এখন হৈছে য'ত ৰণোজ পেগু ডাঙৰীয়া, কেশৱ মহন্ত ডাঙৰীয়া, ৰেভিনিউৰ প্ৰধান সচিব আছে আৰু যদি কাৰোবাৰ কিবা পৰামৰ্শ আছে এই কমিটিখনক দিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে নিজৰ মৌজাৰ কথা উল্লেখ কৰিছে এইটোৰ ওপৰত অলপ ক'ব।

**শ্ৰী যোগেন মহন (মন্ত্ৰী, ৰাজহ বিভাগ) ঃ** তেখেতৰ যিটো সাঁকোমৌঠা মৌজাৰ জনজাতি সকলক পট্টা দিয়া হ'ব আৰু তেওঁলোকক পট্টা দিয়া কামৰ বাবে আমি চাৰ্কোল অফিচৰ লগত কথা পাতিছো। এটা প্ৰপোজেল হিচাবে তেওঁলোকে ঠিক কৰক। আমি যোৱাবাৰ যেনেকৈ ১ লাখ ১২ হাজাৰ একেদিনাই দিছিলো এইবাৰো চিৰিমনিয়েলী আমি কৰিম। মিছন মুডত আমি প্ৰগ্ৰেম ল'ম। য'ত আপোনালোকৰ সমষ্টিৰ বাকী ৰৈ যোৱা আটাইখিনি খিলঞ্জীয়া জনজাতীয়-অজনজাতীয় যিমান আছে ভূমিপট্টা পাবলগীয়া বুলি যোগ্য বিবেচিত হ'ব। চাৰ্কোল অফিচত প্ৰপোজেল বিলাক ৰেডী কৰি আমাৰ জিলা পৰ্য্যায়ৰ যিখন কমিটি আছে এল এচ চি বোৰ্ডত পাচ হ'ব লাগিব। এইবাৰ কিছুমান অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাৰণেও জিলা উপায়ুক্তৰ হাতত যথেষ্ট ক্ষমতা প্ৰদান কৰা হৈছে। এই ক্ষমতাই মই ভাৱো চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ ক্ষেত্ৰত গাঁও অঞ্চলত উপায়ুক্তক পাৱাৰ দিয়া হৈছে কিন্তু ভূমিপট্টাৰ ক্ষেত্ৰত চাৰ্কোল অফিচৰ যোগেদি যেতিয়া প্ৰপোজেল ৰেডী হ'ব তেতিয়া পৰৱৰ্ত্তী পৰ্যায়ত আমি চেটলমেণ্ট কৰিব পাৰিম। গতিকে মই মাননীয় বিধায়ক গৰাকীক এইটো আশ্বস্ত কৰিব বিচাৰিছো যে খিলঞ্জীয়া মানুহক ভূমিপট্টা দিয়াটো চৰকাৰৰ দায়িত্ব, tribal belts and blocks আমি ৰক্ষা কৰিম আৰু অন্যান্য মৌজাটো যদি এনে ধৰণৰ সমস্যা আছে আমি পৰৱৰ্ত্তী সময়ত এই কথাবিলাক আলোচনা কৰিম। ধেমাজি,জোনাই, গহপুৰ আদিতো এই সমস্যাবিলাক থকাৰ কথা কৈছে গতিকে আপোনালোকে এই সমস্যাবিলাক লিখিত আকাৰত দিব। আমি ৰেভিনিও বিভাগৰ লগত আলোচনা কৰি কিমান তৎপৰতাৰে কামখিনি আগবঢ়াই নিব পাৰো সেইটো চেষ্টা কৰিম। ধন্যবাদ।

**শ্ৰী প্ৰমোদ বৰঠাকুৰ (বিশ্বনাথ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো খুব সুন্দৰভাৱে দিছে কিন্তু মই এটা কথা সুধিব বিচাৰিছো সাঁকোমৌঠা মৌজাৰ উত্তৰ অঞ্চলৰ ঠাইবিলাক আগতে ফৰেষ্ট এৰিয়া আছিল কিন্তু এতিয়া ফৰেষ্ট এৰিয়া নহয়। তাত বহুত মানুহে বসবাস কৰি আছে গতিকে সেইখিনিক মাটিৰ পট্টা দিব পৰা যাব নে নাযায়?

**মাননীয় অধ্যক্ষ ঃ** আপোনাক লিখি দিবলৈ কোৱা হৈছে। যি আছে তেওঁলোকে প্ৰচেচ কৰি দিব।

**শ্ৰী যোগেন মহন (মন্ত্ৰী, ৰাজহ বিভাগ) ঃ** আপুনি কথাখিনি লৈ আহিব। ফৰেষ্ট এৰিয়া যদি হয়, ফৰেষ্ট ডুৱেল এক্ট মতে কৰিব লাগিব কিন্তু আমি সেইটো কৰিব নোৱাৰিম। যদি কিবা আছে আপুনি আহিব আমি আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মৃনাল শইকীয়া।

**শ্ৰী মৃণাল শইকীয়া (খুমটাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই এটা বিশেষ বিষয় বস্তুৰ

ওপৰত মোৰ বক্তব্য বা মোৰ অবজাৰভেশ্যনটো ৰাখিব বিচাৰিছো যে কৰ্মসংস্কৃতি যিটো শব্দৰ বিপৰীত শব্দ হৈছে কৰ্ম বিমূখতা। অসমত বহুদিন আগৰ পৰা বদনামে হওক বা লোক কথাই হওক এটা নাম আছে যে "Assam is the land of লাহে লাহে" আৰু অসমীয়া মানুহৰ কৰ্মবিমূখতা। মই গোটেই অসমীয়া মানুহক ক'ব খোজা নাই যে সকলো মানুহেই কৰ্মবিমুখ। কিন্তু মই যিটো দেখিছো সংবাদ মাধ্যমতে হওক বা letters to the editor তো পাইছো যে অসমীয়া মানুহে কামৰ পৰা লাহে লাহে আঁতৰি আহিছে। অসমীয়া মানুহৰ এই কৰ্মবিমুখতাৰ কথাটো আজিৰ কথা নহয়। ড০ ভূপেন হাজৰিকা ডাঙৰীয়াই আজিৰ পৰা ৪০-৫০ বছৰ আগতেই গানৰ আকাৰত লিখিছিলে -

"আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব।
আজিৰ অসমীয়াই নিজক নিচিনেলে
অসম ৰসাতলে যাব"।।

তেওঁ হয়তো আমাৰ অসমীয়া মানুহৰ যি বুৰঞ্জী বা ইতিহাস সেইটো চাই লিখিছিল। মোৰ সমষ্টিৰ মাজেদি এটা ৰাস্তা গৈছে যিটোৰ নাম হৈছে ধোদৰ আলি। নেশ্যনেল হাইৱে ৩৭ ৰ কমাৰ গাঁৱৰ পৰা আৰম্ভ কৰি নামৰূপত শেষ হৈছেগৈ। সেই লোক বিশ্বাস মতে, কথিত কাহিনী মতে এসময়ত আহোম ৰজাৰ দিনত এটা জাতি আছিল যাৰ নাম আছিল ধোদ অৰ্থাৎ কোনো কামবন নকৰে। সেই ধোদ সকলক বোলে আহোম ৰজাই ধৰি আনি এঠাইত কেম্প পাতি সকলোকে ৰাখিছিল আৰু এই ধোদ সকলৰ হতুৱাই জোৰ-জবৰদস্তি সেই ৰাস্তাটো বনোৱাইছিল। সেইকাৰণে সেই ৰাস্তাটোৰ নাম ধোদৰ আলি বুলি কয়। কথাটো কিমান দূৰ সত্য নাজানো কিন্তু শুনা কথাটো কৈছো। মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ মই উজনি অসমৰ কথা কৈছো, এতিয়া এই খেতিৰ বতৰত বহুতে খেতি ৰুলে আৰু বহুতে খৰাঙৰ কাৰণে ৰুব পৰা নাই। গতিকে এনেকুৱা মাটি য'ত পানী বা সকলো সুবিধা আছে কিন্তু খেতি নকৰি চন পেলাই থোৱা দেখা যায়। মোৰ ঘৰৰ সন্মুখতে বহুত মাটি পৰি আছে কিন্তু তাত খেতি নকৰে আৰু আমি বিধায়ক হিচাপে এটা সকলো সুবিধা আছে, টেক্টৰো আছে গাঁৱত, কিন্তু বহুত মাটি দেখিব এতিয়া চন পৰি আছে, খেতি নকৰে। মোৰ ঘৰৰ সন্মুখতো মাটি পৰি আছে, তাত খেতি নকৰে। বিধায়ক হিচাপে এটা টান কাম পাওঁ যে সকলোৱে আঁচনি বিচাৰি আহে কেৱল। সকলোকে সকলো আঁচনি লাগে। কৃষকৰ আঁচনি, স্বয়ম আঁচনি, আত্মসহায়ক গোটৰ আঁচনি, অৰুণোদয়ৰ আঁচনি, সকলোকে সকলো আঁচনি লাগে। ৫টা আঁচনি দিলো, পালে সন্তুষ্ট, যদি ৬ নং আঁচনিটো নাপায় তেওঁলোক অসন্তুষ্ট, তেওঁলোকে এই ৫টাৰ কথা পাহৰিলে। আমি ইমান যে দি আছো আঁচনি, এচ এচ বি গ্ৰুপক আমি পইচা দিছো, স্বয়মৰ নামত বহু ডেকাল'ৰাক পইচা দিছো, কিন্তু মই ভাৱো যে ৯০ শতাংশ লোকে এই পইচাখিনি সৎ ব্যৱহাৰ কৰা নাই, মানে পইচাখিনি অথলে গৈছে। হয়তো আমাৰ চৰকাৰৰ দোষতো বহুত মানুহ অকামিলা হৈ গৈছে বা এইটো আমাৰ তেজত থকা কাৰণে উপৰৰ পৰা আহি আছে। মই বংগমূলীয় মানুহ খিনিৰ কথা নকও। তেখেত সকলৰ নাম এন আৰ চি ত থাকিব পাৰে, নাথাকিব পাৰে, স্বদেশী হ'ব পাৰে, বিদেশী হ'ব পাৰে, কিন্তু তেওঁলোকৰ কৰ্ম সংস্কৃতিক মই ক'বলৈ সংকোচবোধ নকৰো, তেওঁলোকৰ কৰ্মসংস্কৃতিক চেলুট দিও, শ্ৰদ্ধা জনাও। আজি এই বংগমূলীয়া লোক সকল হিন্দুৱে হওঁক বা মুছলমানে হওঁক, তেওঁলোক যদি নাথাকিলে হেতেন তেন্তে আমাৰ যে ডাঙৰ ডাঙৰ ৰাস্তা বনাইছে, গুৱাহাটীত ডাঙৰ ডাঙৰ ঘৰ বোৰ হৈছে, সেইবিলাক কিন্তু নহ'লহেঁতেন বা এবছৰৰ

কামটো ৫ বছৰলৈ পিছুৱাই গ'লহেঁতেন। আমাৰ সমাজখনত দেখা যায়, পকা মিস্ত্ৰী আমাৰ গাঁৱতো বহুত আছে, আজি যদি আমি নিজৰ থলুৱা পকা মিস্ত্ৰী এজন কামত লগাও দেখা যায় যে, আজি বস্তু বাহিনী লৈ আহিল, কাইলৈ ১০ টা বজাত আহিল, ৩ টা বজাতে গুচি গ'ল যে মোৰ ঘৰত আজি আই সকাম আছে, দুদিন কৰিলে তাৰ পিছত তিনদিনৰ দিনা নাই, কিয় বোলে, মোৰ গাঁৱত বৰসভা আছে, মোৰ গাঁৱত আমাৰ সমাজে বোলে অখণ্ড পাল নাম পাতিছে, এনেকুৱা হাজাৰটা কথা কৈ সেই কামটো যিটো বংগমূলীয়া মানুহে এসপ্তাহত উলিয়ালেহেঁতেন, আমাৰ মানুহে কিন্তু এমাহতো উলিয়াব নোৱৰে। সেই তেনেকুৱা আমাৰ কৃষক নেতা আছে বহুত, কৃষকৰ বহুত ডাঙৰ ডাঙৰ সংগঠন আছে, গোটেই বিশ্বই চিনি পোৱা, কিন্তু সেই কৃষক নেতা সকলৰ মুখত এদিনো শুনা নাই তেওঁলোকে কাৰোবাক আহ্বান জনোৱা, যে আপোনালোক খেতি পথাৰলৈ যাওঁক, খেতি কৰকগৈ, খেতিৰ দ্বাৰা আমি স্বাৱলম্বিত হ'ম, তেনেকুৱা ভাষা কিন্তু তেওঁলোকৰ মুখত শুনা নাই। তেওঁলোকৰ মুখত কেৱল এইটোৱে শুনি আহিছো, ৰাস্তালৈ ওলোৱা, ৰাস্তা-ঘাটত টায়াৰ জ্বলোৱা, ৰাস্তা বন্ধ কৰা, আমাক এইটো লাগে, এইটো দাবী লাগে, অসমৰ বিভিন্ন সমস্যাৰ সকলো সমস্যা নিজৰ মূৰৰ ওপৰত মুৰ পাতি লৈ খেতি পথাৰ বাদ দি তেওঁলোকে আন্দোলনে কৰি আছে। হয়তো অসমে এখন ৰাজ্য, য'ত এটা জীৱি ওলাইছে, যাৰ নাম আন্দোলন জীৱি। কৰ্মজীৱি ওলাব পাৰে, কৃষিজীৱি ওলাব পাৰে, অসম একমাত্ৰ ৰাজ্য য'ত আন্দোলন জীৱি নামৰ এটা বস্তু ওলাইছে। মানে তেখেত সকলে আন্দোলন কৰিয়ে খায়। সেই কাৰণে আমি বহুত আঁচনি দিছো, তাত মই সুখী। বহুত দুখীয়া মানুহে কিবা এটা পাইছে, বৃদ্ধ সকলে পাইছে, বিধৱা সকলে পাইছে, কিন্তু আমি যে আত্মসহায়ক গোটতে হওঁক, স্বয়ম আঁচনিৰ যোগেদিয়ে হওঁক, মাইক্ৰ'ফাইনেন্সৰ যোগেদি, যি বহুত পইচা দিব খুজিছো আমি কিন্তু এই কৰ্ম সংস্কৃতিটো ৰাইজৰ মাজত আনিব লাগিব। বিশেষকৈ উঠি অহা প্ৰজন্মৰ নামত। আমাৰ ককাৰ দিনত সকলোৰে বহুত বহুত মাটি আছিল এঘৰ মানুহৰ, নিজে খেতি কৰিছিল, এতিয়া মাটিৰ সংখ্যাটো কমি আহিছে, মাটিৰ পৰিমাণটো। কিন্তু খেতি কৰিবলৈ মানুহ নাই। যি লকডাউন চলি আছে মোক বহুত লোকে কৈছিল যে, লকডাউন হৈছে আমি এতিয়া মৰিগাঁও বা নগাওঁৰ পৰা লেবাৰ আনিব পাৰিমনে নাই? মানে বংগমূলীয়া লেবাৰ। যদি আনিব নোৱাৰে তেনেহলে উজনি অসমত বহু পথাৰ এনে পৰি থাকিব। সেই পথাৰত কম কম খেতি, এবিঘা, দুবিঘা মাটিও খেতি কৰিবলৈ আমি আমাৰ মাজত মানুহ নাই। কোনোৱা এজনে যদি কেৰাণী চাকৰি কৰিছে তেনেহলে পত্নীৰ কথাৰ লাজটো বহুত ডাঙৰ কথা যে, চাকৰি লৈ পতি পথাৰলৈ গৈছে। কিন্তু আমাৰ দিনত মোৰ দেউতা হেড মাষ্টাৰ আছিল, মা শিক্ষয়িত্ৰী আছিল। মা হঁতে স্কুলৰ পৰা আহি পথাৰলৈ গৈছিল। এতিয়াও সজীৱ হৈ আছে আমাৰ মনত। তেতিয়া যিমান চাকৰিয়াল আছিল সকলোৰে পথাৰত খেতিও কৰে। এই যে কৰ্মবিমূখতা, হাতত ২০ হাজাৰ টকাৰ মোবাইল লৈ আহিব, ১ লাখ টকাৰ মটৰ চাইকেল লৈ আহিব, আহি আমাক ক'ব যে আমাৰ ঘৰৰ শৌচালয় নাই। আমাৰ ঘৰ নাই। সেই যে টেঙেনচি, সকলো চৰকাৰে দিব, সকলো চৰকাৰে দিব, সেই টেঙনচিটো বেয়া হৈ আহিছে। আমি কিবা কিবি দি যে সহায় কৰিছো, সেইটো কিন্তু পাৰ্মেনেন্ট চলিওচন এটা নহয়, সেইটো টেম্প'ৰাৰী। ড° ভূপেন হাজৰিকা দেৱে কোৱাৰ নিচিনা, এটা জাতি কোনোৱাই অনুদান দি দি কেতিয়াও জীয়াই ৰাখিব নোৱাৰে। কৰ্মৰ জৰিয়তে হে এটা জাতি জীয়াই থাকিব। আমাৰ যদি কৰ্মসংস্কৃতি অসমীয়া মানুহৰ মাজত আনিব নোৱাৰো, তেতিয়াহলে এই জাতি কেতিয়াও জীয়াই নাথাকে। এই মই ৰিচেন্ট কথা কৈছো, আমি চিপাঝাৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক খেতি কৰিবৰ কাৰণে ৭৭ হাজাৰ বিঘা মাটিৰ দায়িত্ব আমাৰ মাননীয় বিধায়ক

পদ্ম হাজৰিকা ডাঙৰীয়াৰ নেতৃত্বত তাতে দিছিল। পেপাৰে পত্ৰই ওলাল যে ৭৭ হাজাৰ বিঘা মাটি আছে। কিমান মাটি আছে ভালদৰে এতিয়াও জৰিপ হোৱা নাই। তাতে অন্তত অসমৰ লোকেল চিপাঝাৰত ৩০০ বা ২০০, মুঠ ৫০০ কৃষক গোটেই মোক ফোন কৰিছে, আমাৰ পদ্ম হাজৰিকা ডাঙৰীয়াক ফোন কৰিছে, যে মাটি লাগে। মোৰ মনত এটা প্ৰশ্ন হয় সেই মাটিখিনি সকলো দখলিকৃত নহয়, উদং হৈ আছে। চিপাঝাৰৰ বহু কৃষকে আমাক আবেদন কৰিছে, আমাক মাটি লাগে, তেওঁলোকেটো আগতেও খেতিখিনি কৰিব পাৰে। যদি অচিন ঠাইৰ পৰা মানুহ আহি তাত খেতি বাতি কৰি বহিব পাৰে, যাক আমি উচ্ছেদ কৰিব খুজিছো সেই মাটিখিনি, এনেই পৰি থকা মাটিখিনি তেখেত সকলে আগতে কিয় নকৰিলে? সেই কাৰণে হয়তো এতিয়া আগবাঢ়ি আহিছে যে তেখেত সকলে, যে চৰকাৰে কিবা কৰিব চৰকাৰে খেতি বাতি দি আমাক দায়িত্ব দি দিব। সেই খিনি মাটিত আগতেও তেখেতসকলে পাৰিলেহেতেন। অসমত খেতি কৰিবলৈ মাটিৰ অভাৱ নাই। কোনো এখন গাঁৱত নাই। এইটোৰ কাৰণে চৰকাৰে বিশেষভাৱে, আমি জাতিটো যদি জীয়াই থাকিব লাগে তেন্তে আমি কৰ্মসংস্কৃতিটো মানুহৰ মাজলৈ ঠেলিব লাগিব। বিশেষকৈ উঠি অহা প্ৰজন্মৰ মাজলৈ। সেইটোৰে কলো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** চাৰ, এক চেকেণ্ড। এইমাত্ৰ মাননীয় সদস্য গৰাকীয়ে যি বক্তব্য ৰাখিলে, ধুনীয়াকৈ ৰাখিছে। কিন্তু এটা কথা তেওঁ বাৰে বাৰে উত্থাপন কৰি আছে বঙ্গীয়মূলৰ লেবাৰ।

**শ্ৰীমৃণাল শইকীয়া (খুমটাই) ঃ** বংগীয় মূলৰ মানুহ।

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** বংগীয়া মূলৰ মানুহ, এইটো কাক বুজাইছে আমি ধৰিব পৰা নাই, গতিকে বংগীয়া ৰাজ বহুত বছৰ আগতে আছিল।

**মাননীয় অধ্যক্ষ ঃ** যিহেতু তেখেতে কৈছে, কিবা এটা কৈছে ৩০১। অন্য দিনত সেই বিষয়ে আলোচনা কৰিব পাৰিব।

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** চাৰ, এই কথাটো ৰেফাৰেন্সত আহিছে, ৰাজমিস্ত্ৰীৰ কামবিলাক বিশেষকৈ আমাৰ মানুহবিলাকে কৰে। সেই কাৰণে মোৰ গাত লাগিছে। গতিকে এইটো ক্লিয়াৰ কৰি দিব লাগে, হয় খিলঞ্জীয়া নকওক মানুহখিনিক, খিলঞ্জীয়া ক'বলৈ টান পাই, কিন্তু তেওঁলোক মিঞা মুছলমান বুলিয়ে কব পাৰে, আমাৰ আপত্তি নাই।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, তেনেকৈ কোৱা নাই। মাননীয় সদস্য, আপুনি ভাবি ল'লে।

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** চাৰ, বংগৰ পৰা অহা নাই। আমি স্বাধীনতাৰ আগৰে পৰা অসমত আছো, গতিকে আমাক বেলেগ কি কওঁক।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, আপুনি কিয় ভাবি ললে?

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** চাৰ, এই কথাটোৰ স্পষ্টীকৰণ দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়াই এতিয়া উত্তৰ দিব। তেখেতে একেলগে দি দিব।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াই যিখিনি কথা কৈছে সেইটো বাৰু এটা বেলেগ টপিক, সেইটো আমি কেতিয়াবা আলোচনা কৰিম। সেই কাৰণে অলপ আগতে মই যেতিয়া Indigenous faith ৰ ওপৰত কথা কৈ আছিলো তেতিয়া মই কৈ আছিলো যে আমি rootৰ লগত থকাটো কিমান প্ৰয়োজনীয়। আমাৰ ধৰ্ম যিয়ে নহওঁক কিয়? যি নহওক সেইটো আমি পাতিম। সন্মানীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই এটা খুব

প্ৰয়োজনীয় বিষয় ইয়াত আনিছে যে কৰ্মসংস্কৃতি বিষয়টো। আমাৰ সাধাৰণতে মানুহৰ আজি কালি আমি দেখিছো যে চৰকাৰী আঁচনি আদি যিমানে বাঢ়িছে, এচাম মানুহে আজিকালি অলপ প্ৰশ্নও কৰে যে আপোনালোকে মানুহক বিনাপইচাৰ চাউল দি, বিনাপইচাৰ আঁচনি দি আপোনালোকে অসমত কৰ্মসংস্কৃতিৰ পৰিৱেশটো নোহোৰা কৰিলে। ভাৰতৰ পৰিপেক্ষিততো মানুহে এনেকৈ কয়। মৃণাল শইকীয়া ডাঙৰীয়াই যি কথা কৈছে সেইটো আজিকালি বহুত পৰিমাণে সত্য। কেতিয়াবা মই পেপাৰত পঢ়ি থাকো, তাত লিখে যে এই পৰিয়ালটো চৰকাৰৰ পৰা অৰুণোদয়, বৃদ্ধ পেন্সন আৰু দিব্যাংগ পেন্সনক বাদ দি আৰু একো পোৱা নাই। যদি অৰুণোদয় পালে ১ হাজাৰ টকা, বৃদ্ধ পেন্সন পালে ২৫০ টকা, দিব্যাংগও পালে ১ হাজাৰ টকা, ২৩ শ টকাটো কাম নকৰাকৈয়ে পালে। ইমান ধুনীয়াকৈ শব্দটো লিখে, সাধাৰণ মানুহৰ পঢ়ি এনেকুৱা লাগিব যে হয় বেচেৰাক চৰকাৰে একোৱে দিয়া নাই। এতিয়া গোটেই কথাটো হ'ল যে আমাৰ অসমত এটা ডাঙৰ সমস্যা হৈছে। যোৱা কেইদিনমান আগতে অতুল বৰা ডাঙৰীয়াই মোৰ ওচৰত লৈ আহিছিল কিছুমান উদিয়মান যুৱকক, তেওঁলোকে গাহৰি উৎপাদন কৰে। তেওঁলোকে মোক কলে যে বাহিৰৰ পৰা অহা গাহৰিতো বন্ধ কৰিব লাগে। মই বুজি আছো কাৰণ সেইটো বন্ধ কৰিলে ইয়াত গাহৰিৰ দামটো বাঢ়িব। কিন্তু consumer খিনিয়ে কব আমাৰ ইয়াত গাহৰিৰ দাম বাঢ়ি গ'ল। যেতিয়া আমি মূল্যবৃদ্ধিৰ কথা কওঁ, খেতিয়কখিনিয়ে দাম বাঢ়িলে ভাল পায়। উপভোক্তাখিনিয়ে দাম বাঢ়িলে বেয়া পাই। তাৰ পিছত লাহে লাহে যেতিয়া আলোচনাত সোমাই যাওঁ, তেতিয়া বুজি পাওঁ যে অসমত কিছুমান কাম কৰিলে খৰছতো বেছি। যেনেকৈ আজি আমি fishery কৰো, যিটো fish meal সেইটো বেঙ্গলৰ পৰা আনিব লাগে। সেই কাৰণে মানুহৰ কিবা এটা কাম কৰিলেও profitable নহয়। আজি আমি গাহৰিৰ ক্ষেত্ৰত যদি চাও আমাৰ যিবিলাক গাহৰি **১৬** কেজি দিয়ে, ৰাজস্থানৰ পৰা অহা গাহৰি **৩২** কেজি দিয়ে। গতিকে আমাৰ কৃষকজনে কম টকা পাই, তাৰ ফলত তেওঁলোকে ভাৱে যে চৰকাৰে বাহিৰৰ পৰা অহা বন্ধ কৰি দিয়ক, আমি দাম পাম। কিন্তু আমি যদি উপযুক্ত ব্যৱস্থা কৰিব পাৰো য'ত **৩২** কেজি মাংস ওলাই, তাৰমানে আমি competition কৰিব পাৰিম। আজি আমি গৰুৰ কথাও মই কৈ আছো যে আমাৰ অসমীয়া গৰুৱে চাৰি বা তিনি লিটাৰ গাখীৰ দিয়ে। কিন্তু গুজৰাটৰ যিটো বীৰ গৰু আছে, সেই বীৰ গৰু আনিলে **১৬** লিটাৰলৈকে গাখীৰ পাব পাৰো। প্ৰশ্নটো হৈছে যে এটাটো কৰ্মবিমুখতা আছে আৰু এটা অসুবিধা হৈছে কি আমাৰ লৰাই কাম কৰিও উপযুক্ত মূল্য নোৱাৰ কাৰণেও মানুহবিলাকে লাহে লাহে ভাৱে যে চাকৰি কৰো। এসময়ত আমাৰ মানুহে খুব কষ্ট কৰিছিলে। উজনি অসমত চাহ বাগানবিলাকত গোটেই আমাৰ অসমীয়া লৰা-ছোৱালীয়ে কৰিছিল আৰু তাৰ শ্ৰমিকো চাহ বাগানৰ শ্ৰমিকে কৰিছিল। লাহে লাহে যেতিয়া পাতৰ দাম নোপোৱা হ'ল, মানুহবিলাকৰ মনবিলাক ভাঙি যোৱা আৰম্ভ হ'ল। এতিয়া কিন্তু নতুন আমাৰ মানুহে অগৰ গছ লগাইছে। ইয়াতে আকৌ বন বিভাগে কৈছে যে হুcampus ৰ ভিতৰত আগৰ গছ লগালে কাটিব নোৱাৰো। আমাৰ যিবিলাক পাৰিবাৰিক যি পৰিবেশ আছে, তাত আমি কিছু কাম কৰিবলগীয়া আছে। আমাৰ নামনি অসমৰ পাঠশালাত ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াৰ সমষ্টিত থলুৱা মানুহে দুগ্ধ বিপ্লৱ এটা গঢ়ি তুলিছে। আজি উজনিত হাজাৰ হাজাৰ থলুৱা যুৱকে ক্ষুদ্ৰ চাহ খেতি গঢ়ি তুলিছে। গতিকে মই ভাৰো যে যদি হুEnabling atmosphere বনাব পাৰো, আমি সফল হ'ব পাৰিম। এটা সময় আহিছিলে যে অসমীয়া ডেকা ল'ৰাবিলাকে আন্দোলন কৰিবলগীয়া হৈছিল। production ৰ লগত আমাৰ সম্পৰ্কতো নোহোৱা হৈ গ'ল, আলফা আন্দোলন আহিলে, বিভিন্ন সময়ত আন ধৰণৰ আন্দোলন আহিলে। আমাৰ যি

চিন্তা ধাৰটোৱে বদলিলে। চৰকাৰ আহিলে, চৰকাৰ বিলাকে ভাবিলে যে এইটো আচঁনি দিলে আমাৰ অন্তত সমাজখন শান্তি হৈ থাকিব। cost of peace বহুত আচঁনি গ'ল যিটো production linkage নহয়, যে শান্তিৰ কাৰণে investment তো কৰো nothing to do it production। লাহে লাহে আমি গেয়াৰডাল পৰিবৰ্তন কৰিব লাগিব। মানুহৰ মনত এটা ধাৰণা আছে যে আমাৰ মানুহে কাম নকৰে। এসয়মত আমাৰ মানুহখিয়ে খুব কষ্ট কৰিছিল। বানপানী আহে, খেতিৰ মাটি গুছি যায়, চৰত যেনেকৈ সাৰুৱা মাটিখিনিৰ ওপৰত আছে, আমাৰ মানুহখিনিয়ে সেই সাৰুৱা মাটিৰ ওপৰত নাই। কৰবাত যদি একবিঘা মাটিত চৰত **১৬** কেজিৰ production দিছে আমাৰ ইয়াত **১** কেজি **২** কেজিৰ production দিছে। মানুহ dishearten হৈ গৈছে। কিন্তু Geographical compulsion কিছুমানো আছিলে। আমাৰ বন বিভাগৰ ওপৰত কিছুমান আইন আহিলে। ট্ৰাইবেল মানুহখিনিক বন বিভাগৰ আইনবিলাকে এনেকৈ বান্ধি দিলে, যে ট্ৰাইবেল মানুহ বিলাকে কামেই কৰিব নোৱাৰা হ'ল। বননিৰ লগত একেলগে কাম কৰাৰ কথাতো চিন্তাই নকৰিলো, with forest also we can grow, এই ধৰণৰ সমস্যাবিলাক আছে। এইবাৰ বাজেটত আপোনালোকে এটা ৰূপৰেখা দেখা পাব। এইবাৰ যেতিয়া আমি বিজেপি দল নিৰ্বাচনত গৈছিলে, আমি আমাৰ সংকল্প প্ৰস্তাৱত দিছো যে আমি পাচঁ বছৰৰ ভিতৰত এনেকৈ নিজকে ভৰিৰ ওপৰত থিয় দিব লাগিব যাতে গাখীৰ, মূৰ্গী, মাছ, গাহৰি আদি আমি বেলেগৰ পৰা আনিব লগীয়া নহয়। এইখিনি কাম যদি আমি অহা পাঁচ বছৰত কৰিব পাৰো আমি সমাজখন বহুত আগুৱাই লৈ যাব পাৰিম। চাহ খেতিৰ লগত যদি অকনমানহুunproductive খেতিবিলাক কৰো। যোৱা কালি আপোনালোকে এনৰেগাত দেখিছে যে এনৰেগাত এটা ডাঙৰ component allow কৰিছো। মানুহৰ ঘৰত চন্দন আৰু অগৰ গছ, ছুম-চুমনি লগাব পাৰিব আৰু এনৰেগাৰ টকাৰে এই কামতো কৰিব পাৰিব। সদনত কথাটো উঠিছিল যে এনৰেগাত গাঁওত কাম নাই, আমি এই বিষয়তো গুৰুত্বসহকাৰে লৈছো। যোৱা কালি আমি কেবিনেটত সিদ্ধান্ত যে যিহেতু আমাৰ ঘৰত মাটি আছে এনৰেগাৰ পইচাৰে চন্দন আৰু অগৰ গছৰ plantation হ'ব, ছুম-চুমনি গছৰ plantation হ'ব আৰু এটা সিদ্ধান্ত লৈছো যে আমাৰ যে বাগিছাৰ যিবিলাক শ্ৰমিকক আমি ফাল্‌তু শ্ৰমিক বুলি কওঁ, derogatary নহয়, বাগানত ব্যৱহাৰ হয়। তেওঁলোকক বাগানৰ মালিকে কামৰ সময়ত কামত ৰাখে বাকী সময়ছোৱাত তেওঁলোকক কামত নাৰাখে। এইবাৰ আমি কৈছো যে তেওঁলোকে এনৰেগাত বাগানতে কাম কৰিব পাৰিব। বাগানত যদি কোনোৱাই plantation ও কৰি দিছে, সেইটোও আমি কাম বুলি ধৰিম। যদি কোনোৱাই নৰ্দমা কাটি দিছে, irrigation canal কৰি দিছে, ultimately অসমতে productivity বাঢ়িব। এইবাৰ আমি বাগানৰ মেনেজাৰ সকলক কৈছো যে আপোনালোকে কোনোও ফাল্‌তু শ্ৰমিকক এৰি নিদিব। আপোনালোকৰ লগত কথা পাতিম, যিমান ফাল্‌তু শ্ৰমিক আছে সকলোৱে কাম কৰক **২১৮** টকাকৈ পাব, এনে সেই শ্ৰমিকসকলে **২০৫** টকা পাই। যদি অকনমান বাগানখনৰ ভিতৰতো কাম কৰি লয়, তাত আমাৰ কোনো আপত্তি কৰিবলগীয়া নাই, কাম হওঁক, productivity বাঢ়ক, মানুহখিনিয়ে কাম পাওঁক। এটা কৰ্ম সংস্কৃতিৰ পৰিৱেশ উভতাই অনাৰ বাবে এই চৰকাৰে খনে চেষ্টা কৰিছে।

এইবাৰ আমি আমাৰ চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াক দায়িত্ব দিছো যে আমাৰ প্ৰত্যেক সমষ্টিৰ পৰা equitable basis ত driver ৰ training কৰক **৫** হাজাৰ ল'ৰাৰ। লাইচেন্সখন এনেকৈ দিব লাগিব, কোনো ডিটিও অফিচত নাযাব। কাৰণ গণ্ডগোলটো ইয়াতে যে লাইন্সনৰ কাৰণে **২০** হাজাৰ দিব লাগিব। মই পাটোৱাৰী ডাঙৰীয়াক কৈছো লাইচেন্স আৰু মিঠাইৰ পেকেট

একেলগে দিব। যাতে ডিটিওৰে মিঠাই খুৱাই দিয়ে যে আপোনালোকে এই লাইচেন্স পালে। তাৰো scheme বনি আছে। আমি ভাবিছো প্ৰত্যেক সমষ্টিত এশজন ল'ৰাক ৰাজমিস্ত্ৰীৰ training দিয়াৰ কথা, প্ৰত্যেক সমষ্টিত এশজন লৰাক driver training দিয়া আৰু বিধায়কসকলোকে ইয়াৰ দায়িত্বতো দিম। প্ৰত্যেক সমষ্টিৰ পৰা অন্তত ৫০ জনী ছোৱালী নাৰ্চ সৃষ্টি কৰা, ৫০ জন ল'ৰা pharmacist সৃষ্টি কৰা। মই ভাবিছো যদি আমি ভালকৈ planning কৰিব পাৰো ৫ বছৰত ৫ হাজাৰ লৰা-ছোৱালীক নিজৰ ভৰিত ঠিয় হোৱাকৈ নিৰ্মাণ কৰিব পাৰিম। কেতিয়াবা কেতিয়াবা আমাৰ অসমৰ ওপৰত কথা আহে, মই কব খুজিছো যে প্ৰত্যেক জাতিৰ DNA বেলেগ। আজি আমাৰ অসমীয়া ল'ৰা-ছোৱালী বা ট্ৰাইবেল ল'ৰা-ছোৱালী বিলাকে যদি খেতি কৰা নাই, আমি কিন্তু hospitality sector ত আমি আছে আৰু যদি Bengalore, Madrass ত যাওঁ ইত্যাদিত হোটেল আদিত অসমীয়া লৰা-ছোৱালী পাবই। প্ৰায় ভাগ হস্পিতালত অসমীয়া ANM, GNM ছোৱালী পাবই। তাৰমানে আমি যদি কিবা এটা sector ত কৰা নাই আন কিবা এটা sector ত কিন্তু আমাৰ লৰা-ছোৱালী আগুৱাইছে। গতিকে আমাৰ যদি সমষ্টিত এই বছৰৰ কাৰ্য্যকালত এশ গৰাকী নাৰ্চ সৃষ্টি কৰিব পাৰো ANM, GNM, এশটা driver সৃষ্টি কৰিব পাৰো। এশটা ৰাজমীন্ত্ৰী সৃষ্টি কৰিব পাৰো, দহজন লেৰটেক বনাব পাৰো, এইধৰণে আমি যদি এটা employment ব্যৱস্থা কৰি লওঁ আৰু এই ধৰণে আগুৱাই যাম বুলি ভাৰো নিশ্চয় কৰিব পাৰিম। ইয়াৰ ওপৰত বাজেটত আপোনালোকে অলপ চিন্তা চৰ্চা reflaction এটা দেখিব। আজি-কালি অসমীয়া মানুহে ক'তো, কোনো হোটেলত গৈ বেয়া কাম কৰিব নোৱাৰে। কাৰণ কোনোবা এজন অসমীয়া মানুহে দেখা পায়েই। গোৱাত যাওঁক, আন ক'ৰবাত যাওঁক কোনোবা এজনে মাত দিয়েই যে চাৰ মই অমুকৰ হয়। সকলো হোটেলতে অসমীয়া লৰা-ছোৱালী পাবই। সকলো হস্পিতালত অসমীয়া এ এন এম, জিএনএম ছোৱালী পাবই । তাৰ মানে আমি যদি কিবা এটা চেক্টৰত কৰা নাই আন কিবা এটা চেক্টৰত কিন্তু আমাৰ ল'ৰা-ছোৱালীবিলাক আগুৱাইছে। গতিকে আমাৰ যদি সমষ্টিত আমাৰ এই পাঁচ বছৰৰ কাৰ্যকালত ১০০ গৰাকী এ এন এম, জিএনএম নাৰ্ছ সৃষ্টি কৰিব পাৰো, ১০০ গৰাকী ড্ৰাইভাৰ সৃষ্টি কৰিব পাৰো, ১০০ গৰাকী ৰাজমিস্ত্ৰি সৃষ্টি কৰিব পাৰো, ১০০ জন ৰং দিয়া মিস্ত্ৰি সৃষ্টি কৰিব পাৰো, ১০ জন লেপটেক্ বনাব পাৰো, এইধৰণে আমি যদি এটা এমপ্লইমেন্ট গ্ৰাফ এটা কৰি লও আৰু এইধৰণে আমি যদি আগুৱাই যাম বুলি ভাৰো , নিশ্চয়কৈ আমি কৰিব পাৰিম। ইয়াৰ ওপৰত বাজেটত আপোনালোকে কিবা এটা চিন্তা-চৰ্চাৰ ৰিফ্লেকশ্যন দেখিবলৈ পাব। আজি আপোনালোক আচৰিত হ'ব যে আমাক কণী লাগে ৫১২কোটি টকাৰ। আমি কণী অসমত প্ৰডিউচ কৰো মাত্ৰ ৫২ কোটি। তাৰ মানে আজি কিমান গেপ আছে। যোৱা কালি পদ্ম হাজৰিকাই মোক মোবাইলত দেখুৱাইছে যে তেখেতে কণ্যকাৰ কাৰণে গৰু আনি আছে। এতিয়া আমাৰ প্ৰত্যেকজন বিধায়কে যদি কয় যে মোৰ সমষ্টিটো মই Cow replacement কৰিম। অৰ্থাৎ আমি এইবাৰ তিনিটাৰ কথা ভাবিছো যে আমাৰ সমষ্টিবিলাকত যদি আমি Dairy Cooperative কৰি আমি যদি replacement breed আনো আৰু লগত artificial insemination ও কৰো, আমাৰ প্ৰডাকচন বাঢ়িব ,মানুহে প্ৰডাক্টিভিটি পাব। গাখীৰৰ মাৰ্কেট যথেষ্ট আছে, কোনো অসুবিধা নাই। কাৰণ ৫০ আৰু ৫০০ কোটিৰ মাজত এতিয়াও চাৰে- চাৰিশ কোটি টকাৰ গেপ আছে। আমি এই চিন্তা-চৰ্চাবিলাক কৰিছো। যোৱাকালি কেবিনেটত আমি কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছো। এটা আমি সিদ্ধান্ত লৈছো যে এনৰেগাৰ টকাৰে আপোনালোকে ৰাজহুৱা পুখুৰী নিৰ্মাণ কৰিব পাৰিব। দ্বিতীয়তে চন্দন গছ , সাঁচি গছ, সোম-সুমনি এই ধৰণৰ ক'মাৰচিয়েল গছবোৰ

আপোনালোকে প্লেন্ট কৰিব পাৰিব। বন বিভাগে কাটোতে একো বাধা নিদিয়ে। এইটো আপোনালোকে মেছিভ স্কেলত কৰিব পাৰিব। দ্বিতীয়তে আমি কৈছো যে আমাৰ স্কুল বিলাকত অন্ততঃ টিনবিলাক আপোনালোকে সলনি কৰি ল'ব পাৰিব আমাৰ ফাইনেন্স কমিশ্যনৰ টকাৰে। আমি পঞ্চায়তৰ লগত ধুনীয়াকৈ কো-অৰ্ডিনেশ্যন কৰিম। যোৱাকালি আমি আৰু এটা ঐতিহাসিক সিদ্ধান্ত লৈছো যে বাগানৰ শ্ৰমিক খিনিয়ে এনৰেগাৰ টকাৰে বাগানতে কাম কৰিব পাৰিব। ২১৮ টকা তেওঁলোকে এতিয়া পাব, ছয়মাহ মানৰ দৰমহা তেওঁলোকে নাপাইছিল। গতিকে আপোনালোকেও মোক পৰামৰ্শ দিব যে আপোনালোকৰ সমষ্টিটো কেনেকৈ আমি এখন স্কীল কেপিটেললৈকে ৰূপান্তৰ কৰিব পাৰো। আমি যদি ভাবি লওঁ যে গহপুৰক মই স্কীল কেপিটেল কৰিম, লামডিঙক মই স্কীল কেপিটেল কৰিম, তাৰ কাৰণে মই কি কি কৰিব লাগে ? আৰু কনচ্টিটুয়েঞ্চি স্কীল মিশ্যনৰ আপুনি চেয়াৰমেন হৈ লওঁক যে মোৰ নেতৃত্বত এই ৫ হাজাৰজন লৰাক এমপ্লইমেন্ট দিয়া কাম মই আৰম্ভ কৰিম, মই নেতৃত্ব লম। মই ভাবো যে যিটো কৰ্মসংস্কৃতিৰ কথা কৈছে, অসমত আটাইতকৈ ডাঙৰ বিপদ হৈছে কি আমাৰ মিডিয়া,আমাৰ বুদ্ধিজীৱি, আমি ৰাজনীতি কৰা ব্যক্তিবিলাকে আন্দোলন কৰা মানুহবিলাকক 'হিৰো'ৰ আখ্যা দিওঁ। কিন্তু এই যে কাঁজিনেমুকেইটা এতিয়া যে ৰূপান্তৰ হৈ আছে তেওঁলোকৰ জাগা কিন্তু পেপাৰ,মিডিয়া আৰু ৰাজনীতিত তিনি নম্বৰ স্থানত। সেইকাৰণে এইবাৰ আমি অসম ৰত্ন বঁটা আৰম্ভ কৰিছো। এই বঁটা আমি বুদ্ধিজীৱিসকলৰ কাৰণে কৰা নাই। কোনজন অঙ্গনবাড়ী কৰ্মীয়ে আটাইতকৈ বেছি শিশুৰ পুষ্টি সাধনৰ বাবে কাম কৰিছে তেওঁ এইবাৰ এই ৰত্ন বঁটাটো পাব। কাৰ কোমোডিটি অসমৰ বাহিৰত এক্সপ'ৰ্ট হৈছে, কোনজনী মহিলাই তিনিটা গাহৰি ৰাখি গোটেই পৰিয়ালটো শিক্ষিত কৰিছে তেনেকুৱা মহিলাক সন্মানিত কৰা হ'ব, এই প্ৰাইজৰ কেৰেক্টাৰটো বেলেগ হ'ব। এই প্ৰাইজটো হ'ব যিয়ে কৰ্ম-সংস্কৃতিক সন্মান দিয়ে। সি হিউমেন ডেভলপমেন্টতেই হওঁক বা ইক'নোমিক প্ৰডাকচনতেই হওঁক। চ্যুকাফা দিৱসৰ দিনাখন আমি যিটো অসম ৰত্ন বঁটা দিম, এই অসম ৰত্ন বঁটাটো প্ৰবন্ধ লিখা মানুহে নাপায.। তেওঁলোকৰ কাৰণে বিভিন্ন ধৰণৰ সাহিত্যিক পেন্সন আদি আছে । সমাজত তেওঁলোকৰ বৰঙণি আছে তাক আমি স্বীকাৰ কৰো। কিন্তু বঁটা বুলিলে মানুহৰ এনেকুৱা ধাৰণা হয় যে প্ৰফেচাৰ, টিচাৰ, প'লিটিচিয়ান এওঁলোকেই পাব নেকিঙ্গ কিন্তু এইবাৰ আমি অসমত আৰম্ভ কৰিব খুজিছো যে অসমৰ কাঁজিনেমু বাহিৰলৈকে এক্সপোৰ্ট কৰা ল'ৰাজনেহে এইবাৰ অসম ৰত্ন বঁটা পাব। আমি যোৱা সময়ছোৱাত কিছু কাম কৰাও নাছিলো। এই ধৰণৰ কাম আমি কৰিব লাগিব। লাহে লাহে এই সদনটো আন্দোলন কৰা, ধৰ্ণা দিয়া কথাবিলাক বাদ দি দি লাহে লাহে এই মানুহবিলাকৰ জীৱনক লৈ যে কেনেকৈ পাঠশালাৰ আৰ্হি লৈ দুগ্ধ উৎপাদন মই পশ্চিম গুৱাহাটীত কৰিব খোজো , চৰকাৰে কি সহায় কৰিব কওঁক ।তেনেকুৱা আলোচনা হওঁক। মোৰ সমষ্টিত মই ড্ৰাইভাৰ ট্ৰেইনিং ইন্চটিটিউট এখন কৰিব পাৰো,প্ৰিন্সিপালে লাইচেন্স দিব পাৰিব নেকি? তেনেকুৱা প্ৰশ্ন কৰক। ধৰক ৰণোজ পেগুৰ সমষ্টিত এখন ড্ৰাইভিং ইন্চটিটিউট হ'ল, তেওঁৰেই খুলিব ইন্চটিটিউটখন বিধায়কৰ ফাণ্ড দি। চৰকাৰে কব এতিয়া ডি টি অ'ৰে লাইচেঞ্চ নিদিয়ে,সেই প্ৰিন্সিপালজনকে আমি লাইচেঞ্চ দিয়াৰ পাৱাৰ দিম। তেতিয়াটো ধুনীয়াকৈ ড্ৰাইভিং ইন্চটিটিউট আমি খুলি ল'ব পাৰো। এতিয়া প্ৰশ্নটো কি, ড্ৰাইভিং ইন্চটিটিউট চলোৱা মানুহৰটো আকাল নাই, সমষ্টিৰে ১০জন লৰা আছে। যিয়ে চিগনেল জানে,সকলো জানে তেওঁক প্ৰিঞ্চিপাল কৰি দিলো, আন দুজনক প্ৰফেচাৰ কৰি দিলো, গাড়ী চলালে, ধুনীয়াকৈ চলিলে প্ৰশ্নটো আহি যায় লাইচেঞ্চ কোনে দিব? ২০ হাজাৰ, ৩০ হাজাৰ দিব লাগে, গতিকে লাইচেঞ্চ নাই। এতিয়া আমি কম যে সেই প্ৰিন্সিপালজনেই লাইচেঞ্চ দিব,

ঝামেলা শেষ। গতিকে এই ধৰণৰ কথাবিলাকত যদি হাউচে অহা ৫ বছৰ সময় ইনভেষ্ট কৰো আৰু টাইয়াৰ জ্বলোৱা মানুহ বিলাকৰ কথা যদি আমি নাপাতো বুলি চিন্তা কৰি লওঁ, তেতিয়া দেখিব অসমত কৰ্মসংস্কৃতিৰ পৰিৱেশ ঘুৰি আহিব। কাৰণ যোৱা ১০ বছৰত আমি তাকেই নায়ক পাতিছো যিয়ে বেছিকৈ শ্লোগান দিব পাৰিছে। আমাৰ গোটেই পৰিভাষাটো বদ্‌লি আছিল। এই পৰিভাষাটো পৰিৱৰ্তন কৰি যদি আমি কওঁ যে অসমত যিয়ে ক্ষুদ্ৰ চাহখেতিৰ আৰম্ভণি কৰিছিল, সেই ব্যক্তিজনৰ বিষয়ে আমি অহাবাৰ সদনত আলোচনা কৰিম। পৰিৱেশ বদলি যাব আৰু সেই পৰিৱেশ আমি আনিব পাৰিম, আমাৰ ম'ডেল আছে। পদ্ম হাজৰিকাই এক দিশত আগবঢ়াইছে। এইবাৰ আমি ঢলপুৰটোক এটা ম'ডেল কৰিব খুজিছো। ইয়াত বেলেগ কথা নাই। উচ্ছেদ আদিৰ ওপৰত আমি আলোচনা কৰিব খোজা নাই। মূল চিন্তা হ'ল যে ঢলপুৰত অৰ্গেনিক ফাৰ্মিং দি এইবাৰ গুৱাহাটীয়ে খাব নেকিঙ্গ ইয়াতে কোনে খেতি কৰিব that will come secondary. তাৰ প্ৰডাক্‌চনটো আমি কৰিব লাগিব যাতে আমি এইবাৰ অকণমান অৰ্গেনিক খাব পাৰো। এই গোটেই লাইনবিলাকত আমি আগুৱাই যাব পাৰিম। চৰকাৰখন খুউব মুকলি হৈ আছে। মই ভাৰো যে বহুত বেছি ইলেকশ্যনৰ অঙ্কও কৰি থকাৰ প্ৰয়োজন নাই, পাঁচ বছৰ পিচত আছে। এই কেইদিনত আমি বহুত বেছি প্ৰগ্ৰেচ কৰিব পাৰিম। আপোনালোকে নিজৰ নিজৰ সমষ্টিটো এটা স্কীল কেপিটেললৈকে ৰূপান্তৰ কৰাৰ চেষ্টা কৰক। মোডী ডাঙৰীয়াই এটা খুউব ভাল কথা কৈছে যে One District, One Product. আজি কামৰূপত যদি আমি আৰম্ভ কৰিলো এৰি- মুগাৰ উৎপাদন, শিৱসাগৰে এৰি-মুগা নালাগে, Sivsagar can excel in tourism. যদি আজি পাঠশালাত দুগ্ধ উৎপাদন হ'ল, নলবাৰীৰ প্ৰডাক্টটো বাঁহ-বেতৰ হ'ব পাৰে।এই ধৰণৰ কথা এটা মোডী ডাঙৰীয়াই কৈছে। চিঠিখন আৰু কনচেপ্টটো মই আপোনালোকক দিম। আমি কব পাৰো One Constituency, One Product বা One Constituency,To Product. এই দিশত যদি আমি আগুৱাই যাব পাৰো, মই ভাবো আমি সফল হ'ম। মই সন্মানীয় বিধায়ক মৃণাল শইকীয়া ডাঙৰীয়াক এই ভাল ট'পিকটো অনাৰ কাৰণে ধন্যবাদ জনাইছো। আমি প'জিটিভ্‌লি কৰ্ম-সংস্কৃতিৰ বিষয়টো আগুৱাই লৈ যাব লাগিব। আমাৰো অলপ ভুল হৈ গ'ল যে যোৱা সময়ছোৱাত কাম কৰা মানুহবিলাকৰ লগত আমি কথা নাপাতিলো, যিবিলাকে আচলতে কৰ্ম-সংস্কৃতিৰ বিপৰীতে কাম কৰে তেওঁলোকৰ কথাই আমি পাতি থাকিলো। সেইকাৰণে আমাৰ সমাজখন বেয়া হৈ গল। আজি-কালি এনেকুৱা হৈ গ'ল যে সকলোতে চিম্বলিজম। আজি খেতি আমি নকৰো , কিন্তু ট্ৰেক্টৰখনত দুই মিনিটৰ বাবে উঠি আমি কৃষক হৈ গ'লো। এইটোৰ পৰা লাভ নহয়, এই চিম্বলিজমৰ কোনো মূল্য নাই। চিম্বলিজিমৰ ওপৰত গৈ আমি কাম কৰিব লাগিব। We have to travel beyond symbolism. তেতিয়া আমি সফল হ'ব পাৰিম। বাজেটত মই অলপ চেষ্টা কৰিম, কিন্তু আপোনালোকৰ কো-অ'পাৰেশ্যন লাগিব, সমাজৰ কো-অ'পাৰেশ্যন লাগিব আৰু পাঁচ বছৰ কাম কৰিলে অসম খনৰ চেহেৰা আমি বদলাব পাৰিম বুলি মই দৃঢ়তাৰে সৈতে বিশ্বাস কৰো।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ, এতিয়া শ্ৰীবিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন (সৰুপথাৰ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই আজি এনে এটা বিষয় সদনত উত্থাপন কৰিব বিচাৰিছো, যিটো বিষয় উত্থাপন কৰিলে, যিটো বিষয় আলোচনা হ'লে সততে সমস্যাৰ কথা আহে, অসম নাগালেণ্ড সীমান্ত অঞ্চলৰ জনসাধাৰণৰ কথা। আমি সকলোৰে জানো যে ১৯৬৩ চনৰ ১ ডিচেম্বৰত নাগালেণ্ডক এখন ৰাজ্য হিচাপে ঘোষণা কৰাৰ পাছত আমি যিহেতু সেই সময়ত এটা সুস্থিৰ সিদ্ধান্ত থকাৰ পাছতো সীমান্তক আমি এটা নিৰ্দিষ্ট সীমাত চিহ্নিত

কৰি ৰাখিব নোৱাৰিলো। পৰৱৰ্তী সময়ত সীমান্ত অঞ্চলত নাগাৰাজ্যৰ আগ্ৰাসনৰ ফলত বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে আৰু এই সমস্যাই সীমান্তৱৰ্তী ৰাইজক জীয়াতু ভোগাইছে। সৰু পথাৰ সমষ্টিৰ এটা বিস্তৃৰ্ণ অঞ্চল অসম নাগালেণ্ড সীমান্তত অৱস্থিত। প্ৰায় ৯ খন গাঁও পঞ্চায়তৰ লক্ষ্যাধিক লোকে এই সীমান্ত অঞ্চলত বাস কৰে। সীমান্ত অঞ্চলত বিগত দিন বিলাকত বিভিন্ন ধৰণৰ সন্ত্ৰাসমূলক কাৰ্য্য নগা কুটাঘাটকাৰীৰ অত্যাচাৰ আদি হৈ আহিছে। ১৯৭৯ চনত ৰজাপুখুৰীৰ ঘটনা, ১৯৮৪ চনৰ মেৰাপানীৰ ঘটনা বা ১৪ চনৰ ১২ আগষ্ট তাৰিখৰ লাচিত বস্তিৰ চেণ্টপুৰৰ ঘটনা, অসম নাগালেণ্ড সীমান্ত ইতিহাসত এক ক'লা অধ্যায় হিচাপে সদায় পৰিগনিত হৈ আহিছে। আমি আশা কৰিম অহা দিন বিলাকত সীমান্তৰ সমস্যা বিলাক সমাধান হ'ব। এই সম্পৰ্কত মই সৰু পথাৰ সমষ্টিৰ সীমান্তৰ কথা ক'ব বিচাৰিছো যে সীমান্তত ২৪০ খনতকৈ অধিক গাঁও আছে। যিবিলাক গাঁও আজি ৰাজহ গাঁও নহয়। এ ,বি আৰু চি চেক্টৰত থকা এই গাঁওসমূহ ৰাজহ গাঁও নোহোৱাৰ বাবে সেই অঞ্চলৰ ৰাইজে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে আৰু এই সমস্যা বিলাকৰ ভিতৰত প্ৰথম সমস্যাটো হ'ল যে প্ৰত্যেকখন গাঁৱত একোজনকৈ গাঁওবুঢ়া আছে। সেই গাঁওবুঢ়াসকলক আমি প্ৰশাসনৰ তৰফৰ পৰা নিযুক্তি দিওঁ। এখন ধুনীয়াকৈ পৰিচয় পত্ৰ দিওঁ। কিন্তু বছৰ বছৰ দিন ধৰি এজন গাঁওবুঢ়াই যিবিলাক কাম কৰিব লাগে, তেওঁলোকে কাম কৰি অহাৰ পাছতো আজিলৈকে কিন্তু কোনো এজন গাঁওবুঢ়াক আমি এটা ফুটাকড়িও পাৰিশ্ৰমিক হিচাপে দিব পৰা নাই। কাৰণ ৰাজহ গাঁওত গাঁওবুঢ়াক দৰমহা দিয়াৰ নিয়ম আছে। কিন্তু সীমান্তত থকা এই বনাঞ্চলৰ গাঁওসমূহত গাঁওবুঢ়া সকলক সকলো বিলাক কামত আমি নিয়োজিত কৰিছো। আমি আজি ক'ভিড মহামাৰীৰ সময়ত গাঁওবুঢ়াসকলক কৰ্মত নিয়োজিত কৰিছো, সীমান্তৰ অন্যান্য সমস্যাৰ ক্ষেত্ৰত নিয়োজিত কৰিছো। কিন্তু সেই গাঁওবুঢ়া সকলক ৰাজহ গাঁও নোহোৱাৰ বাবে দৰমহা দিয়া নাই। অথচ্ আমি চৰকাৰে তেওঁলোকৰ পৰা সদায় চাৰ্ভিচ লৈ আছো। গতিকে মই আশা কৰিম যে আমি যদি গাওঁবুঢ়াসকলক ৰাজহ বিভাগৰ পৰা দিব নোৱাৰি যি সকল সীমান্ত অঞ্চলত আছে, আমাৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ আছে, এই বিভাগৰ জৰিয়তে সীমান্তত থকা গাওঁবুঢ়া সকলক যাতে আমি তেওঁলোকৰ পাৰিশ্ৰমিক সমূহ দিওঁ তাৰ কাৰণে মই অনুৰোধ জনাইছো। সীমান্তৰ এই গাঁও বিলাকত মোবাইল নেটৱৰ্কৰ এটা বৃহৎ সমস্যা আছিল। আজি কিছুদিনৰ পূৰ্বে নিৰ্বাচনৰ আগত বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয় সেই অঞ্চললৈ গৈছিল। সেই অঞ্চললৈ গৈ তেখেতে নিজে দেখি আহিছে যে সেই সময়ত নিজৰ মোবাইল ফোনৰ বহি বিশ্বৰ লগত যোগাযোগ কৰিব পৰা নাছিল, আৰু আমাৰ সৌভাগ্যৰ বিষয়, তেখেত মুখ্য মন্ত্ৰী হোৱাৰ পাছত আমাৰ অনুৰোধত তেখেতে লোৱা প্ৰত্যক্ষ ভুমিকাৰ ফলত সেই অঞ্চলত ২৬ টা মোবাইল টাৱাৰ ইতিমধ্যে স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কিন্তু সেই অঞ্চলত কৃষি, স্বাস্থ্য, শিক্ষা আদিৰ ক্ষেত্ৰত বহুত পিছ পৰি আছে। স্বাস্থ্য ক্ষেত্ৰত সেই ৯ খন পঞ্চায়তৰ বাবে আমি আৰু কিছু ব্যৱস্থা লোৱাৰ প্ৰয়োজন আছে, সেই অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত লক্ষ্যাধিক লোকৰ মাজত মাত্ৰ ৫ খন হাইস্কুল আছে, আৰু কেইখনমান স্কুল আছে। তাৰ পৰা সৰুপথাৰ মহাবিদ্যালয়লৈ আহিব লাগে। সৰুপথাৰ মহাবিদ্যালয়ত আজিৰ তাৰিখত প্ৰায় ২৬শ ছাত্ৰ-ছাত্ৰী। কিন্তু ইউ জি চি নৰ্মচ্ মতে সৰুপথাৰ মহাবিদ্যালয়ত থাকিব লাগে ৫শ ৰ পৰা চাৰে পাঁচশ ছাত্ৰ-ছাত্ৰী আছে। সেই কাৰণে সীমান্ত অঞ্চলৰ দ্ৰুত উন্নয়নৰ কাৰণে মই আজি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ লগতে অন্যান্য বিভাগক অনুৰোধ জনাইছো। কাৰণ দীৰ্ঘদিন ধৰি এই অঞ্চলত এনেকুৱা এটা পৰিবেশৰ সৃষ্টি হৈছে তাত থকা নগা

গাঁও সমূহত নাগালেণ্ডে উন্নয়নৰ কাম কৰে। আজি সীমাৰ পৰা ৩,৪,৫ কিঃ মিঃ ৰ ভিতৰত এখন যদি নগা গাঁও আছে সেই নগা গাঁওখনৰ ৰাস্তা-পদূলী আমি নবনাওঁ। সেই গাঁওখনত বিজুলীৰ সংযোগ নিদিওঁ। পানী যোগানৰ ব্যৱস্থা নিদিওঁ। কিন্তু নাগালেণ্ডৰ পৰা আহি, তেওঁলোকে এই বিলাক কাম কৰিছে। যাৰ ফলস্বৰূপে অসমৰ ভিতৰত থকা গাঁওসমূহত নগাৰাজ্যই অধিকাৰ সাব্যস্ত কৰিবলৈ গৈছে। আৰু তেওঁলোকে সেই অঞ্চল নিজৰ বুলি দাবী কৰিব বিচাৰিছে। মই অনুৰোধ জনাম যেনেকৈ অসমৰ ভিতৰত অন্যান্য জনগোষ্ঠীৰ গাঁও সমূহ যেনেকৈ থাকে, সেই জনগোষ্ঠীৰ গাঁও সমূহ আজি অসমৰ নহৈ বাহিৰো যদি কোনোবা ব্যক্তি আহি ইয়াত গাঁও পাতিছে, সেই অঞ্চলৰ উন্নয়নৰ কাম আমি যেনে ধৰণে কৰো সীমান্ত অঞ্চলৰ অসমৰ ভিতৰত থকা নগা গাওঁ সমূহৰ উন্নয়ন আমি কৰিব লাগিব। সেই গাওঁ সমূহ এডপ্ট কৰি অসমৰ ভিতৰৰ গাঁও যে সেই কথা আমি প্ৰতিষ্ঠা কৰিব লাগে। ২য়তে সেই অঞ্চলৰ ছাত্ৰ- ছাত্ৰী সকলে পি আৰ চি নাপায়। সেই অঞ্চলৰ কৃষক সকলে পি এম কিষাণৰ পইচা নাপায়, সীমান্তত থকা গাওঁ কাৰণে। গতিকে সেই অঞ্চলত এইখিনি পাবৰ বাবে আমাৰ যিহেতু সীমান্ত উন্নয়নৰ মন্ত্ৰী, কৃষি মন্ত্ৰী ও পি এম কিষাণৰ পইচা যাতে পায় তাৰ ব্যৱস্থা কৰিব লাগে। সীমান্ত অঞ্চলত সীমান্ত দণ্ডাধীশ থাকিব লাগে, কিন্তু আজিৰ তাৰিখত সীমান্ত দণ্ডাধীশ এজনো নাই। তেওঁলোক সৰু পথাৰ টাউনত থাকে, আৰু তেওঁলোকে বেলেগ দায়িত্বত নিয়োজিত হৈ থাকে। যাৰ ফলস্বৰূপে সীমান্ত দণ্ডাধীশৰ যিসমূহ কাম আছিল সেই কাম উপযুক্ত ভাবে হোৱা নাই। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম সীমান্ত অঞ্চলত অন্ততঃ প্ৰত্যেকটো চেক্টৰত ৩টা চেক্টৰত ৩ জন সীমান্ত দণ্ডাধীশ নিযুক্তি দিয়ক তেওঁ তাতে থাকক। সেই অঞ্চলৰ যিকোনো নিৰ্মাণৰ অনুমতিকে ধৰি যিকোনো কামৰ ক্ষেত্ৰত সেই সীমান্ত দণ্ডাধীশকেইজনে সেই গাঁওত থাকি যাতে কাম কৰে। মই আৰু এটা কথা ক'ব বিচাৰিছো, এইটো কেৱল মোৰ সমষ্টি বুলিয়েই নহয়, সীমান্তৰ ইমুৰৰ পৰা সিমুৰলৈ আজি ডিফুৰ পৰা বোকাজান, সৰুপথাৰ, গোলাঘাট, তিতাবৰ, মৰিয়ণি, নাজিৰা আৰু সোনাৰিলৈকে সীমান্তত এটা এক্সপ্ৰেছ হাইৱে বনাওঁক, যাতে এই এক্সপ্ৰেছ হাইৱে সীমান্তৰ পথ যোগাযোগ ব্যৱস্থা সুচল কৰে। সীমান্তৱৰ্তী ৰাইজৰ জীৱনধাৰা উন্নত কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ- মন্ত্ৰী মহোদয়,

**শ্ৰী অতুল বৰা (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয় অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত সৰু পথাৰ বিধান সভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন ডাঙৰীয়াই সীমান্তত যি সকল গাঁওবুঢ়াই দীৰ্ঘ দিন ধৰি নিয়োজিত হৈ আছে, তেওঁলোকৰ অৱস্থা সম্পৰ্কত আৰু অসম নাগালেণ্ড সীমান্তত কৰিবলগীয়া কামৰ ওপৰত আমাৰ দৃষ্টি আৰ্কষণ কৰাত তেখেতক আন্তৰিক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ কেইবাখনো ৰাজ্যৰ লগত সীমা সংলগ্ন হৈ আছে, অকল ৰাজ্যই নহয় দেশৰ লগত আছে, চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ আৰু ভূটান। আমাৰ চৰকাৰ, মাননীয় মুখ্য মন্ত্ৰীৰ নেতৃত্বত গঠিত হোৱাৰ পিছত আমাৰ Constitutional boundary সুৰক্ষিত কৰিবৰ ৰাৰণে যোৱা দিনকেইটাত যুদ্ধকালীন ক্ষীপ্ৰতাৰে কাম কৰা হৈছে। কাৰণ Constitutional Boundary ৰক্ষা কৰাটো আমাৰ নৈতিক দায়িত্ব আৰু কৰ্ত্তব্য । মাননীয় মুখ্যমন্ত্ৰী দেৱে এই কথাটো বিশেষভাবে গুৰুত্ব আৰোপ কৰিছে। অসম- নগালেণ্ড বাউণ্ডেৰীৰ দৈৰ্ঘ্য হৈছে- ৫১২.১ কি.মি। তেখেতে কৈ গৈছে যে ক'ৰ পৰা ক'লৈ আছে। চৰাইদেউ জিলালৈ বাউণ্ডেৰী আছে। গোলাঘাট জিলাত A, B, C আৰু D চেক্টৰ পৰে। এই এলেকাবিলাকত যিসকল লোক দীৰ্ঘদিন ধৰি বসবাস কৰি আছে, সেইসকলক এটা

সময়ত চৰকাৰে বহুৱাইছিল। ১৯৭২ চনত তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী আছিল মাননীয় শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া। তেতিয়াই নামনি অসমৰ বহু বড়ো জনগোষ্ঠীৰ লোকে অসম- নগালেণ্ড সীমান্তৰ ধনশিৰি মহকুমাৰ কেতবোৰ অঞ্চলত, গোলাঘাট মহকুমাৰ কেতবোৰ অঞ্চলত, তেখেতসকলক বহুৱাই বসতিস্থল হিচাপে গঢ়ি তোলা হৈছিল। এতিয়া দেখা যায় সেই অঞ্চবোৰক ফৰেষ্ট লেণ্ড বুলি কোৱাৰ কাৰণে কেতিয়াবা ফৰেষ্ট ডিপাৰ্টমেণ্টে ঘৰ- দুৱাৰ বা বিভিন্ন উন্নয়মূলক কাম কৰাত বাধা দিয়ে। আনহাতে তাত দীৰ্ঘদিন ধৰি নিউট্ৰেল ফোৰ্চ, চি আৰ পি এফ, আচাম ৰাইফলচ আছে, গতিকে জনসাধাৰণে ভাবে যে আমি জাষ্টিচ পোৱা নাই। আমি গঠনমূলক কাম কৰাৰ বাবে বাধা পাই আছো। এতিয়া আমাৰ চৰকাৰে সীমান্ত অঞ্চলত আৰু কিছু বি অ পি নিৰ্মাণ কৰিবলৈ পৰিকল্পনা কৰিছে। এইবাৰ যিখিনি আমাৰ চকুত পৰিছে, সেইখিনি নিৰ্মাণ কৰিবলৈ আমি ক্ষিপ্ৰতাৰে আগবাঢ়িছো। আমাৰ তথ্যমতে এ , বি , চি চেক্টৰত ২৪৪ গৰাকী আৰু ' ডি ' চেক্টৰত ৩৮৪ গৰাকী গাঁওবুঢ়া আছে। এই গাঁওবুঢ়াসকল সীমান্ত প্ৰহৰী। কাৰণ তেওঁলোক নাথাকিলে অসমৰ সীমান্তৰ বহু ভিতৰলৈ সোমাই তেওঁলোকে বেদখল কৰিলেহেঁতেন। আমি দেখিছো এই গাঁওবুঢ়া সকলে চেনচাচে হওঁক বা আন চৰকাৰী কামত তেওঁলোক গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। বিভিন্ন সময়ৰ ৰিপোৰ্টি, তথ্য আছে ইত্যাদি আছ। লগতে এই গাওঁবুঢ়াসকলৰ কিছুমান দাবীও আছে। জনপ্ৰতিনিধিসকলৰো বিভিন্ন সময়ত দাবী আহে। এতিয়ালৈকে এই গাঁওবুঢ়াসকলৰ পাৰিতোষিক বা আন আন সা-সুবিধা দিয়াৰ ক্ষেত্ৰত চৰকাৰে এতিয়ালৈ সিদ্ধান্ত লোৱা নাই। ২০১৯ চনত আমাৰ চৰকাৰে এনেধৰনৰ কিমান গাঁওবুঢ়া আছে তাৰ তথ্য জিলা উপায়ুক্ত সকলৰ পৰা বিচাৰিছিল। এই বিষয়ে এখন কেবিনেট মেমোৰাণ্ডাম প্ৰস্তুত কৰিবলৈ প্ৰস্তুতি চলিছিল কিন্তু ৰেভিনিউ ডিপাৰ্টমেণ্টে বন ও পৰিবেশ বিভাগকহে মেমোৰাণ্ডাম প্ৰস্তুত কৰিবলৈ ক'লে। এই বিষয়টো সেইখিনিতে ৰৈ গ'ল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া সদনৰ মজিয়াত থাকোতে মই এইটো সম্পৰ্কত আলোচনা কৰিছিলো। তেখেতে বিষয়টো গুৰুত্বসহকাৰে আলোচনা কৰিব লাগিব বুলি আশ্বাস দিলে। আমাৰ কৰিবলগীয়া কাম বহুত আছে। আমি আমাৰ কনষ্টিটিউশ্যনেল বাউণ্ডেৰী নকৰাকৈ নাথাকো। যোৱাকেইদিনত আপোনালোকে মিজোৰামত অনুৰূপ ঘটনা দেখিছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৰুত্বপূৰ্ণ নিৰ্দ্দেশ দিছে। সেই নিৰ্দ্দেশ মতে আমাৰ সীমা সুৰক্ষিত ৰাখিবলৈ নানা ব্যৱস্থা হাতত লোৱা হৈছে। ঠিক তেনে ব্যৱস্থা মৰিয়নীতো লোৱা লৈছে। আমাৰ কথা হ'ল, আমাৰ ফালৰ পৰা আগ্ৰাসন নহয় কিন্তু আমাৰ বাউণ্ডেৰী সুৰক্ষিত কৰি ৰখাটো আমাৰ দায়িত্ব। মহামান্য উচ্চতম ন্যায়লয়ত অসমৰ লগত অৰুনাচল- নাগালেণ্ডৰ সীমা সমস্যাটো বিচৰাধীন হৈ আছে। বৰ্ত্তমান সময়ত চৰকাৰৰ তৰফৰ পৰা ষ্টেটাচ মেইনটেইন কৰাৰ বাবে আমি সদায় চেষ্টা কৰি আহিছো। আমি সদায় চুবুৰীয়া ৰাজ্যৰ লগত সমিল মিলেৰে বসবাস কৰিব খোজে। কিন্তু মাননীয় সদস্য ফুকন ডাঙৰীয়াই কোৱাৰ দৰে চুবুৰীয়া ৰাজ্যৰ পৰা অসমৰ মাটি আগ্ৰাসন হয়। চুবুৰীয়া ৰাজ্যৰ কেইটামান পৰিয়ালে বেদখল কৰি য'তেই বহিব তাতেই তেওলোকে তেওলোকৰ জিলাৰ নাম আৰু বস্তিৰ নাম দিয়ে। গতিকে আমাৰ সীমান্ত এলেকাৰ জনপ্ৰতিনিধি আছে, তেখেতসকলে বিশেষভাবে সজাগ হ'ব লাগিব। যিহেতু চৰকাৰৰ এই ক্ষেত্ৰত সদিচ্ছা আছে। কেন্দ্ৰীয় চৰকাৰৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও কৈছে যে বৰ্ডাৰ সমস্যাটো আমি চুবুৰীয়া ৰাজ্যৰ লগত আলোচনা কৰি চেটেল কৰিব পাৰো। তেতিয়া হ'লে ৰাজ্যখন উপকৃত হ'ব আৰু এই বিষয়ে যাতে কোনো চুবুৰীয়া ৰাজ্যৰ লগত বিবাদ নাথাকে, এই দিশটো আগত ৰাখি আমাৰ চৰকাৰখন আগবাঢ়িব। এই ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰীদেৰে কেন্দ্ৰীয় চৰকাৰৰ মাননীয় গৃহমন্ত্ৰীৰ লগত কথাবতৰা পাতিছে।

আনহাতে গাওবুঢ়া সকলৰ দৰমহা বা পাৰিতোষিক সম্পৰ্কত মই কথাটো উল্লেখ কৰিছোৰে। গতিকে এই বিষয়টো আমি যোগাত্মক দৃষ্টিভঙ্গীৰে আগবঢ়াই নিবলৈ চেষ্টা কৰিম। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আইটেম নং-৪, মাননীয় শিক্ষামন্ত্ৰীয়ে "The Assam Women University Amendment Bill, 2021 উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Women University Amendment Bill, 2021 বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ? ......................অনুমতি দিয়া হ'ল। এতিয়া মাননীয় শিক্ষা মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Women University Amendment Bill, 2021 বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিব (অসম বিধান সভা) ঃ** The Assam Women University Amendment Bill, 2021

**মাননীয় অধ্যক্ষ ঃ** সদন অহা কালি অৰ্থাৎ ১৬ জুলাই, ২০২১ চনৰ ৰাতিপুৱা ৯.০০ বজালৈকে স্থগিত ৰখা হ'ল।

( সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ১.৪০ বজাত সমাপ্ত হয়)